অক্টোবৰ ৮৬ঃ ৩ টকা

# প্ৰতিবেদন

মেলেৰিয়া আৰু এনকেফেলাইটিছ
এক অন্তহীন বিভীষিকা

## সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)
## শোষণৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম



আক্টোবৰ '৮৬

# প্ৰতিবেদন

সম্পূৰ্ণ বাৰ্তালোচনী
ময়ূৰ প্ৰকাশ, গুৱাহাটী-৭ৰ প্ৰকাশন
তিনি টকা

আজিৰ পৰা দুবছৰ আগতে যেতিয়া তামোলপুৰ অঞ্চলত মেলেৰিয়া ৰোগ মহামাৰী ৰূপত দেখা দিছিল তেতিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা যোৱা বিশেষজ্ঞৰ দলে আক্ৰান্ত অঞ্চল ভ্ৰমণ কৰি বিহিত ব্যৱস্থা ল'বলৈ চৰকাৰৰ ওচৰত অনুমোদন জনাইছিল। কিন্তু তদানিন্তন চৰকাৰে তাৰ এটা পৰামৰ্শও কাৰ্য্যকৰী নকৰিলে।

**মেলেৰিয়া আৰু এনকেফেলাইটিছ ঃ এক অন্তহীন বিভিষিকা/৬**

আগামী দিনত দেৱী আৰু অসুৰৰ ফিফ্‌টি ফিফ্‌টি ভিত্তিত চুক্তি হৈও যাব পাৰে। অন্ততঃ দুৰ্গতি নাশিনীৰ পূজাৰ ব্যাপক হাৰত বাঢ়ি যোৱাৰ পাছতো 'ভক্তবৃন্দ'ৰ দুৰ্গতি বাঢ়ি যোৱাৰ ব্যাপকতাৰ প্ৰতি দৃষ্টি ৰাখিয়েই এই ধৰণৰ দুঃচিন্তা কৰিবলৈ বাধ্য হৈছো।

**দুৰ্গতি নাশিনীৰ দুৰ্গতি/৯**




পৃষ্ঠা ১৩



পৃষ্ঠা ৯

ইউনাইটেড লিবাৰেছন ফ্ৰণ্ট অৱ আসাম। সংক্ষেপত আলফা (বা উলফা) বৰ্ত্তমান সময়ৰ কেইটিমান ৰাজনৈতিক হত্যাকাণ্ড আৰু বেঙ্ক লুটৰ ঘটনাৰ লগত যাৰ নাম সঘনাই উচ্চাৰিত হৈছে। এওঁলোকৰ এই কাৰ্য্যকলাপৰ আঁৰত কি উদ্দেশ্যই বা নিহিত আছে? তেওঁলোকৰ ৰাজনৈতিক আকাংখা কি? তেওঁলোক কিহৰ দ্বাৰা অনুপ্ৰাণিত?


**শোষণৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম/১৩**

আজিৰ যুৱকৰ আগৰ চামৰ ধীৰ স্থিৰ আৰু সমাহিত ব্যক্তিত্ব নাই। তেতিয়াৰ তেনে পৰিৱেশো নাই। এতিয়াৰ পৃথিৱীখন তীব্ৰ বেগেৰে আগবাঢ়ি গৈছে। এই সকলোৰ লগত যেতিয়াই আমাৰ যুৱ সম্প্ৰদায়টোৱে আগবাঢ়ি যাব খুজিছে—তেতিয়াই দেশৰ দুৰ্বল আৰ্থ সামাজিক ব্যৱস্থা বাধাৰ প্ৰাচীৰ হৈ থিয় দিছে।

**স্খলিত যুৱ মানসিকতা ঃ আৰোপিত অভিযোগৰ আঁৰত/৩০**

দৃষ্টিঃ
তোমালৈ.../১১
জন স্বাস্থ্যঃ
পলিঅ'/১৭
বিজ্ঞানঃ
চিগাৰেট নাখাই চিৰিংগাম খাওক/১৯
দৃষ্টিঃ
'হবি'ৰ সম্ৰাট—ডি এক্সিং/২০
অৰ্থনীতি/বাণিজ্যঃ
দক্ষিণ আফ্ৰিকাঃ নেপথ্যত কাৰ বাহুবল?/২৩
বিচিত্ৰ মানুহঃ
অ্যান এক নিৰৱ শিল্পীৰ জীৱন যাত্ৰা/২৬
পশ্চাদপট ঃ
খোজকাঢ়ি—গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ ৭৪ ঘণ্টা ১১ মিনিটত/২৮
বিচিত্ৰা ঃ
পৃথিৱীৰ দিশে দিশে বিবাহ/৩৩
খেল, আন্তৰ্জাতিক, কুইজ, আত্মপ্ৰতিষ্ঠাৰ পথ ইত্যাদি শিতান।

OKDISCD




## ব্যৰ্থ সুপ্ৰচেষ্টা

প্ৰতিবেদনৰ চেপ্তেম্বৰ সংখ্যাত 'ডালিমীৰ অপমৃত্যু পুলিচি তদন্তৰ বেগ কিমান' শিৰোনামাৰ অনুসন্ধান মূলক ৰিপোৰ্টটিএ শিৰোনামা অনুসৰি তথ্য বহন কৰিছে যদিও লেখাটিএ প্ৰথমৰ পৰা শেষলৈকে পুলিচি তদন্তৰ বেগৰ ধাৰনাটো ফুটাই তোলাত ব্যৰ্থ হৈছে। আনহাতে বৰ্তমানৰ ক্ষয়িষ্ণু ব্যৱস্থাটোক উদঙাই দেখুৱাবৰ বাবে প্ৰতিবেদনৰ প্ৰতিবেদক সকলৰ প্ৰচেষ্টা প্ৰশংসণীয়।

গীতিমনি গগৈ,
নাহৰনি, শিৱসাগৰ

## চেষ্টাৰ ত্ৰুটি নকৰিব

আজিকালি বহুতো অসমীয়া আলোচনীৰ প্ৰথম কেইটামান সংখ্যা খুউব ভালদৰেই প্ৰকাশ পায় আৰু তাৰ পিছত কোনো খবৰেই নেথাকেগৈ। "প্ৰতিবেদনে" যাতে ঠিক তেনেকুৱা এটা পৰ্য্যায়ত উপনীত হবগৈ নোৱাৰে তাৰবাবে চেষ্টাৰ ত্ৰুটি নকৰিবলৈ অনুৰোধ জনালো। ইতি—

বিশ্বজিত বৰ্মন
পাণ্ডু সদিলাপুৰ,

## ৰাহু কেতুৰ পৰা মুক্ত

যিটো সময়ত অসমৰ কিছু-সংখ্যক আগশাৰীৰ বাতৰি কাকত আলোচনীয়ে অন্ধসংস্কাৰত টেটুলৈকে পোত গৈ থকা শিক্ষিত অশিক্ষিত জনগণক ৰাশিফল সপ্তাহপঞ্জী আদি শিতান খুলি (কেইখন মান জ্যোতিষ আলোচনীৰ কথা নকলোৱেই বা) জনপ্ৰিয়তা অৰ্জনৰ সস্তীয়া প্ৰচেষ্টাৰ বিপৰিতে "প্ৰতিবেদনে" "জ্যোতিযীৰ ভবিষ্যত বানী কিমান সঁচা ?"ৰ নিচিনা তথ্যসম্বলিত পৰ্য্যালোচনা আগবঢ়াইছে তাৰ বাবে "প্ৰতিবেদন"ৰ সমূহ কৰ্মকৰ্ত্তালৈ ধন্যবাদ জনাইছো। এই অন্ধ বিশ্বাসৰ কাৰণেই কতজনৰ গাঁঠিৰ ধন বিশ্বাসৰ পিচল বাটেদি সৰকি গৈছে তাৰ সীমা সংখ্যা নাই। "প্ৰতিবেদনে" ৰাহু, কেতু, শনি আদি কলগ্ৰহৰ কৰাল গ্ৰাসৰ পৰা আমাৰ সমাজক ৰক্ষা কৰাত এক বলিষ্ঠ পদক্ষেপ লব বুলি আশা কৰিছো।

শ্ৰীদুলাল কাকতি
শিৱসাগৰ

## পথৰ সন্ধান

আলোচনী খনিত বিভিন্ন দিশ একেলগে অন্তৰ্ভূক্ত কৰা হৈছে। অৰ্থনীতি/বাণিজ্য, বিজ্ঞান, অনুসন্ধান মূলক প্ৰতিবেদনটি পঢ়ি সঁচাকৈয়ে ভাল লাগিছে।

যিখন অসমত হেজাৰ হেজাৰ নিবনুৱা অলস ভাবে পৰি আছে সেইখন অসমৰ এখন আলোচনীৰ পৃষ্ঠা এটিও নিবনুৱা সকলৰ প্ৰতিস্থাৰ পথৰ সন্ধানত মুকলি নেথাকিল। এই ক্ষেত্ৰত 'আত্ম প্ৰতিষ্ঠাৰ পথ' নামাকৰণেৰে প্ৰতিবেদনৰ উদ্দেশ্য প্ৰণোদিত অনন্য শিতানটি পঢ়ি সম্পাদকক ধন্যবাদ নিদি নোৱাৰিলো।

কৈলাশ কলিতা
বঙাইগাওঁ, ঢালিগাওঁ

## আগৰ চৰকাৰৰ দৰে

ত্ৰিভাষা সূত্ৰটোক কেন্দ্ৰ কৰি কিছুদিন আগতে বৰাক উপত্যকাত সংঘটিত অসন্তুষ্টজনক পৰিস্থিতিয়ে পুনৰ অসমীয়া ভাষাৰ মৰ্য্যদাৰ প্ৰশ্নৰ গুৰুত্ব সহকাৰে পৰীক্ষা কৰিব লগীয়া কৰিছে।

১৯৮৬ চনৰ ২৮ ফেব্ৰুৱাৰীত মাধ্যমিক শিক্ষা পৰিষদ অসমে ভাষা নীতি ঘোষনা কৰি এখন অধিসূচনা জাৰি কৰিছিল। কিন্তু পিচৰ কালচোৱাত এই অধিসূচনা খনৰ বিৰুদ্ধে নানান প্ৰতিক্ৰিয়া প্ৰকাশ হয়। বৰাক উপত্যকাকে আদি কৰি বিভিন্ন ঠাইত আন্দোলন গঢ়ি উঠে, ফলস্বৰূপে চৰকাৰে এই অধিসূচনাখন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। গণ পৰিষদ চৰকাৰৰ আগৰ সময়ত অসমীয়া ভাষা যি অৱস্থাত আছিল, বৰ্তমান কালটো অসমীয়া ভাষাৰ স্থিতি সেই একেটাই, প্ৰকৃততে এই ক্ষেত্ৰত কোনো পৰিবৰ্তন হোৱা নাই।

শ্ৰীপুলিন ডেকা
গুৱাহাটী-১৬

OKDISCD

# প্ৰতিবেদন

সম্পূৰ্ণ বাৰ্তালোচনী

অক্টোবৰ '৮৬


## সম্পাদকৰ কলম

### দুঃসাহসৰ আঁৰত ০০

বিশিষ্ট বুদ্ধিজীৱি ডঃ ভূপেন হাজৰিকাই যোৱা 'বিদেশী নাগৰিক বহিষ্কৰণ'ৰ দাবীত চলা আন্দোলনৰ সময়ত এষাৰ তাৎপৰ্য্য পূৰ্ণ কথা কৈছিল— আন্দোলনে অন্দোলনকাৰীসকলৰ সন্মুখত তৃতীয় সত্য এটাক উদঙাই দিলে সেইটো হ'ল ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ স্বৰূপ। আন্দোলনকালীন সময়ত দিল্লীৰ নৱ ঔপনিবেযিক শক্তিটোৰ বিষয়ে ডঃ হাজৰিকাৰ দৰে কোনে কিদৰে অনুভৱ কৰিছিল তাৰ স্পষ্ট বক্তব্য কাকতে-পত্ৰে কোনেও এৰি যোৱা নাই। অৱশেষত দিল্লীৰ উক্ত শক্তিটোৰ লগত অসমীয়া আন্দোলনকাৰী মানুহখিনি এক চুক্তিত উপনিত হৈছিল। চুক্তিৰ সময়ত কিন্তু আন্দোলনৰ তৃতীয় সত্যটোৰ বিষয়ে ক'তো অনুভূত নহ'ল। যোৱা ছটা বছৰে যি এক অপ্ৰিয় সত্যই অসমৰ আন্দোলনকাৰী মানুহক পদে পদে আক্ৰান্ত কৰিছিল— সেই নৱ 'ঔপনিবেশিক শক্তি'টোক এক সাময়িক দুৰ্ভাগ্য জনক বিষয় আছিল বুলিয়েই হয়তো অসমৰ মানুহে ভাবি স্বস্তিৰ উশাহ লৈছিল। তাৰ পাচতে অসমৰ জনপ্ৰিয় আঞ্চলিক শক্তি এটা ক্ষমতালৈ আহিল, লগে লগে অসমৰ মানুহেও 'দীৰ্ঘস্থায়ী' শান্তিৰ শুভ কামনা কৰিলে।

অসমৰ জনপ্ৰিয় আঞ্চলিক শক্তিটোৱে নিজৰ সৰ্বময় কতৃত্বৰে অস্তিত্ব বজাই ৰখাৰ সময়তে, দিছপুৰৰ জনতা ভৱনৰ আশ্ৰয় গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই— আন্দোলনকালীন তৃতীয় সত্যটোক সমুখত ধৰি তুলিবলৈ অ'ত ত'ত কিছুমান বিক্ষিপ্ত আৰু সংঘবদ্ধ প্ৰচেষ্টাই মূৰ তুলি উঠিল। প্ৰচাৰ পত্ৰ, দেৱাল লিখনিৰে 'ভাৰতীয় উপনিবেশিকতা বাদৰ বিৰুদ্ধে থিয় দিয়াৰ' আহ্বান জনোৱা হ'ল অসমৰ নগৰে, চহৰে, গাঁৱে গাঁৱে। অকল এই প্ৰচেষ্টাতে নহয়— কেইগৰাকীমান ৰাজনৈতিক ব্যক্তিৰ হত্যা আৰু হত্যাৰ চেষ্টাৰ লগত নিজকে জড়িত কৰি তেওঁলোকে পৰিকল্পিত বিদ্ৰোহ ঘোষণা কৰিলে। আমাৰ 'প্ৰতিবেদন'ৰ এই সংখ্যাত 'আন্দোলনকালীন সেই তৃতীয় সত্যটোক সশস্ত্ৰ প্ৰত্যাহ্বান জনোৱা 'আলফা' নামৰ বৰ্ত্তমানৰ বহু আলোচিত সংগঠনৰ এজন দায়িত্ব শীল ব্যক্তিৰ লগত এক সাক্ষাতকাৰ প্ৰকাশ হৈছে। তেওঁলোকৰ দুঃসাহসৰ আঁৰত কি অনুপ্ৰেৰণাই কাম কৰিছে? হত্যাৰ দৰে ঘৃণিত তম পন্থা তেওঁলোকে ল'লে কিয়— তাৰ ভিত্তিগত কাৰণ সমূহ এতিয়াও বিশ্লেষণ কৰি আগবঢ়াৰ সময় পাৰ হৈ যোৱা নাই।


সম্পাদক ঃ
প্ৰফুল্ল কুমাৰ শৰ্মা

সহযোগী সম্পাদক ঃ
মণিকুন্ত দাস

মুখ্য প্ৰতিবেদক ঃ
অমূল্য কাকতী

নিজস্ব আলোক চিত্ৰকাৰ ঃ
আশীস দে

প্ৰচ্ছদ ঃ
নৱ কুমাৰ চৌধুৰী

নিজস্ব প্ৰতিবেদক-মৌচম হাজৰিকা, ৰাজেশ শৰ্মা, ব্ৰজেন ডেকা, পংকজ নেওগ, কমলেন্দু সিংহ আৰু প্ৰতুল শৰ্মা।

ময়ূৰ প্ৰকাশ, গুৱাহাটী-৭ৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত।

সম্পাদকীয় কাৰ্য্যালয় ঃ
ময়ূৰ প্ৰকাশ, উলুবাৰী,
গুৱাহাটী-৭৮১০০৭


OKDISCD

### মেলেৰিয়া আৰু এনকেফেলাইটিছ

# এক অন্তহীন বিভীষিকা

উন্‌চল্লিশতম স্বাধীনতা দিৱসৰ দিনা সুউচ্চ লালকিল্লাৰ পৰা প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে ঘোষণা কৰিছিল 'ভাৰতৰ পৰা মেলেৰিয়া সম্পূৰ্ণ ৰূপে নিয়ন্ত্ৰণ কৰা হৈছে'। অথচ তেতিয়াই অসমৰ তামোলপুৰ অঞ্চলত মেলেৰিয়াত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা মানুহৰ অসহায় অৱস্থাৰ শাম কটা নাছিল। তামোলপুৰৰ অসহায় মানুহৰ আৰ্তনাদ দিছপুৰলৈয়ে নুশুনি, দিল্লীটো বহুত দূৰ। সি যি কি নহওঁক, তামোলপুৰত মেলেৰিয়াৰ বিভীষিকাৰ অন্ত পৰো-নৌপৰোতেই— এনকেফেলাইটিছ ৰোগে ডিব্ৰুগড় আৰু উঃ লক্ষীমপুৰৰ বিস্তৃত অঞ্চলত আকৌ নতুন ত্ৰাসৰ সৃষ্টি কৰিলে। খবৰটো পুৰণি, কিন্তু ৰাজ্যিক চৰকাৰে 'যুদ্ধকালীন ক্ষিপ্ৰতা'ৰে মহ নিৰ্মূলৰ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ দুমাহৰ পাছতে আকৌ মহামাৰী সৃষ্টি হোৱাৰ তাৎপৰ্য্যপূৰ্ণ বিষয়টোৱে উপযুক্ত গুৰুত্ব নোপোৱাটো? ইয়াক পুৰণি কাকত পেলাই দিয়া টুকুৰিত পেলাই দিব পাৰিনে?

তামোলপুৰত মেলেৰিয়া মহামাৰী ৰূপে বিয়পি পৰাটো স্বাস্থ্য বিভাগৰ বাবে কোনো আকস্মিক বাৰ্তা নাছিল। আজিৰ পৰা দু-বছৰমান আগৰে পৰাই ভূটান পাহাৰৰ পাদদেশৰ উক্ত মহকুমাটোৰ মানুহে সেই মহামাৰীৰ তিল তিলকৈ মুখা-মুখি হৈছিল। গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা যোৱা বিশেষজ্ঞ চিকিৎসকৰ এদলে সেই সময়ত, তামোলপুৰৰ মেলেৰিয়া আক্ৰান্ত মানুহৰ তেজৰ নমুনা আনি পৰীক্ষাও কৰিছিল। আৰু তেতিয়াই স্বাস্থ্যবিভাগক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছিল। যদিও স্বাস্থ্য বিভাগে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ নকৰি চৰম উদাসীনতা দেখুৱালে। যাৰ কৰুণ পৰিণতি এই বছৰত আমি সকলোৱে প্ৰত্যক্ষ কৰিলো। একেদৰে এনকেফেলাইটিছ ৰোগে, ডিব্ৰুগড়, উঃ লক্ষীমপুৰ আদি অঞ্চলত ৫ বছৰমান আগতে মহামাৰীৰ সৃষ্টি কৰিছিল। গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠিত হোৱা এই সম্পৰ্কীয় এখন আলোচনা চক্ৰৰ অন্তত বিশেষজ্ঞ সকলে এনকেফেলাইটিছ ৰোগ পুনঃ নহ'বলৈ যিবোৰ প্ৰস্তাৱ অনুমোদন কৰি পঠিয়াইছিল, সেই বোৰো 'ৰঙা ফিটা'ৰ মেৰপাকৰ মাজতে পৰি থাকিল।

0 0 0

বিস্তীৰ্ণ এলেকা জুৰি মেলেৰিয়াই আৰু এনকেফেলাইটিছে যেতিয়া প্ৰাণ হানি কৰা ঘটনাই শতকৰা ঘৰটো পূৰ্ণ কৰে, বাৰ্তাৰ কাকতত চিকিৎসা নোপোৱাকৈ অসহায় ভাৱে মৃত্যু হোৱাৰ বিষয়ে প্ৰকাশ পাবলৈ ধৰে, সাধাৰণতে তেতিয়াই স্বাস্থ্য বিভাগ তৎপৰ হয়, 'যুদ্ধকালীন ক্ষিপ্ৰতা'ৰে কাম হাতত লয়। কিহৰ বাবে 'যুদ্ধকালীন ক্ষিপ্ৰতা'ৰে কাম হাতত ল'ব লগা হ'ল? আঁৰত থকা ঘটনাবোৰ বহুতৰে অগোচৰে ৰৈ যায়। এই বছৰ তামোলপুৰৰ ঘটনাৰ সময়ত, এনকেফেলাইটিছ বিয়পাৰ সময়ত যিদৰে বহুতেই ভবাৰ প্ৰয়োজন হোৱা নাছিল,— হঠাতেই ধূমকেতুৰ দৰে এই ৰোগ সমূহে অজস্ৰ মানুহৰ প্ৰাণ হানি কৰিব পাৰিলে কেনেকৈ? আন দহটা চৰকাৰী বিভাগৰ দৰে স্বাস্থ্য বিভাগটোও একেই নহওঁক বুলি বিচাৰিলেইটো আৰু নহয়। ৪/৫ মাহ জোৰা এটা কাল মহামাৰীয়ে অখণ্ড প্ৰতাপেৰে শ শ মানুহৰ জীৱন হানি কৰাৰ পাছত ৰোগ 'নিয়ন্ত্ৰনাধীন' হয়। কিন্তু, কিমান দিনলৈ এই নিয়ন্ত্ৰণ থাকিব। স্বাস্থ্য বিভাগে 'দীৰ্ঘ ম্যাদী নিয়ন্ত্ৰণ'ৰ শব্দ দুটা কাকতে-পত্ৰৰ বাহিৰেও কৰবাত খটুৱাইছেনে? মহামাৰীৰ সময়ত সাধাৰণতে তৎকালীনভাৱে যি কেইটা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে— (১) ৰোগীৰ চিনাক্তকৰণ কৰি চিকিৎসা (২) ডি, ডি, টি, মেলেথিয়ান আদি ছটিয়াই মহ ধ্বংস অভিযান (৩) সাধাৰণ মানুহক প্ৰচাৰৰ যোগেদি ৰোগ সম্বন্ধে সচেতন কৰা। এই কেইটা ব্যৱস্থা, 'মৃত্যুৰ সংখ্যা' কমি যোৱাৰ লগে লগে নোহোৱা হৈ গৈ থাকে।

OKDISCD

তৎকালীন ভাবে যিখিনি ব্যৱস্থা 'হাতে কামে' গ্ৰহণ কৰা হয় তাতকৈ প্ৰচাৰৰ কোব 'থোৱা বহুং' বেছি হয়। উদাহৰণ স্বৰূপে, ডি, ডি, টি, মেলেথিয়ান ইত্যাদি বিস্তৃত এলেকা জুৰি যিমান ক্ষিপ্ৰতাৰে ছটিউৱা হয় বুলি প্ৰেছ বিজ্ঞপ্তি বাহিৰ হয় তাৰ শতকৰা ১০ ভাগ কামো হয় নে নহয় সন্দেহ। অসম চৰকাৰৰ গুৱাহাটীস্থ এজন স্বাস্থ্য বিষয়াই আমাৰ আগত মত প্ৰকাশ কৰিছে— ডি, ডি, টি, মেলেথিয়ান আদিৰে মহ ধ্বংসৰ বাবে কৰা চেষ্টা পূৰা ১০%।

দ্বিতীয়টো তৎকালীন ব্যৱস্থা ৰোগ চিনাক্তকৰণ কৰি চিকিৎসা। গ্ৰামাঞ্চলত চিকিৎসা সেৱাৰ ছবিখনৰ বিষয়ে আমি কোনোৱেও বোধহয় অজ্ঞ নহয়। মহামাৰীৰ সময়ত গুৱাহাটী বা উজনিৰ ফালে হ'লে ডিব্ৰুগড়ৰ মেডিকেল কলেজৰ জুনিয়ৰ ডাক্তৰ বা শিক্ষাৰ্থীৰ একো একোটা গোটৰ সেৱাই চিকিৎসাৰ অভাৱ পূৰণ কৰাত এক উল্লেখনীয় কৃতিত্বৰে কাম কৰিছে। ইয়াত সন্দেহ নাই। কিন্তু এওঁলোকৰ 'এমেচাৰিচ' সেৱাৰ মনোভাবৰ তুলনাত চৰকাৰী স্বাস্থ্য বিভাগৰ যি ভয়াবহ ছবিখন সন্মুখত আছে— তাৰ বিষয়ে আমি কিমান সচেতন? এইবছৰ তামোলপুৰ আৰু উঃ লক্ষীমপুৰ, ডিব্ৰুগড় আদিৰ পীড়িত ভিতৰুৱা গাঁৱৰ মানুহ যেতিয়া চিকিৎসকৰ এষাৰি আশাৰ মাত শুনাৰ আগেয়ে মৃত্যুবৰণ কৰাৰ বাতৰি দৈনিক কাকতবোৰৰ প্ৰতিদিনৰ খবৰ আছিল— যিবোৰ গাঁৱৰ পৰা ৰোগী ঠেলা গাড়ীৰে কঢ়িয়াই অনাৰ বাবে কোনো সুচল বাট-পথ নাছিল, সেই অৱস্থাৰ কথা আমি কিমান দিনলৈ মনত ৰাখিম?

আক্ৰান্ত অঞ্চলত, একো একোটা গুদামত হেজাৰ হেজাৰ তেজৰ শ্লাইড পৰীক্ষা নকৰাৰ পেলাই থোৱাৰ কথা মহামাৰী নিয়ন্ত্ৰণৰ পাছত আমাৰ বাতৰি কাকতৰ খবৰ হোৱা দেখিছো। এটা মহলৰ অভিযোগ এই শ্লাইডবোৰ পৰীক্ষা নকৰাকৈয়ে অজস্ৰ মানুহৰ 'চিকিৎসা' হৈ গ'ল। গ্ৰামাঞ্চলৰ চিকিৎসা কেন্দ্ৰবোৰত অনুবীক্ষণ যন্ত্ৰ যোগাৰ ধৰিব নোৱাৰাটোক সহজ বিষয় হিচাবেই বাৰু ধৰা হ'ল—অন্ততঃ মহামাৰীৰ সময়তো স্বাস্থ্য বিভাগৰ নিষ্ক্ৰিয়তাক কি বুলি অভিহিত কৰিব পাৰি?

জীৱন ৰক্ষাকাৰী ঔষধ আমাৰ দেশত অতি কম হাৰত উৎপাদন হয় বুলি আমি জানো। মহামাৰীৰ সময়ত অভাৱৰ বাবে শ শ ৰোগীয়ে ঔষধ নোপোৱাৰ ফলত মৃত্যু হৈছে। এই নিঃকৰুণ অৱস্থা আৰু অধিক ৰূপে প্ৰতিফলিত হয় যেতিয়া শুনা যায়, অসমৰ স্বাস্থ্য মন্ত্ৰীয়ে এনকেফেলাইটিছ ৰোধ কৰিবলৈ দিল্লীক ৩ লাখ 'ভেকচিন'ৰ বাবে অনুনয় কৰিছিল, তেতিয়া কেন্দ্ৰ চৰকাৰে ৯ হেজাৰ 'ভেকচিন' হে দি পঠিয়াব পাৰিছিল।

চিকিৎসক ঔষধ প্ৰতিষেধক আৰু তৎকালীন ভাৱে মহ ধ্বংস কৰাৰ ব্যৱস্থা, সকলো ফালে এক হতাশাজনক ছবি। তথাপিও এই কুঁৱি শতিকাৰ শেষ প্ৰান্তৰটো মেলেৰিয়া আৰু এনকেফেলাইটিছ 'দুৰ্ভাগ্য ৰূপে অহাটো আমাৰ বাবে চৰম দুখ আৰু লাজৰ কথা হ'ব লাগিছিল। অথচ, আমাৰ চৰকাৰ আৰু আন সংগঠনবোৰে এই বিষয়টো কিমান চিনচেয়েৰলি লৈছে? তামোলপুৰৰ অঞ্চলত যেতিয়া মৃত্যু বিভীষিকা তুঙ্গত উঠিছিল, তেতিয়া 'স্বাস্থ্য দপ্তৰ'ৰ সালসলনি ঘটোৱা হৈছিল।

সাম্প্ৰতিক মহামাৰীক গণ-পৰিষদ চৰকাৰৰ অকৰ্মন্যতাৰ ফলশ্ৰুতি বুলি অভিহিত কৰা তৰুণ গগৈয়ে হয়তো নজনাৰ ভাও ধৰিছিল, তেওঁৰ দলৰ চৰকাৰে ২ বছৰ আৰু ৫ বছৰ আগতে বিশেষজ্ঞ চিকিৎসকে দিয়া সতৰ্কবাণীৰ প্ৰতি সঁহাৰি দিলে তেওঁ শেহতীয়া ভাবে মেলেৰিয়া আৰু এনকেফেলাইটিছত ইমান মানুহৰ মৃত্যু দুখ সহ্য কৰিব লগা নহ'ল হেঁতেন। আগৰ অভিজ্ঞতা আৰু এই বছৰৰ অভিজ্ঞতাৰ বিশিষ্ট চিকিৎসক ডঃ প্ৰতুল গোস্বামীয়ে আমাৰ আগত কৈছে— "এতিয়া মেলেৰিয়া ৰোগ দীৰ্ঘম্যাদীৰূপে নিয়ন্ত্ৰণাধীন হোৱা বুলি ক'বলৈ মোৰ যথেষ্ট দ্বিধা আছে। আমি এই ৰোগ সমূহ পুনঃ পুনঃ নহ'বলৈ যোৱা কেইবছৰ ধৰি যিবোৰ প্ৰতিৰোধক ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ চৰকাৰৰ ওচৰলৈ অনুমোদন কৰি পঠিয়াইছিলো, সেইবোৰ খুউব সম্ভৱ কোনোবা সহায়কাৰী উপ-সচিব, সচিব পৰ্য্যায়াৰ লোকে 'সময়ৰ অপচয়' বুলি নষ্ট কৰিলে।' অগনন মানুহৰ জীৱন মৃত্যুৰ লগত জড়িত বিষয় সমূহ 'সময়ৰ অপচয়' বুলি 'নষ্ট' কৰাৰ সাহস তেওঁলোকে ক'ৰ পৰা পাইছে? হয়তো, ৰাইজৰ প্ৰতিনিধি আৰু বিষয়াৰ নিজৰে আজি-কালি 'থানথিত' নালাগে— দীৰ্ঘ কালীন ব্যৱস্থা গ্ৰহণ কৰি মেলেৰিয়া আৰু এনকেফেলাইটিছক তেওঁলোকে থানথিত লগাব ক'ৰ পৰা? এক অন্তহীন বিভীষিকা হিচাবেই আমি অসহায় ভাৱে বছৰে বছৰে এই বেমাৰবোৰৰ লগত সহবাস কৰিব লাগিব নেকি?

GKDISCD

# কি এই 'অচিন' ৰোগ ?

**তামোলপুৰৰ মেলেৰিয়া আৰু সদ্যহতে হোৱা এনকেফেলাইটিছৰ লগত 'এক অচিন ৰোগ' হোৱা বুলি কিছু বিশেষজ্ঞ চিকিৎসকৰ মত স্বাস্থ্য বিভাগে বিভিন্ন সংবাদ মাধ্যমৰ জৰিয়তে প্ৰচাৰ চলাইছে। এই বিষয়টোৰ ওপৰত আলোক পাত কৰিছে ডঃ প্ৰতুল গোস্বামীয়ে।**

তামোলপুৰ অঞ্চলত মেলেৰিয়া ৰোগৰ লগত এক "অচিনৰোগ" হোৱা বুলি সংবাদপত্ৰত যেনেদৰে প্ৰকাশ হৈছে তেনেদৰে বিশেষজ্ঞ কিছুমানেও একে ৰিপোৰ্ট দিছে। এই "অচিনৰোগ"ৰ নিশ্চয় কিবা কাৰণ আছে ; ই ভাইৰাছ জনিত হ'ব পাৰে, ব্যাকুটেৰীয়া জনিত হ'ব পাৰে,প্যাৰাচাইটিক জনিত হ'ব পাৰে, ৰোগৰ নিৰ্ণয় কাৰণত নিৰ্দ্ধাৰণ কৰিব নোৱাৰা স্বাস্থ্য বিভাগৰ সকলোৰে কাৰণে লজ্জাদায়ক তাতকৈ অধিক লজ্জাজনক হল এই অচিন ৰোগৰ কাৰণ জানিবলৈ আমি খুব Sincerely কোনো প্ৰচেষ্টা নকৰা, আৰু "অচিন ৰোগ" বুলি কৈ স্বাস্থ্য বিভাগৰ আটায়ে দায়িত্ব এৰাবলৈ চেষ্টা চলাইছে আৰু জনসাধাৰণক ভ্ৰান্ত পথত পৰিচালিত কৰিবলৈ চেষ্টা চলাইছে। "অচিন ৰোগ"ত আক্ৰান্ত হোৱা ৰোগীৰ তেজত মেলেৰিয়া ৰোগৰ বীজ নাপালেই মেলেৰিয়া নহয় বুলি কোনোবাই ক'ব পাৰেনে ? সকলো মেলেৰিয়া ৰোগীৰ তেজৰ পৰাই মেলেৰিয়া ৰোগৰ বীজ সকলো সময়তে নাপাব পাৰে বুলি মেলেৰিয়া ৰোগ বিশেষজ্ঞ সকলে সদায়ে কৈ আহিছে। অথবা মেলেৰিয়া জ্বৰৰ যি লক্ষণ সাধাৰণতে দেখা যায় তেনে Classical লক্ষণ সমূহ সদ্যহতে হোৱা মেলেৰিয়া ৰোগীৰ ক্ষেত্ৰতো দেখা নাপায়, টাইফয়েড ৰোগৰ লক্ষণ সমূহ প্ৰকাশ হোৱা বহুতো ৰোগীয়ে পাছত মেলেৰিয়া ৰোগ বুলি প্ৰমাণিত হৈছে—তেজত মেলেৰিয়া ৰোগৰ বীজ নোপোৱা স্বত্বেও। এনে ধৰণৰ Unusual লক্ষণ সমূহৰ মূল কাৰণ হ'ল — মেলেৰিয়া ৰোগৰ পৰজীৱৰ মেলেৰিয়াৰোগৰ ঔষধ বা প্ৰতিষেধক ব্যৱস্থা resistenceৰ উৎপত্তি। এনেকুৱা এটি অৱস্থা ১৯৭২-৭৩ চনৰ পাচত নিকাৰাগুৱাতো হৈছিল, তাত ১৯৭২-৭৩ চনৰ পাছত প্লাছ্‌মডিয়াম ফেলচিপেৰাম ( Plasmodium Falciparum )ৰ সৈতে মিশ্ৰিত সংক্ৰামক হৈছিল ; তামোলপুৰ অঞ্চলত হোৱা 'অচিন ৰোগ' যে তেনে ধৰণৰ মিশ্ৰিত সংক্ৰামক নহয় বুলি কোনোৱে ক'ব নোৱাৰে ; আৰু এটি আচৰিত কথা হৈছে যে এই 'অচিন ৰোগ'নো কি এই বিষয়ে জানিবলৈ চৰকাৰ, স্বাস্থ্য বিষয়া সকল আৰু ৰাইজ সকলো নিৰ্বিকাৰ, যি Seriousness লৈ এই 'অচিন ৰোগ' নিৰ্ণয় কৰিবলৈ আমি উঠি-পৰি লাগিব লাগিছিল সেই Seriousness কাৰো নাই। 'অচিন ৰোগ' নিৰ্ণয় নহ'লে তাৰ কি প্ৰতিৰোধক ব্যৱস্থা হ'ব পাৰে কোৱা দুৰূহ। □

## কেইটিমান মন কৰিবলগীয়া কথা

□ গাওঁ অঞ্চলত ম'ত মানুহৰ ঘৰ-বাৰী দূৰে-দূৰে সিচৰিত হৈ আছে, তাত মেলেথিয়ান আৰু ডি,ডি,টি ছটিউৱা অতিমাত্ৰাৰ খৰছী বিষয় হৈ পৰিছে। অথচ, আক্ৰান্ত অঞ্চললৈ যোৱা চিকিৎসকে জনাইছে যে— এনকেফেলাইটিছ আৰু গাহৰিৰ উতপ্ৰোত সম্বন্ধ আছে। গাহৰিয়ে এই ৰোগৰ বীজাণু বেছি মাত্ৰাত বিয়পাব পাৰে। এই গাহৰিবোৰক— মানুহৰ থকা ঠাইৰ পৰা আঁতৰত ৰাখিলে সংক্ৰামক স্বাভাৱিকতে কম হ'ব। যিহেতু, আক্ৰান্ত অঞ্চলৰ বেছি ভাগ মানুহেই জনজাতি মানুহ, যিসকলে পৰম্পৰাগত ভাৱে গাহৰি পালন কৰে। এই লোকসকলক স্বাস্থ্য বিভাগৰ তৰফৰ পৰা অস্বাস্থ্যকৰ পৰিৱেশৰ বিষয়ে সচেতন কৰাৰ কোনো প্ৰচেষ্টাই চলোৱা হোৱা নাই।

□ ডি, ডি, টি আৰু মেলেথিয়ান ছটিয়াবলৈ চৰকাৰে **২** কোটি টকাৰ আঁচনি লৈছে। যদিও, ঘৰৰ বাহিৰত ছটিউৱা এই দ্ৰব্য দুবিধ পানীয়ে উটুৱাই নিয়াৰ পাছত মহ মৰাত ই কোনো কামত নিদিয়ে। আনহাতে, ডি, ডি. টি আৰু মেলেথিয়ান পানীত উটি, এই মাটি আৰু নৈৰ পানীৰ লগত মিলি পৰিবেশ বিষাক্ত কৰি তুলিব।

□ চিকিৎসকসকলৰ মতে, এতিয়ালৈকে এই বেমাৰ সমূহৰ সোনকালে ভাল কৰি দিব পৰা কোনো ব্যৱস্থা তেওঁলোকৰ হাতত নাই। কেইবিধ দৰৱ বহুল ভাবে প্ৰয়োগ কৰা হৈছে, যদিও সেইবোৰৰ কিছুমান সাংঘাটিক পাৰ্শ্ব-ক্ৰিয়া আছে। □

# দুৰ্গতি নাশিনীৰ দুৰ্গতি

প্ৰত্যেক বছৰে দুৰ্গতি নাশিনী দুৰ্গাৰ পূজা ব্যাপক হাৰত হৈয়েই আছে আৰু বিধিৰ বিপাক দুৰ্গতিও ব্যাপক হাৰত বাঢ়িয়েই আছে দেখো! তেত্ৰিচ কোটি দেৱতাৰ একীভূত শক্তিৰে গঢ়ি উঠিছিল— মহিয়সী দুৰ্গা —মাত্ৰ এটা মহিষাসুৰ বধ কৰাৰ বাবেই নেকি? যদি নহয় তেন্তে তেত্ৰিচ কোটি দেৱতাই পুনৰ বাৰ এগৰাকী দুৰ্গতি নাশিনী দুৰ্গাৰ সৃষ্টি কৰিব নোৱাৰিলে কিয়? হয়তো তেওঁলোকৰ আগৰ একতা নাই, তেওঁলোক বিভিন্ন দল, উপদলত বিভক্ত হৈ দণ্ড-খৰিয়ালত ব্যস্ত। বয় বস্তুৰ জুই-ছাই দাম, ইপিনে মেলেৰিয়া, সিপিনে এনকেফেলাইটিচ, বাৰিষা মুধচ চোৱা পানী আৰু খৰালি নদীৰ বুকু শুকোৱা খৰাং আৰু আন এশ এটা মহিষাসুৰৰ সমান আৰু মহিষাসুৰতকৈ ডাঙৰ দৈত্যৰ দপদপনিত সাধাৰণ ৰাইজৰ কলখোৱা ধাতু উৰি যায় এথোন। তথাপি এটা মাত্ৰ মহিষাসুৰক বধিয়েই দুৰ্গাৰ মুখত সন্তুষ্টিৰ হাঁহি কিয়? দুৰ্গা সেই পুৰণি কালতে ৰৈ গ'ল নেকি?

এইবোৰ বাৰু, যিয়েই নহওঁক, এটা মহিষাসুৰক বিনাশ কৰিলেও দুৰ্গা দেৱীয়ে আমাক নহলেও আমাৰ কোনোবা উপৰি পুৰুষক ৰক্ষা কৰিছিলটো, কৃতজ্ঞতা বুলিও কথা এটা আছে নহয়? গতিকে আহিন মাহত আমি সকলোৱে মিলি তেখেতলৈ শৰাই এখন আগ বঢ়াব নিশ্চয় লাগে।

পূজাৰ কিছুদিন আগতে মধ্যবিত্তৰ ঘৰৰ কলিংবেল বাজিলে বা দুৱাৰত টোকৰ পৰিলে, গৃহস্থই নিজৰ কলিজাৰ ধপ্ধপনি নিজেই শুনে— চান্দা বিচৰা মানুহ নহয়তো? দুৰ্গাৰ দুৰ্গতি নাশিনী মূৰ্ত্তিৰ সলনি ডেমকেয়াৰ পেটাৰ্ণৰ মোচ আৰু টেলেকা টেলেক চকুৰে মহিষাসুৰৰ সাক্ষাৎ দুৰ্গতিৰ মূৰ্ত্তিটোহে গৃহস্থই সন্মুখত দেখে। চান্দা মানেই অতি কমেও দহ টকা। ইপিনে ল'ৰা-ছোৱালীৰ গাত পূজা লাগিছে ইটো



লাগিব, সিটো লাগিব, পেন পেননি থেনথেননি কি দুৰ্গতি! সিহঁত বাৰু সৰু; কিন্তু এই মাকজনী ... ...! পূজা এডভান্সৰ টকা কেইটাৰে ক'ত কিমান টাপলি মাৰিব? কিন্তু পূজা





হবই। গুৱাহাটী মহানগৰীত যিমান উপনগৰ, নগৰ, শাখানগৰ— আছে সকলোতে পূজা হ'ব। সকলোবোৰ পূজাথলীত কৰবাত বৃহদাকৃতিৰ কৰবাত ক্ষুদ্ৰাকৃতিৰ দুৰ্গাদেৱীৰ মূৰ্ত্তি বিৰাজিব। অসুৰ কেইটাই কিন্তু আপোনাৰ দৃষ্টি কাঢ়ি নিব। এটা কথাহে নুবুজো, লক্ষ্মী, সৰস্বতী, গনেশ, কাৰ্ত্তিক আৰু শিৱ আটাইবোৰৰে নিজৰ নিজৰ পূজা থাকোতেও দুৰ্গাৰ লগত লগুী মিছামিছি জোটপোটখন লগাই কিয় ?

পূজাথলী এখনলৈ আহক। সেই যে ধুনীয়া গাড়ীখনত সপৰিবাৰে আহিছে, পূজা কমিটিৰ চেক্ৰেটৰীয়ে যে আদৰি আনিছে---তেখেত এইখন পূজাৰ একপ্ৰকাৰ পৃষ্ঠপোষক, বছৰে বছৰে মোটা চান্দা দিয়ে। যোৱা বাৰ তেওঁ দেৱীক যি যি খুজিছিল সকলো পাইছে,যোৱা বছৰত তেওঁৰ বেঙ্ক বেলেন্স কিমান বাঢ়িছে জানে ? তেওঁৰ বাবে স্পেছিয়েল পুষ্পাঞ্জলীৰ আয়োজন হৈছে। বেলেগৰ নিচিনাকৈ চিটিবাছৰ দৰে হেঁচা খেলাত তেওঁটো আৰু পুষ্পাঞ্জলী দিব নোৱাৰে। তেতিয়া আপুনি পুষ্পাঞ্জলী দিওঁতে দেৱীলৈ দলিয়াই দিয়া ফুলপাহ পৰিলগৈ মণ্ডপৰ গাভৰু জাকৰ কোনোবা এজনীৰ গাত! আপুনি বিচৰাবোৰ কেনেকৈ পাব ? আচলতে দুৰ্গতি নাশিনীএ সকলোকে নোৱাৰিলেও যাক যাক পাৰে দিছে। মহিষাসুৰক কোনদিনা বধ কৰিছিল আপুনি চন তাৰিখ জানে নেকি ? বছৰি যে দেৱীৰ কাষৰ অসুৰ জনাৰ চেহেৰা হৃষ্ট পুষ্ট হৈ আহিছে মন কৰিছেনে ? গতিকে দেৱীক সভক্তিৰে সেৱা জনাই অমুক অমুক লাগে বুলি আজি পেচ কৰোতে মনে মনে অসুৰ জনালৈও মূৰটো অলপ দোৱাব। আগামী দিনত দেৱী আৰু অসুৰৰ ফিফটি ফিফটি ভিত্তিত চুক্তি হৈও যাব পাৰে। অন্ততঃ দুৰ্গতি নাশিনীৰ পূজাৰ ব্যাপক হাৰত বাঢ়ি যোৱাৰ পাছতো 'ভক্তবৃন্দ'ৰ দুৰ্গতি বাঢ়ি যোৱাৰ ব্যাপকতাৰ প্ৰতি দৃষ্টি ৰাখিয়েই এই ধৰণৰ দুঃচিন্তা কৰিবলৈ বাধ্য হৈছো।

□ □ □

মাজতে মাথো আৰু কেইটামান দিন। ঢাক-ঢোল, শঙ্খ-ঘণ্টা, ডবা-কাহঁৰ শব্দেৰে কাণ তাল মাৰি যাব। লগতে ''জিলাইলে, জিলাইলে, আয়ে আয়ে জিলাইলে'', নাইবা ''আই এম এ ডিস্কু ডেন্সাৰ''.... ... ''তেৰী আঙ্গেনেমে হমাৰা ক্যা কাম হ্যাই ...'' আদি ''হুঙ্কী-টঙ্কী-ডঙ্কী, ডিস্ক-কোপাৰনিস্ক'' গানৰ মাইকত গগন ফলা চিঞৰে আকাশ-বতাহ হুহুৱাই কঁপাই তুলিব। জোতা, কাপোৰৰ দোকানবোৰত গ্ৰাহকৰ সংখ্যা শতগুণে বৃদ্ধি পাব। বিশেষকৈ জোতা, শাৰী আৰু আন আন কাপোৰ চোলাৰ বিক্ৰী নিযুত কোটি হিচাপে হব। বিমল টেক্সটাইল, বম্বে ডাইং, এছ্‌কুমাৰ, ডি, চি, এম, মোৰাৰজী মিলছ্‌, ষ্টেনৰ'জ্‌, অৰুণ মিলছ্‌, আদি কাপোৰৰ বৃহৎ বৃহৎ প্ৰতিষ্ঠান সমূহে খম খমীয়া নোটৰ বাণ্ডিলবোৰ কোছ ভৰাই সংগ্ৰহ কৰিব। [ শুনা মতে গুৱাহাটীৰ ফাঁচী বজাৰ এলেকাত থকা যিকোনো এখন কিং চাইজ কাপোৰৰ দোকানত বিশেষকৈ শাৰী আৰু আন উপজাতীয় সামগ্ৰীৰ বিক্ৰী-মূল্য প্ৰতিদিনে পণ্ডাছ হাজাৰ টকাৰ পৰা লাখলৈকে হয়! ] পেটুৱা পেটুৱা ব্যৱসায়ী মহলৰ খেনোৰে আনন্দতে আলফুলীয়া হাতৰ পৰশ বুলাই পেটৰ কলেৱৰ আৰু অলপ বঢ়াই তুলিব। খেনোৰে আকৌ ক্লান্তি আৰু অৱসাদৰ হেঁচাত হাড়ে-ছালে একাকাৰ হব। পেঁপাৰ পেঁ-পুঁ, পেঁ-পুঁ শব্দৰে ঘৰ-বাহিৰ ৰজন জনাই থাকিব। সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ নাকে মুখে যেনিয়েই চোৱা যায় তেনিয়েই ৰঙা নীলা বেলুনবোৰ ফুলি উঠিব। আৰু এই সকলোবোৰ আনুসঙ্গিক উপ সম্ভাৰেৰে হ'ব অৰ্দ্ধ সাপ্তাহিক এক বৃহৎ উৎসৱ। দুৰ্গা পূজা, দুৰ্গতি নাশিনী দেৱীৰ।

দহখন হাতত দহপাত অস্ত্ৰ লৈ শক্তিৰ আৰাধ্যা দেৱী দুৰ্গতি নাশিনী দুৰ্গাৰ মাটিৰে সজা প্ৰতিমাই মহিষমৰ্দিনী ৰূপেৰে বিভিন্ন ঠাইৰ বিভিন্ন পূজা মণ্ডপবোৰত অৱতীৰ্ণ হৈ দুৰ্দ্ধৰ্ষ অসুৰ মহিষাসুৰৰ মৰ্দন কাৰ্য্য আৰম্ভ কৰিব। পূজাৰীয়ে মন্ত্ৰ উচ্চাৰণ কৰি দেৱীক সন্তুষ্ট কৰিবলৈ যত্ন

( বাকী ছোৱা ১৬ পৃষ্ঠাত )

# তোমালৈ•• ••

**বিশেষ জনৰ ঠিকনাত মনৰ খবৰ পঠিয়াবলৈ লাগে বিশেষ ধৰণৰ কাগজ। শৰতৰ শুকুলা মেঘ, নিয়ৰ, শেৱালী আৰু কহুঁৱা বনে মনটোক আৰু ব্যাকুল কৰি তোলে**

'তোমালৈ' এবাৰো চিঠি লিখা নাই—এনে মানুহ সঁচাই বাৰু আছেনে? আমাৰ মাজত যিসকল কবি, ভাবুক, প্ৰেমিক তেওঁলোকৰ সমগ্ৰ জীৱনটোৱেই দেখোন 'তোমালৈ' লিখা এখন দীঘল চিঠি। দিনটোৰ হাজাৰ কামৰ মাজত— হাজাৰ মানুহৰ ভীৰৰ মাজতো আমাৰ কোনো কোনোৱে 'তোমালৈ' দু-এলাইন চিঠি লিখো — মনৰ মাজত। এই 'তোমাৰ' ঠিকনা বহুতৰে বাবে পাছলৈ আৰু 'অজ্ঞাত' হৈ নাথাকে। সেয়েহে বিশেষ জনৰ ঠিকনাত মনৰ খবৰ পঠিয়াবলৈ লাগে বিশেষ ধৰণৰ কাগজ। শৰতৰ শুকুলা মেঘ, নিয়ৰ, শেৱালী আৰু কহুঁৱা বনে মনটোক আৰু ব্যাকুল কৰি তোলে। যিসকলে 'তোমাৰ' ঠিকনাত চিঠি লিখিবলৈ 'তোমাৰ মনে বিচৰা' কাগজ বিচাৰে—সেইসকলৰ বাবে এই বিশেষ লিখা।

প্ৰাক্ স্বাধীনতাৰ যুগত ৰাইটিং পেডত এতিয়াৰ দৰে বৈচিত্ৰতা নাছিল। তথাপি ইয়াৰ প্ৰচলন আছিল যথেষ্ট। উচ্চ বিত্ত, আনকি মধ্যবিত্ত ঘৰৰ মনুহেও বিশেষ বিশেষ চিঠি লিখিবলৈ ব্যৱহাৰ কৰিছিল ৰাইটিং পেড। কাম কাজৰ কথা লিখিবলৈ আছিল বগা অথবা বগাৰ ওপৰত পাতল লাইন টনা কাগজৰ পেড। আত্মীয় স্বজন, বন্ধু-বান্ধৱীসকলৰ বাবে পঠিয়াবলৈ পাতল ধূসৰ অথবা নীলা কাগজ। আৰু বিশেষ চিঠিখন। কোনাৰ্কত পত্ৰলেখাৰ মূৰ্ত্তিটোৱে কিহত লিখিছিল নাজানো— কিন্তু আগেয়ে প্ৰেমপত্ৰ লিখিবৰ বাবে সচৰাচৰ ব্যৱহাৰ হৈছিল—আকাশ নীলা অথবা পাতল গোলপীয়া ডাঠ কাগজ। এখন চহৰৰ পৰা আন এখনলৈ, নাইবা এখন গাঁৱৰ পৰা আন এখন গাওঁ বা চহৰলৈ, নাইবা এখন ঠাইৰে ইঠাইৰ পৰা সিঠাইলৈ যিবোৰ চিঠি অহা-যোৱা কৰিছিল তাৰ কাষত ছপোৱা আছিল সৰু বেঙুনীয়া ফুলৰ এটি স্তৱক তাৰ উপৰি ইংৰাজীতে লিখা 'ফৰগেট মি নট'। নীলা গধুৰ কাগজৰ খামটিৰ ওপৰৰ এচুকত খামটোৰ লগত মিলাকৈ 'ফৰগেট মি নট'ৰ ফুলৰ থোপাটি জিলিকি থাকিছিল।

দিন-কাল এতিয়া সলনি হৈছে, ৰুচিৰ পৰিবৰ্ত্তন হৈছে আকাশচুম্বী— লগে লগে বাঢ়ি গৈছে বৈচিত্ৰ স্পৃহা। 'তোমাৰ' ঠিকনা জানা সকলে এতিয়া বিচাৰে সপ্তাহে সপ্তাহে নতুন ডিজাইন! এই বৈচিত্ৰ সন্ধানী মানুহক সন্তুষ্ট কৰিবলৈ গুৱাহাটীতো এখন দোকানেই আছে—উৰ্বশী হলৰ কাষৰ 'মড হাট'। টিনএজাৰৰ পৰা নৱ বিবাহিত



সকললৈ সকলোৰে বাবে তাত যোগাৰ কৰি থোৱা আছে বিশেষ জনৰ ঠিকনালৈ পঠিয়াব বিচৰা ৰাইটিং পেডৰ বিৰাট সম্ভাৰ।

কৈশোৰ আৰু যৌৱনৰ মাজৰ সন্ধিকাল দিনবোৰ ধৰা পৰে, সেইবোৰ ৰাইটিং পেডত—যাৰ নাম ফ্লাওৱাৰ্চ অৱ ফেন্সি, পৃথিৱীখন যে ইমান সুন্দৰ— তাৰ প্ৰতীক হিচাবেই যেন অপৰূপ বিভিন্ন ফুলৰ ছবি ছপোৱা এই পেডৰ দাঁতিত, তাৰ লগত পাতল হালধীয়া ৰং, কাগজত। আদৰ্শবাদী বা বিশ্বপ্ৰেমী কিশোৰ-কিশোৰীৰ বাবে আছে ইণ্টাৰ নেচনেল ফ্লেগ,




দ্যা ওৱাৰ্ল্ড ইজ আৱাৰ ফ্ৰেণ্ড—পেডৰ ছবি কেনেকুৱা শিৰোনামাই-এ কৈ দিব পাৰে। আৰু আছে স্কুলস্থ-লীয়া অথবা শান্ত কিন্তু চলচ্চিত্ৰপ্ৰেমী টিনএজাৰৰ বাবে ষ্টাইল অৱ ষ্টাৰচ—ৰঙীন কাগজৰ কাষত প্ৰিয় চলচ্চিত্ৰ-তাৰকা সকলৰ ছবি। অৱশ্যে পাতে পাতে বেলেগ ছবি। চিৰিয়াচ আৰু পৰিণত মনস্ক তৰুণ-তৰুণীৰ বাবে এতিয়াও পোৱা যায় বগা, পাতল নীলা অথবা ধূসৰ লাইন টানা কাগজৰ পেড— যিবোৰৰ নাম এয়াৰ মেল, টয় চেলাৰ, ট্ৰু ফ্ৰেণ্ডছিপ। আছে গোলাপী, সেউজীয়া, হালধীয়া আৰু নীলা ৰঙৰ কাগজৰ পেড যাৰ নাম অনুৰাধা। এইবোৰ পেডৰ দাম—চাৰে চাৰি টকাৰ পৰা চাৰে ছয় টকা। সাত টকাৰ মাজতেই পোৱা যাব মনত ৰং সানি দিব পৰা খবৰ জনোৱাৰ বাবে ৰঙীন পেড, পেডৰ নামটিয়েই জনাই দিয়ে সেই কথাটি যাৰ নাম লাভ ইজ বা লাভ আপ। ইমান পোনপটীয়াকৈ নকৈ এনেকৈ ঘুৰাই পকাইও ক'ব পাৰি— এই ফান অৱ ফ্লাওৱাৰ্চ নামৰ কাৰ্ডত কেৱল ফুলেই নহয়, ফুলৰ থোপাটোত ফুলৰ দৰে নিবেদনৰ বাৰ্ত্তা জনোৱাৰ সঙ্কেতো তাত প্ৰচ্ছন্ন। ৰোমাণ্টিক মনৰ যিবোৰ যুৱক-যুৱতীয়ে কেৱল মৰম লগাৰ খবৰটি পঠিয়াই দিব খোজে বিশেষ লক্ষ্যত, তেওঁলোকে লিখিব পাৰে 'স্মাইল অৱ নেচাৰ'ত। চাৰিও কাষে সেউজ নক্সা কটা বৰ্ডাৰ,ভিতৰত সূক্ষ্ম ভাবে অঙ্কিত গছ, তলত ফাৰ্ণৰ সিচৰতি হৈ পৰি ৰোৱা সেউজীয়া পাত, কিছুমান পাত গাঢ় সেউজ। কি লেখা হ'ল, তাতকৈ কিহত লিখা হ'ল, সেয়েটোৱেহে মন আৰু চকুৰ দৃষ্টি কাঢ়ি নিব আগতে। আৰু আছে.... বেড চিটৰ নিচিনা নক্সা চপোৱা কাগজ আৰু লেফাফা —বেছিভাগেই ফুলৰ, আছে জ্যামিতিক নক্সাও। ছয়-সাত টকাৰ ভিতৰতেই নানা ৰঙৰ, নানা পেড পায়— যিবোৰৰ নাম দি বেষ্ট অৱ ফ্ৰেণ্ডছিপ, ইটচ অ'ৱেচিং টু নো ইউ, নেচাৰচ গিফ্ট, মেমৰিজ আৰু দ্যা ট্ৰেজাৰ অৱ হাৰ্ট। এনেকুৱা পেডও আছে যাৰ নাম টেক টাইম ফৰ দি লিট্‌ল থিংচ— ভিতৰত পাতল ৰঙত ফুলৰ ছবি, য'ৰ প্ৰথম লাইনৰ নামেই পেডৰ নাম। নোকোৱা কথা যেতিয়া কোৱা হৈ যায়, অৰ্থাৎ মন জনাজনি পৰ্বৰ শেষত— পৰস্পৰৰ মাজত মনৰ আকুতিৰ খবৰ বহন কৰিবৰ বাবে সেই একেই দামতে পেডৰ পৰ্য্যাপ্ত আয়োজন। হনি ডিউ,লাভ স্পিকছ চফট্‌লি, মাই লাভ ফৰ ইউ, অ মেটাৰ অৱ টাইম।

যিসকলে'আলফুল'কৈ কথা ক'ব নোখোজে, 'লেনিউৱা' ৰোমাণ্টিক প্ৰেম যিসকলৰ অপচন্দ, তেওঁলোকে বলিষ্ঠ শৰীৰী প্ৰেমৰ শিঙা বজাবৰ বাবে পাব চাকি এণ্ড শ্বায়েৰ ৰোমাণ্টিক মোমেণ্টচ, ওৱাণ্ডাৰ ফুল ইউথ যিবোৰ পেডৰ তলত এনেকুৱা কিছুমান ছবি ছপোৱা থাকে যাৰ ব্যঞ্জনা খুবেই স্পষ্ট।

যিমানেই ফ্ৰি মিক্সিং বাঢ়ক, এতিয়াও আমাৰ শতকৰা ৮০ ভাগ অসমীয়া বা ভাৰতীয়ৰ প্ৰেম পূৰ্ণ হয় বিয়া কৰাৰ পাছতহে। নৱ বিবাহিত দম্পতিবোৰে প্ৰেম পত্ৰ লিখিবৰ বাবে এতিয়া আৰু একে ধৰণৰ নীলা-গোলাপী ৰঙৰ কাকতৰ ব্যৱহাৰ কৰি থাকিব নালাগে— তেওঁলোকে পাব তলত যুগ্ম ছবি ছপোৱা ৰঙীন পেড—যাৰ নাম বেড ফেলোছ অথবা টুইন হাৰ্টছ। প্ৰেমৰ পৃথিৱীখন যিমান ঠিক সিমানেই বৈচিত্ৰপূৰ্ণ 'তোমালৈ' লিখা ৰাইটিং পেডৰ আয়োজনৰ। কোনোবাই ক'ব পাৰে সঁচা প্ৰেম সেইটোহে যিহে 'আৱৰণ খুলি হৃদয় জুৰায়', তাৰ বাবে কিয় ৰঙ-চঙীয়া পেড লাগে? তেওঁলোকক জনাই থওঁ—'তোমালৈ' আপুনি যিখন চিঠি লিখিব সেইখনটো 'তোমাৰ মনে বিচৰা'হ'ব লাগিব।□

সঞ্চয়িতা বৰুৱা

OKDISCD

সংযুক্ত মুক্তি বাহিনী, অসম ( আলফা )

# শোষণৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম

সংযুক্ত মুক্তি বাহিনী, অসম। ইউনাইটেড লিবাৰেচন ফ্ৰন্ট অৱ আসাম। সংক্ষেপত আলফা (বা উলফা) বৰ্ত্তমান সময়ৰ কেইটামান ৰাজনৈতিক হত্যাকাণ্ড আৰু বেঙ্ক লুটাৰ ঘটনাৰ সৈতে যাৰ নাম সঘনাই উচ্চাৰিত হৈছে। এওঁলোকৰ এই কাৰ্য্যকলাপৰ আঁৰত কি উদ্দেশ্য নিহিত আছে? তেওঁলোকৰ ৰাজনৈতিক আকাঙ্খা কি? তেওঁলোক কিহৰ দ্বাৰা অনুপ্ৰাণিত? —স্বাভাৱিকতে এতিয়া এনে অজস্ৰ প্ৰশ্নৰ উদ্ভৱ হৈছে। এই প্ৰশ্ন সমূহৰ সঠিক সমিধান পোৱাৰ তাগিদাত 'আলফা'ৰ এজন কেন্দ্ৰীয় কাৰ্য্যকৰি পৰিষদৰ সদস্যৰ লগত মিলিত হৈছিল 'প্ৰতিবেদন'ৰ সহযোগী সম্পাদক মণিকুট দাস। সেই সাক্ষাতকাৰৰ সবিশেষ

? আপোনালোকৰ ৰাজনৈতিক আকাংখা কি?

— বৰ্ত্তমান ভাৰতৰ ৰাজনীতিত আকাংখা বুলিলে যিটো বুজায় তেনে আকাংখা আমাৰ নাই। থাকিলে আলফাই নিৰ্বাচনত প্ৰতিদণ্ডীতা কৰিলেহেঁতেন। এই সংগঠনটো ৰাজনৈতিক— কিন্তু ভাৰতৰ তথাকথিত ৰাজনৈতিক আকাংক্ষাতকৈ আমাৰ আকাংখা সম্পূৰ্ণ বেলেগ। আপুনি আমাৰ উদ্দেশ্য কি বুলি প্ৰশ্ন কৰিলে উত্তৰ দিয়াত সুবিধা হয়......

? আপুনি আপোনাৰ উদ্দেশ্যৰ বিষয়েই কওঁক।

—শোষণ মুক্ত অসম। স্বাধীন অসম। চাওঁক —অৰ্থনৈতিক ক্ষমতা অসমৰ হাতত নাই। এই ক্ষমতা অসমৰ অসমীয়াৰ হাতলৈ আহিব লাগিব .... ।

? ( মাজতে বাধা দি ) অৰ্থনৈতিক ক্ষমতা অসমীয়াৰ হাতলৈ আহিলেই শোষণ মুক্তি হ'বনে? অৰ্থাৎ, আপুনি কেইজনমান অসমীয়া টাটা বিৰলা সৃষ্টি কৰাৰ কথা ক'ব খোজে নেকি?

— নহয়, ভাৰতীয় পুঁজিপতিৰ পৰা অসমীয়া পুঁজিপতিৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰত নহয় — অসমীয়াৰ শোষীত শ্ৰেণীৰ হাতলৈ ক্ষমতা আনিব লাগিব।

? আপোনালোকৰ উদ্দেশ্য পূৰণৰ পন্থাৰ বিষয়ে অলপ ব্যাখ্যা কৰিব নেকি?

— ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই ক্ষুদ্ৰ জাতিসমূহক নিপীড়ণ কৰিছে। স্বকীয়তা ৰক্ষাৰ বাবে ভাৰতৰ বহুতো জাতিয়ে সংগ্ৰাম আৰম্ভ কৰিছে। আমিও সশস্ত্ৰ সংগ্ৰামৰ পথ বাচি লৈছো ........।

? ( মাজতে বাধা দি ) ভাৰতৰ ক্ষুদ্ৰ নিপীড়িত জাতিসমূহে মিলিত হৈ যুঁজিব নে অসমে বিচ্ছিন্ন হৈ যুঁজিব?

— আপুনি ভাৱে নেকি অসমে অকলে ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিব পাৰিব? উত্তৰ পূৰ্বাঞ্চলৰ অৱস্থা বিশ্লেষণ কৰিলে কি পাব? ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰক পৰাভূত কৰাৰৰ বাবে সমআদৰ্শৰ অন্যান্য সংগঠনৰ লগত মিত্ৰতাৰ প্ৰয়োজন।

সংযুক্ত মুক্তি বাহিনী, অসম

? চাওঁক খালিস্থানীসকল সাম্প্ৰদায়ীক তথা ধৰ্মীয় আদৰ্শ আহ্বানত সংগঠিত হৈছে। তেওঁলোকৰ সংগঠনে সাম্প্ৰদায়িক বিষ বাষ্প বিয়পাই দিছে?

— আপুনি কেনেকৈ গম পালে, খালিস্থানে সাম্প্ৰদায়িক ভেদভাৱ বিয়পাইছে? আপুনি পঞ্জাবলৈ গৈছে নেকি? হিন্দুৰ বিৰুদ্ধে বুলি ক'ব নোৱাৰে। বিবেচনাটো শত্ৰু আৰু মিত্ৰৰ। খালিস্থান সমৰ্থন কৰাৰ আৰু নকৰাৰ।

? তেওঁলোকে পন্থ বিপদাপন্ন হোৱাৰ ধ্বনি দিছে? এইটো

OKDISCD

ধৰ্মীয় চেণ্টিমেণ্ট বুলি আপুনি নেভাবেনে ?

— আমি বিপ্লৱী সংগঠন হিচাবে 'খালিস্থানী'সকলক সমৰ্থন কৰো। তেওঁলোকৰ 'ধৰ্মীয় কাৰণক strategy হিচাবে লোৱাৰ বিষয়টোক সমৰ্থন কৰা-নকৰাৰ আমাৰ মতে কোনো মানে নাই।

? আপোনালোকে ভাৰতৰ অইন জাতিৰ সমআদৰ্শৰ সংগঠনৰ সঁহাৰি পাইছে নেকি ?

— উত্তৰ পূৰ্বাঞ্চলত নেচনেল চছিয়েলিষ্ট কাউন্সিল অব্ নাগালেণ্ড, পিপুলছ লিবাৰেছন আৰ্মি (মণিপুৰ), ত্ৰিপুৰা নেচনেল ভলণ্টিয়াৰ্ছ, প্ৰিপাক আদিৰ লগত আমি যোগাযোগ কৰিছো—মিত্ৰতা স্থাপনো হৈছে। খালিস্থানৰ সমৰ্থক সকলৰ লগতো যোগাযোগ হৈছে ........।

? ধৰ্মীয় কাৰণটো যদিও তেওঁলোকৰ বাবে মুখ্য বুলি ধৰা নহয়— তেতিয়াও এই প্ৰশ্নটো উঠে। তেওঁলোক অৰ্থনৈতিক ভাৱে শোষিত হয় জানো ?

—পঞ্জাবৰ অৰ্থনৈতিক অৱস্থা নিঃসন্দেহে অসমতকৈ বহু বহু আগবঢ়া। কিন্তু, তথাপিও তেওঁলোকে শোষিত বুলি ভাবিব ধৰিছে। কিন্তু, অসমৰ মানুহক ইমান বেছিকৈ বঞ্চিত কৰাৰ পাছতো তেওঁলোকে শোষণৰ বিৰুদ্ধে থিয় হ'ব নোখোজে।

? অসমৰ মানুহৰ চেতনা আপোনালোকে জগাব পাৰিছে জানো ?

—জনসাধাৰণৰ মাজৰ পৰাই আমি ওলাই আহিছো। জনসাধাৰণৰ ব্যাপকতাৰ মাজত আমি সোমাই যাবলৈ বিছাৰো, তাৰ বাবে আমি কাম কৰি গৈছো....।

## 'আলফা'ৰ বিষয়ে চমুকৈ

সংগঠনটোৰ জন্ম—৭ এপ্ৰিল, ১৯৭৯ চন

সংগঠনটোৰ কৰ্মক্ষেত্ৰ—বৰ্তমান অসমৰ ভৌগলিক চাৰিসীমাই সংগঠনৰ কৰ্মক্ষেত্ৰ হ'ব। বিস্তৃত ভাবে সংগঠনৰ কৰ্মক্ষেত্ৰ উত্তৰ ব্ৰহ্মদেশৰ চিন্দুইন নদীৰ পৰা আৰম্ভ কৰি পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য কৰ্মক্ষেত্ৰ হব।

ঘোষিত লক্ষ্য আৰু উদ্দেশ্য ঃ

□ অসমীয়া জাতিক বৈপ্লৱিক চিন্তা ধাৰাৰে অনুপ্ৰাণিত কৰি, বিজ্ঞান সম্মত সমাজবাদ প্ৰতিষ্ঠা কৰি উন্নতিৰ পথত ক্ষীপ্ৰ গতিৰে আগুৱাই লৈ যোৱাই হ'ব আমাৰ সংগঠনৰ মূলমন্ত্ৰ।

□ ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ অন্যায় অবিচাৰৰ কব্জাৰ পৰা মাতৃভূমি অসমক মুক্ত কৰিবলৈ ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতাৰণা, শোষণ, নিৰ্য্যাতন আদি জাতীয় উন্নতিৰ সকলোবিলাক বাধা ওফৰাই শাসন ভাৰ শোষিত জনগণৰ হাতলৈ আনিবলৈ এই সংগঠনে সুপৰিকল্পিত ভাবে আপোচহীন যুঁজ চলাই যাব।

□ ভাৰতীয় বা অভাৰতীয় শোষণৰ পৰা অসম তথা অসমীয়া জনগণক মুক্ত কৰি স্বাধীন অসমীয়া জাতি হিচাবে আত্মপ্ৰতিষ্ঠা কৰা।

□ মাতৃভূমিক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে নিৰ্ব্বিবাদে চলি থকা ঔপনিবেশিক শোষণৰ পৰা মুক্ত কৰিবলৈ জাতীয় মুক্তি সংগ্ৰাম গঢ়ি তোলা হ'ব।

□ শোষিত আৰু নিষ্পেষিত খিলঞ্জীয়া অসমীয়া সকলক নিৰাপত্তা দিয়া।

□ অসমৰ খিলঞ্জীয়া জাতি, উপজাতি জনগোষ্ঠী আৰু ধৰ্মীয় সম্প্ৰদায় সমূহৰ স্বকীয় বৈশিষ্ট ৰক্ষা কৰা।

□ অসমৰ স্বাৰ্থৰ পৰিপন্থী সকলো শক্তিৰ বিৰুদ্ধে সৰ্বশক্তি প্ৰয়োগ কৰা হ'ব।

□ অসমৰ থলুৱা ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰময় ভাষা আৰু সংস্কৃতি ধ্বংস কৰাৰ যি প্ৰচেষ্টা অহৰহ চলি আহিছে তাক বাধা দিয়া।

□ একে লক্ষ্য আৰু উদ্দেশ্যৰ অন্য যিকোনো সংগঠণৰ পৰা এই সংগঠনে চৰ্তহীন সহায়-সহযোগ আৰু সমৰ্থন গ্ৰহণ কৰিব। একে লক্ষ্য আৰু উদ্দেশ্যৰ চুবুৰীয়া ৰাজ্য সমূহৰ লগত অধিক ভাতৃত্বৰ সমন্বয় গঢ়ি তোলা আৰু পৰিস্থিতি ও সময় সাপেক্ষে সহায় সহযোগ বিনিময় কৰা হব।



OKDISCD

? আপোনালোকে শ্ৰেণী ভিত্তি স্বীকাৰ কৰে নে ? অসমৰ মধ্যবিত্ত সকলে আপোনালোকৰ 'স্বাধীন অসম'ৰ আহ্বানক প্ৰতিৰোধ কৰাৰ ভিত্তিগত কাৰণ সমুহ আপুনি অস্বীকাৰ কৰিব খোজে নেকি ?

— নাই— সকলো মধ্যবিত্তই আমাৰ বিৰোধিতা নকৰে। শোষিত মানুহ আমাৰ লগত থাকিলে আমি মধ্যবিত্তৰ প্ৰতিৰোধ ওফৰাই দিম। এখন দুৰ্নীতি মুক্ত অসম গঢ়াৰ বাটত হেঙাৰ দিয়া সকলোৰে বিৰুদ্ধে আমি যুঁজাৰ সংকল্প গ্ৰহণ কৰিছো। মণ্ডল কানানগোৰ পৰা মজুত কাৰি, চোৰাং কাৰবাৰীলৈ, বিষয়াৰ পৰা মন্ত্ৰীলৈ— সকলোৰে নীতিহীন কামৰ বিৰুদ্ধে এই যুঁজ চলিব।

? আপোনালোকৰ বৰ্ত্তমানৰ বিভিন্ন কাৰ্য্যকলাপে অসমৰ এতিয়াৰ শাসনাধিষ্ঠ গণ পৰিষদ চৰকাৰক অস্বস্তিজনক অৱস্থালৈ ঠেলি নিছে। কোনো কোনো মহলত আপোনালোকৰ কামকাজ সমুহ আঞ্চলিক দলৰ চৰকাৰটোক উফৰোৱাৰ প্ৰচেষ্টা হিচাবেও বিবেচিত হৈছে ?


— জনসাধাৰণৰ অকুণ্ঠ সমৰ্থনত গণ পৰিষদ ক্ষমতাত অধিষ্ঠিত হৈছে। আমাৰ বোধেৰে জনসাধাৰণৰ এই সমৰ্থন যেতিয়ালৈ অক্ষুন্ন থাকে—এই চৰকাৰক কোনেও উফৰাব নোৱাৰে।

? 'ব্ৰচীন' ৰাষ্ট্ৰৰ সম্পৰ্কত আপোনালোকৰ মতামত কি ?

— ব্ৰচীন প্ৰকল্পৰ সৈতে আমাৰ কোনো যোগাযোগ নাই। আমি ব্ৰচীনৰ পৰিকল্পনাক সমৰ্থন নজনাওঁ।



'স্বকীয়তা ৰক্ষাৰ বাবে ভাৰতৰ বহুটো জাতিয়ে সংগ্ৰাম আৰম্ভ কৰিছে। আমিও সশস্ত্ৰ সংগ্ৰামৰ পথ বাচি লৈছো'




'আমি ব্ৰচীন ৰাষ্ট্ৰৰ পৰিকল্পনাক সমৰ্থন নজনাওঁ'

? (অলপ হাঁহি হাঁহি পাতল কৰি) আপোনালোকৰ বৰ্ত্তমানৰ কেইটিমান বেংক লুটপাতৰ ঘটনাৰ লগত আপোনালোকৰ সংগঠনৰ নাম জড়িত হোৱাৰ লগে লগে আপোনালোকৰ ডকাইতি ইমেজ এটাৰ সৃষ্টি হৈছে ?

— (মাজত বাধা দি) কিছুমান বেংক ডকাইতিৰ লগত আমি জড়িত থকাৰ কথাটো সঁচা। কিন্তু আমি কোনো ব্যক্তিগত মানুহৰ সম্পত্তিৰ ওপৰত এতিয়ালৈ হাত দিয়া নাই।

? 'ভাৰতীয়' সকলৰ প্ৰতি আপোনালোকৰ মনোভাব কেনে হব ?

— ভাৰতীয় সকলক শত্ৰু হিচাপে treat কৰা হ'ব। □



okDISC

## দুৰ্গতি নাশিনী (১০ পৃষ্ঠাৰ পৰা)

কৰিব। সেই যত্নৰ প্ৰয়াস সিমানেই জোৰদাৰ হব যিমানেই পূজা কমিটি বোৰে ৰাইজৰ পৰা সংগ্ৰহ কৰা ধনৰ টোপোলা শকত হ'ব। কোনোবা ধনুৰ্দ্ধৰ পেট্ৰনৰ (পৃষ্ঠপোষক)? বিত্তীয় আশীষেৰে গদ্‌গদীয়া হোৱা মণ্ডপৰটো কথাই সুকীয়া— তেনেই ইলাহী। আমাৰ অন্তস্থলৰ প্ৰতিযোগীতা সুলভ মনোভাৱবোৰ প্ৰকট হব আমাৰ বিভিন্ন জনৰ মতামতত, ব্যক্ততাত— "... দেৱীৰ কাপোৰ জোৰ ৰঙ্গবিয়া ভইলৰ, তাইঁতৰ তাত মাৰ্কিন কাপোৰৰে.... ", কাণ ফুলি জোৰ খাটি সোনৰ, সৌ তাইঁতৰ নিচিনা ইমিটেচন গল্ড নহয় ...." "আমাৰ কাৰ্ত্তিকৰ ধুতীখন পলিষ্টাৰৰ, সিহঁতৰ তাত.... কিনো কৰিব দুখীয়া কমিটি, সেয়েহে সেনগুপ্তা ধুতীখনকে....". ঠায়ে ঠায়ে দেৱীৰ প্ৰতিমাৰ সন্মুখত 'আৰতি' প্ৰতিযোগীতাৰ লগতে 'ডিস্ক ডেন্স'ৰ প্ৰতিযোগীতাও আৰম্ভ হব। এই প্ৰতিযোগীতাৰ লগত সংযোজিত হব গীতাৰ ড্ৰাম-ছেটৰ লগতে কেছেট অথবা ৰেকৰ্ড যোগে "দিয়ানা-ৰছ" নাইবা মাইকেল জেকচনৰ ৰক সংগীত, দুৰ্গা পূজাৰ স্পেচিয়েল টিউন্। আয়তিসকলে নাম লব প্ৰতিমাৰ সন্মুখত বহি আৰু আন বহুতেই সাষ্ঠাঙ্গে প্ৰণিপাত কৰি আশীষ বিছাৰিব— 'আই দুৰ্গা, মোক ধনে-জনে, মাটিয়ে বাৰীয়ে পূৰ্ণ কৰি দিয়া, শক্তি দিয়া, নাইবা বিখ্যাত কৰি দিয়া— পাৰিলে ৰজা-মন্ত্ৰী, ৰাণী কিবা কিবি কৰি দিয়া। নোৱাৰিলেও কম্‌চে কম তাৰ ইমিডিয়েট তলৰ কিবা এটা .... "সনা-পোটোকা খায় লগতে লটাৰী জাতীয় কিবা এটা হ'লেতো কথাই নাই। নগদ ছয়কুৰি দি ছাগলীটো আনিছো। বলি দিয়াইছো তোমাকে উপলক্ষ কৰি। দায়-দোষ মৰিষণ কৰি গ্ৰহণ কৰা যেন।' ইত্যাদি ইত্যাদি। "and when rituals supplant belief..." আকৌ এবাৰ তলি ফুটি কাৰোবাৰ বিশ্বাসৰ পবিত্ৰতাই নিম্নমুখী গতি কৰিব। ওপৰেদি বৈ যাব বিধি প্ৰণালী উদ্‌যাপনৰ উচ্ছাসৰ ধুমুহা। সেই ধুমুহাই উদঙাই দিব আমাৰ ধৰ্মীয় বিশ্বাসৰ ক্ষয়িষ্ণু অস্তিত্ব। □

**ভাস্কৰ দাস, সত্য বৰুৱা**


# প্ৰতিবেদন

**ভি, পিৰ যোগেদি প্ৰতিবেদনৰ এজেঞ্চিৰ বাবে আপুনি কি কৰিব ?**



অসমৰ চুকে কোনে 'প্ৰতিবেদন' প্ৰেৰণ কৰিবলৈ আমি যি এক ব্যৱস্থা গ্ৰহণ কৰিছোঁ—তাৰ অন্যতম, ভি, পি যোগে আলোচনী পঠিওৱা। আপুনি এই সুবিধাৰ যোগেদি এজেঞ্চী পাবলৈ হলে তলৰ স্বৰ্ত্ত সমূহ পূৰণ কৰিব লাগিব।

□ ২০ বা ততোধিক কপিৰ অৰ্ডাৰহে আমি গ্ৰহণ কৰিম।

□ প্ৰতি কপিৰ বাবে ৩ টকা আমানতৰ ধন আমাৰ তাত জমা থ'ব লাগিব। নিয়ম অনুযায়ী পাছত আপুনি আমানতৰ ধনৰ বাবদ দিয়া টকাখিনি উভতাই পোৱাৰ ব্যৱস্থা লোৱা হব।

□ বিশদ জানিবৰ বাবে আপুনি আমাৰ লগত শীঘ্ৰেই যোগাযোগ কৰক। নবেম্বৰ সংখ্যা পাব খুজিলে আপুনি ১০ অক্টোবৰৰ আগতে যোগাযোগ কৰিবই লাগিব।

চাৰ্কুলেচন মেনেজাৰ, প্ৰতিবেদন
ময়ূৰ প্ৰকাশ, গুৱাহাটী-৭

# পলিঅ'

ডঃ নবীন শৰ্মা

পলিঅ' (পলিঅ' মায়েলাইটিছ) এবিধ অতি ভয়লগা সংক্ৰামক বেমাৰ। এই বেমাৰ বিশ্বৰ সকলো ঠাইতে সিচৰতি হৈ আছে। অনুন্নত আৰু উন্নয়নশীল দেশবোৰত এই বেমাৰ বেছিকৈ হোৱা দেখা যায়। কেতিয়াবা কেতিয়াবা এই বেমাৰে মহামাৰী ৰূপো ধাৰণ কৰে। এই বেমাৰ পলিঅ' ভাইৰাচ নামৰ এবিধ বীজাণুৱে কৰে। এই বেমাৰ যে অকল সৰু সৰু ল'ৰা-ছোৱালীৰে হয় এনে নহয় মাজে সময়ে ডাঙৰ মানুহৰো হোৱা দেখা যায়। সাধাৰণতে ৫ বছৰৰ তলৰ শিশুৰ পলিঅ' বেমাৰ হোৱা দেখা যায়, যদিও ৩ বছৰৰ তলৰ শিশুক ই বেছিকৈ আক্ৰমণ কৰে।

পলিঅ' বেমাৰৰ প্ৰতিষেধক ব্যৱস্থা আবিষ্কাৰ হোৱাৰ আগতে বহুতো শিশু এই বেমাৰত ভুগিছিল আৰু মৃত্যুৰ মুখত পৰিছিল। প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ নকৰা বিদেশী মানুহ যদি কোনো বেলেগ দেশৰ পলিঅ' বেমাৰ হোৱা অঞ্চললৈ আহে তেওঁলোকো এই বেমাৰত আক্ৰান্ত হোৱা দেখা যায়।

**পলিঅ' বেমাৰ কেনেকৈ বিয়পে ঃ** অনুন্নত বা উন্নয়নশীল দেশ সমূহৰ অস্বাস্থ্যকৰ পৰিবেশবোৰ এই বেমাৰ বিয়পাৰ ভাল সমল। খোৱা পানী বা খোৱা খাদ্যৰ লগত পলিঅ' বেমাৰৰ ভাইৰাচ মানুহৰ পেটলৈ যায়। চেনিটাৰী পায়খানাৰ লেতেৰা পানী যদি খোৱা পানীৰ সংস্পৰ্শলৈ আহে বা মহ,মাখিৰ দ্বাৰা খোৱা বস্তুলৈ আহে তেতিয়া সেই খোৱা পানী বা খোৱা বস্তুৰ দ্বাৰাও



এই ৰোগ বিয়পিব পাৰে। মানুহৰ পেটলৈ এই ভাইৰাচ গৈ অন্ন নলীত বাস কৰি তাতে ই বংশবৃদ্ধি কৰে। তাৰ পৰা শৰীৰৰ বিভিন্ন অংশলৈ বিয়পি পৰে আৰু মটৰ স্নায়ুক (Motor Nerves) আক্ৰমণ কৰি বেমাৰৰ লক্ষণবোৰ উৎপন্ন কৰে।

পলিঅ' ভাইৰাচ এবিধ অতি সূক্ষ্ম খালি চকুৰে মনিব নোৱাৰা বীজানু। পলিঅ' ভাইৰাচ তিনি বিধ। সিহঁতক ব্ৰুনহিল্ডে লেনচিং আৰু লিয়ন বুলি জনা যায়।

পলিঅ' ভাইৰাচে আকৌ নিজে মানুহক তাৰ বিৰুদ্ধে প্ৰতিষেধক ব্যৱস্থা দিয়ে। অন্ন নলীত সোমোৱাৰ পাচত ভাইৰাচবোৰে বংশবৃদ্ধি কৰে। সেই সময়ত যদি সেই মানুহজনৰ অন্ন নলীত সেই টাইপ ভাইৰাচৰ বিৰুদ্ধে যুজিব পৰা ক্ষমতা (Immunity) থাকে তেতিয়া সি তাত বংশবৃদ্ধি কৰিব নোৱাৰে অন্যথায় সেই ভাইৰাচ লিম্ফ গ্লেণ্ডৰ (Lymph gland) দ্বাৰা বা তেজৰ সহায়েৰে গোটেই শৰীৰতে বিয়পি পৰে সেই সময়ত তেজত সেই টাইপ ভাইৰাচৰ বিৰুদ্ধে এণ্টি বডি ( Anti

ডঃ শৰ্মা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ শিশু বিভাগৰ সহ-অধ্যাপক।



OKDPCD

body ) তৈয়াৰ হয়। যদি এণ্টি বডিৰ পৰিমান বেছি হয় তেতিয়া হলে সেই টাইপ ভাইৰাচ সেই এণ্টি বডিৰ সহায়ত পনীয়া (Neutralize) হৈ যায় আৰু তেতিয়া সি বেমাৰ কৰিব নোৱাৰে। মানুহজনে তেতিয়া সেই বিধ ভাইৰাচৰ বিৰুদ্ধে প্ৰতিষেধক (Immunity) ব্যৱস্থা লাভ কৰে অন্যথায় সেই মানুহজন সেই বিধ ভাইৰাচৰ আক্ৰমণৰ বলি হয় আৰু বেমাৰত ভুগে।

পলিঅ' ভাইৰাচে মানুহৰ শৰীৰৰ কিছুমান বিশেষ অংশতহে আক্ৰমণ কৰে। স্নায়ু মণ্ডলেই ইয়াৰ প্ৰিয় আৰু ঘাইকৈ মটৰ স্নায়ু মণ্ডল (Motor Nerves)। বিশেষকৈ পলিঅ' ভাইৰাচে ৰাজহাড়ৰ মাজত থকা স্নায়ু দণ্ডৰ (Spinal cord) মটৰ অংশত ( Motor Area ) আক্ৰমণ কৰে। কেতিয়াবা আক্ৰমণৰ জোৰ ( Power exosure ) কম হলে বেমাৰৰ লক্ষণ দেখা নিদিবও পাৰে। আক্ৰমণৰ জোৰ বেছি হলে লক্ষণবোৰো ভয়ানক হয় আৰু ৰোগী জন চিৰ জীৱনৰ বাবে ঘুণীয়া হয়।

পলিঅ'ভাইৰাচে শৰীৰৰ বিভিন্ন মটৰ স্নায়ু অংশত বিভিন্ন ধৰণে আক্ৰমণ কৰে বাবেই পলিঅ' বেমাৰৰ লক্ষণবোৰো সময়ে সময়ে বেলেগ বেলেগ হয়। কেতিয়াবা ই আক্ৰমণ কৰিয়েই কোনো লক্ষণ নেদেখুৱা কৈয়ে নাইকিয়া হয়।

শুদ্ধ পলিঅ' বেমাৰৰ লক্ষণবোৰ সাধাৰণতে এনে ধৰণৰ হ'ব পাৰে। প্ৰথমতে বেমাৰীৰ জ্বৰ উঠে আৰু ১ৰ পৰা 4 দিন মান জ্বৰ নুঠাকৈ থাকি আকৌ জ্বৰ উঠে। প্ৰথমবাৰৰ সাধাৰণ জ্বৰৰ লগত, মূৰৰ বিষ, ডিঙিৰ খুচ্‌খুচ্‌নি, গাৰ বিষ, পানী লগা ভাব, বমি বমি ভাব বা বমি হোৱা আদি লক্ষণবোৰ ধৰা পৰে। আৰু লগে লগে জ্বৰ নাইকিয়া হয়। দ্বিতীয়বাৰ আকৌ জ্বৰ উঠাৰ লগে লগে ভীষণ মূৰৰ বিষ, বমি, ডিঙিৰ পিচফালে বা পিঠিৰ ফালৰ মাংস পেশীৰ বিষ, ভৰি বিষ আদি হোৱা দেখা যায়। তাৰ পাচত ইচ্ছানুযায়ী লৰাব পৰা (Voluntary muscle) মাংস পেশী সমূহ অৱশ হৈ পেৰালাইচিচ্‌ (Paralysis) হোৱা দেখা যায়। কিন্তু এই 'ক্লাছিকেল' (Classical) পলিঅ' বেমাৰ পোৱা ভাগ্যৰ কথা। পলিঅ' বেমাৰক চাৰিটা ভাগত ভগাব পাৰি। Inapparent Stage. Abortive Stage. Non-Paralytic Stage. Paralytic Stage.

পলিঅ' বেমাৰৰ প্ৰথম ভাগত ৰোগীয়ে কি ধৰণে বেমাৰৰ প্ৰতিৰূপ প্ৰদৰ্শন কৰে তাক ঠিৰাংকৈ কোৱা টান। কাৰণ সেই সময়ত মাংসপেশীৰ বিষ আৰু সংকোচন বেছি হৈ থাকে। এই বেমাৰত ভোগা ৰোগী ৫ৰ পৰা ১০ শতাংশই মগজুৰ পেৰালাইচিচ (Bubbar Paralysis) আৰু শ্বাস যন্ত্ৰৰ পেৰালাইচিচত ভোগে আৰু প্ৰায়েই মৃত্যুৰ মুখত পৰে বা চিৰ জীৱনলৈ পঙ্গু হৈ থাকে।

পলিঅ' বেমাৰৰ কোনো নিৰ্দ্দিষ্ট বা বিশেষ ধৰণৰ চিকিৎসা নাই। যি কোনো ধৰণৰ পলিঅ' ৰোগীকে হস্পিতালত ভৰ্ত্তি কৰোৱা ভাল। ৰোগীক ভালকৈ বিছনাত বিশ্ৰাম দিয়াব লাগে যাতে দুৰ্বল হৈ পৰা বা পেৰালাইচিচ হব ধৰা মাংসপেশীবোৰে ভালদৰে জিৰণি পায়। গৰম সেক দিলে মাসংপেশীবোৰৰ তেজ চলাচল ভাল হয় আৰু কিছুপৰিমানে বিষ উপশম হয়। দৰ্কাৰ বোধ কৰিলে বিষ কমোৱা (Analgesic) ঔষধ দিব লাগে। ৰোগীয়ে বিছনাত যি ধৰণে শুই ভাল পায় সেই ধৰণে থাকিব দিব লাগে। ভৰিৰ পেৰালাইচিচ আৰম্ভ হোৱা যেন দেখিলে ভৰিৰ খাৰগাঠিত (Ankle joint) বালিৰ গাৰু দিয়াব লাগে যাতে ভৰিৰ পতা টো ভৰিৰ ঠাৰিৰ লগত সমকোণ হৈ থাকে। তেতিয়া হলে ভৰিৰ পতা লেতুসেতু ( foot drops ) হোৱা সম্ভাৱনা নাথাকে।

ডিঙিৰ পেৰালাইচিচ হৈ খাব নোৱাৰা ৰোগীক ৰবৰৰ নলীৰে খুৱাব লাগে। ৰোগীৰ মাংসপেশীৰ বিষ একেবাৰে কমিলে মালিছ আৰম্ভ কৰিব লাগে আৰু এই মালিচ ( Physio therapy ) ডাক্তৰৰ পৰামৰ্শ অনুযায়ী কৰাব লাগে। ৰোগীক সদায় সাহস দিব লাগে।

পলিঅ' বেমাৰ হৈ থকা অৱস্থাত এনে ৰোগীক কোনো ধৰণৰ বেজী বা চিতা দিয়াব নেলাগে কাৰণ এইবোৰ পেৰালাইচিচ হোৱাত সহায় কৰে। মাজে মাজে ৰোগীক লাহে লাহে ইকাটি-সিকাটিকৈ বাগৰ সলায় দিব

( বাকী ছোৱা ২২ পৃষ্ঠাত )

OKDISCD

# চিগাৰেট নাখাই চিৱিংগাম খাওক

ডঃ জয়ন্ত চুতীয়া

'ধূমপান স্বাস্থ্যৰ বাবে অনিষ্টকৰ'। চিগাৰেট কোম্পানীয়ে চিগাৰেট বাহৰ ওপৰত এই শাৰীটো লিখিব লাগে যাতে মানুহ স্বাস্থ্যৰ প্ৰতি সতৰ্ক হয়। তথাপিও যি ধূমপান কৰে সি চিগাৰেট পৰিত্যাগ কৰাটো কিমান কঠিন সকলোৱে জানে। কথাতে কয় ধূমপানকাৰীয়ে এহেজাৰবাৰ চিগাৰেট পৰিত্যাগ কৰে। প্ৰথমে ধেমালিৰ চলেৰে চিগাৰেট হুপিবলৈ লওঁতে কিছুদিনৰ পাছত দেখা যায়, সি অভ্যাসত পৰিণত হৈ ক্ৰমে ৰাগীমত্ততা (Toxicomania)ৰ ৰূপ লয়।

বিশ্বস্বাস্থ্য সংস্থাৰ এটা বাতৰি মতে গোটেই এছিয়া, আফ্ৰিকা, আমেৰিকাৰ প্ৰায় ১২০ খন দেশত হোৱা ৬০ লাখ টন ধপাত প্ৰতিবছৰে ধূমপানকাৰী সকলে নিঃশেষ কৰে। ধপাঁতত থকা নিক'টিন নামৰ বিষাত্মক পদাৰ্থই মানুহৰ শাৰীৰিক উপাদান সমূহৰ ৰাসায়নিক প্ৰক্ৰিয়াত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰে আৰু স্বাভাৱিক প্ৰক্ৰিয়াক দুৰ্ব্বল কৰি পেলায়। এই ৰাগীয়াল পদাৰ্থৰ প্ৰতিক্ৰিয়া শৰীৰত এনে এক উপাংশ হৈ পৰে যে পৰিত্যাগ কৰিব খুজিলেও শাৰীৰিক প্ৰক্ৰিয়াই নিক'টিনৰ অভাৱ সজোৰে অনুভৱ কৰে। ফলত সংকটজনক অৱস্থা বা মৃত্যুৰ মুখত পৰিলেও ধূমপানকাৰীয়ে পুনৰ ধূমপান কৰিবলৈ লয়। ধূমপানকাৰীয়ে মাত্ৰ তিনিমাহৰ বাবেহে ধূমপান এৰিব পাৰে।

ধূমপানে প্ৰথমে মুখ-গহ্বৰৰ মিউকাছ আৱৰণ (Mucous Membrane) খন নষ্ট কৰে। নিক'টিনে বিভিন্ন ইন্দ্ৰিয়ৰ স্নায়ু আৰু টিছুবিলাকক বিকল কৰি পেলায়, পৰিপাক যন্ত্ৰ লিভাৰৰ পৰা ওলোৱা এনজাইম নষ্ট কৰে। শৰীৰত থকা ভিটামিন বি আৰু চি ধূমপাণৰ ফলত নষ্ট হৈ স্নায়ুতন্ত্ৰ দুৰ্ব্বল হৈ পৰে। দিনে দুটাকৈ চিগাৰেট খালেই এই ভিটামিন নষ্ট হোৱাৰ সম্ভাৱনা থাকে। তাৰোপৰি লিভাৰে নিক'টিন চোঁক পেলাব নোৱাৰাৰ ফলত ইতেজত মিহলি হৈ পৰে। মানুহ সোনকালে ভাগৰুৱা হয় আৰু এশ এবুৰি ৰোগে দেখা দিয়ে।

ধূমপান পৰিত্যাগ কৰাৰ উপায় এটাৰ আৱশ্যকতা বৰ বেছি হৈ পৰাত ৰাছিয়াৰ চিকিৎসক সকলে গৱেষণা কৰি এবিধ চিৱিংগাম উলিয়াইছে। ই নিক'টিনৰ তৃষ্ণা আঁতৰাব পৰা গুণ বিশিষ্ট ঔষধি দৰৱৰ দ্ৰব্য। কিছুমান গছৰ পাতৰ পৰা ইয়াক চোঁক উলিয়াব পাৰি। নিক'টিনৰ তুলনাত গেমি বেছাইন (Gamibasine) নামৰ ৰাসায়নিক পদাৰ্থৰে গঠিত এইবিধ দ্ৰব্যৰ শৰীৰৰ ওপৰত কৰা অপকাৰৰ পৰিমাণ কম। এণ্টি-গেমি বেছাইনৰ এণ্টিস্মোকিং চিৱিংগাম নিক'টিন পলিমাৰ পিল্ল প্ৰস্তুত কৰা হৈছে।

গেমি বেছাইনৰ স্বাদ, গন্ধ ৰাসায়নিক গঠন নিক'টিনৰ দৰে একে হ'লেও ইয়াৰ ক্ৰিয়া, প্ৰতিক্ৰিয়া নিক'টিনৰ বিপৰীত আৰু ৰাগীও নিক'টিনৰ প্ৰায় আধা। মুখেৰে এই পিল বা চিৱিংগাম চোবাই থাকিলে ধূমপাণ কৰা যেন অনুভৱ হয় আৰু বহু সময় ধৰি গলি নোযোৱাকৈ ইয়াক মুখৰ ভিতৰত লৈ থাকিব পাৰি। ফলত সেই সময়খিনিত ধূমপানকাৰীৰ চিগাৰেট খোৱাৰ স্পৃহা নাইকিয়া হৈ পৰে। মিউকাছ আৱৰণৰ নিক'টিন অনুভূতি কমি যায়। মানুহৰ শৰীৰ আৰু মনলৈ সজীৱতা আনে। আনকি জৈৱৰাসায়নিক প্ৰক্ৰিয়াৰে শৰীৰত থকা নিক'টিন ধুই পেলায়।

কিছু দিন এই পিল বা চিৱিংগাম খোৱাৰ পাছত ধূমপাণকাৰীৰ চিগাৰেটৰ প্ৰতি অনীহা জন্মে আৰু শেষত গৈ একেবাৰে পৰিত্যাগ কৰে। ঠাই বিশেষে শতকৰা ৭৮ ৰ পৰা ৯৯ লৈকে এই চিকিৎসাৰ সুফল পোৱা গৈছে। ৪৪ বছৰ ধৰি ধূমপান কৰা লোকে ৮, ৯ টা এনে চিৱিংগাম খোৱাৰ পাছতে চিগাৰেট এৰিছে। অৱশ্যে এই চিকিৎসাও অন্য চিকিৎসাৰ দৰে ডাক্তৰৰ লগত পৰামৰ্শ কৰিহে কৰিব লাগে।

এই চিকিৎসা বৰ্ত্তমান যদিও পৰীক্ষামূলক অৱস্থাত আছে— কিছুদিনৰ ভিতৰত ই গোটেই পৃথিবীতে ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠিব। আৰু লাখ লাখ মানুহ ধূমপানৰ বিষকবলৰ পৰা মুক্ত হ'ব। □

OKDISCD

# 'হবি'ৰ সম্ৰাট— ডি-এক্সিং

কথাষাৰ অবিশ্বাস্য যেন লাগিলেও কিন্তু এই হবিটোৰ বিষয়ে জনাৰ পিচত আপুনিও মোৰ সৈতে একমত হ'ব! আমি প্ৰতিদিনেই ৰেডিঅ' শুনো যদিও ৰেডিঅ' শুনাৰ ওপৰতেই যে এনে এটা হবি গঢ়ি উঠিছে সেইটো বহুতেই নাজানো। অথচ বিশ্বৰ চুকে কোণে এনে বহুতো লোক আছে যিসকলৰ ইয়াৰ সৈতে নিবিড় সম্বন্ধ। এই আমোদজনক তথা আচহুৱা হবিটোৱেই হৈছে Dxing। ইয়াৰ অৰ্থ কিন্তু আপুনি অভিধানৰ পাতত নাপায়। "D"ক distance আৰু "X"ক unknown radio signal বুলি ধৰিলে DXক "দূৰৈৰ অজ্ঞাত ৰেডিঅ' ছিগ্‌নেল" বুলিব পাৰি আৰু যিসকলে দূৰৈৰ ছিগ্‌নেল ৰেডিঅ'ত শুনে তেওঁলোকক Dxer বোলা হয়। এক কথাত বিজ্ঞান সন্মত ভাৱে ৰেডিঅ' শুনাটোকে Dxing বোলা হয়।

ডি-এক্সিং এনে এটা হবি যাৰ সমান্তৰালকৈ আপোনাৰ অজ্ঞাতে আন দহোটা হবিৰ সৈতে সম্পৰ্ক গঢ়ি উঠে। ইয়াৰ সুবিধাৰ দিশো কেইবাটাও, ধৰক, আপুনি বাতৰি শুনাত আগ্ৰহী তেন্তে ডি-এক্সিং কৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ ডাঁৰৰ বাতৰি ডাঁৰে ঘটনাস্থলীৰ পৰা প্ৰত্যক্ষ ভাৱে পাব পাৰে। আপুনি যদি সংগীত প্ৰেমী, তেন্তে বিশ্বৰ বিভিন্ন ৰেডিঅ' ষ্টেচনৰ পৰা প্ৰচাৰিত পপ্, ৰক্, ক্লাচিক,চ'ল্, ব্লু, জাজ্, পাংক্, ফক্, আদি নানা তৰহৰ সংগীত ঘৰতে বহি উপভোগ কৰক। কিছুমান ষ্টেচনে আকৌ নিজ দেশৰ ভাষাশিক্ষাৰ ওপৰতো অনুষ্ঠান প্ৰচাৰ কৰে আৰু লগতে সংশ্লিষ্ট পাঠ্য-পুস্তিকা বিনামূল্যে যোগান ধৰে। আনহাতে ভালেমান ষ্টেচনত পত্ৰবন্ধুত্বৰ একোটা শিতান থাকে যাৰ সহায়ত আপুনি সমগ্ৰ বিশ্বৰ পৰাই পত্ৰ বন্ধু-বান্ধৱী পাব পাৰে। তেনেদৰে আপোনাৰ প্ৰিয়জনলৈ শুভেচ্ছা জনাবলৈ বা অনুৰোধৰ গীত মাত প্ৰচাৰ কৰিবলৈও প্ৰায়বোৰ ষ্টেচনতে একো একোটা অনুষ্ঠান থাকে। কিছুমান ষ্টেচনে শ্ৰোতাসকলৰ মাজত বিভিন্ন বিষয়ত কুইজ্ প্ৰতিযোগিতা পাতে যাৰ পুৰস্কাৰ সমূহ সঁচাকৈয়ে লোভনীয়! বিনামূলীয়া বিদেশ ভ্ৰমণ, ভিডিঅ' কেছেট, ৰেডিঅ', টি-চাৰ্ট, কিতাপ আৰু বহুতো! মুঠতে ডি-এক্সিঙৰ জৰিয়তে আপুনি বিশ্বৰ বিভিন্ন ঠাইৰ মানুহ,জনজীৱনৰ ধাৰা, ভাষা, সংস্কৃতি, সাহিত্য, ইতিহাস, ভৌগলিক অৱস্থান আদিৰ বিষয়ে ঘৰতে বহি জানিব পাৰে যিটো আন মাধ্যমৰ দ্বাৰা ইমান সহজতে নোৱাৰে।

কোনো ষ্টেচনৰ প্ৰচাৰ আপোনাৰ অঞ্চলত কেনেদৰে শুনা গৈছে তাক জানিবলৈ ষ্টেচনৰ কৰ্মকৰ্ত্তা সকল খুব আগ্ৰহী। কোনো এটা অনুষ্ঠান শুনি সেইটো কেনেদৰে শুনা পাইছে তাৰ বিষয়ে খৰচি মাৰি ৰিছিপ্‌ছন্ ৰিপোৰ্ট এটা পঠিয়ালে ষ্টেচনবোৰে প্ৰাপ্তি স্বীকাৰ কৰি কৃতজ্ঞতাৰ চিনস্বৰূপে পষ্ট-কাৰ্ড আকাৰৰ প্ৰমাণ পত্ৰ এখন পঠিয়ায়। এনে কাৰ্ডবোৰ সাধাৰণতে ৰঙীন ফটো যুক্ত হয়, য'ত ৰিপোৰ্টাৰ জনৰ নাম, ষ্টেচনৰ নাম ও চিহ্ন আদি থাকে। ইয়াকে QSL কাৰ্ড বোলা হয়। আপোনাক তেওঁলোকৰ অনুষ্ঠান শুনাৰ প্ৰতি উৎসাহিত কৰিবলৈ ষ্টেচনবোৰে QSLৰ লগতে ভিউ-কাৰ্ড, ডাক-টিকট, সেই দেশৰ বিষয়ে পুস্তিকা, কেলেণ্ডাৰ, প'ষ্টাৰ, পেনেণ্ট (ষ্টেছনৰ সৰু পতাকা), অনুষ্ঠান সূচী আদিও পঠিয়াব। QSL আৰু পেনেণ্ট সংগ্ৰহ কৰাটোৱে Dxer সকলৰ প্ৰধান নিচা।

ডি-এক্সিং আৰম্ভ কৰিবলৈ আৱশ্যক এটা ৩/৪ বেণ্ডৰ ৰেডিঅ' আৰু ৰেডিঅ'ৰ ডায়েলৰ ওপৰত সুন্দৰ জ্ঞান। পৃথিৱীৰ বিভিন্ন ষ্টেচনে বিভিন্ন ভাষাত একে সময়তে বিভিন্ন ফ্ৰিকুয়েঞ্চিত অনুষ্ঠান প্ৰচাৰ কৰি আছে। সেয়েহে ফ্ৰিকুয়েঞ্চিৰ বিষয়ে জ্ঞান থকাটো অপৰিহাৰ্য্য। বৰ্তমান ব্ৰডকাষ্টিং বেণ্ডবোৰ হ'ল: ৩০০—৩০০০ KHZ (কিলো হাৰ্টজ) হ'ল MW (মিডিয়াম ৱেভ) আৰু ৩০০০—৩০০০০০ KHZ হ'ল SW (চৰ্ট ৱেভ)। SWৰ ফ্ৰিকুয়েঞ্চিবোৰ (KHZত) থূল মূলকৈ তলত দিয়া ধৰণে mb (মিটাৰ বেণ্ড)ত আৱদ্ধ। ১২০ mb —২৩০০-২৯৬০; ৯০—৩২০০-৩৪০০; ৭৫—৩৯০০-৪০০০, ৬০—৪৭০০-৫১০০; ৪৯ ৫৯৫০-৬২০০

OKDISCD




এখন QSL কাৰ্ড

৪১—৭১০০-৭৩০০; ৩১— ৯৫০০-৯৭৭৫; ২৫—১১৬৫০-১২০৫০; ১৯—১৫১০০-১৫৬০০; ১৬—১৭৫৫০-১৭৯০০; ১৩– ২১৪৫০-২১৮৫০; ১১ – ২৫৬০০-২৬২০০।

ষ্টেচনবোৰে অৱশ্যে অনুষ্ঠান প্ৰচাৰ কৰা ফ্ৰিকুয়েঞ্চিবোৰ বিভিন্ন সময়ত ঘোষণা কৰি থাকে। তদুপৰি অনুষ্ঠান সূচী পঢ়িও ফ্ৰিকুয়েঞ্চি জানিব পৰা যায়। চিনাকি Dxer থাকিলে বা কোনো DX club ৰ সদস্য হৈ ললে ডি–এক্সিঙত যথেষ্ট সহায় হয়। ভাৰতৰ সৰ্ব্ববৃহৎ DX club টো হৈছে IDXCI,GPO Box-646, Calcutta-700 001।

প্ৰথম অৱস্থাত আপুনি শক্তিশালী তথা জনপ্ৰিয় ষ্টেচনবোৰ ডি-এক্সিং কৰিয়েই ভালেকেইখন QSL কাৰ্ড সংগ্ৰহ কৰিব পাৰে। এই ক্ষেত্ৰত "out door" এণ্টেনা এড়ালে ৰিছিপ্চন কণ্ডিচন যথেষ্ট উন্নত কৰে। QSL কাৰ্ড পাবলৈ ৰিছিপ্চন ৰিপোৰ্ট'ত নিম্নোক্ত বিষয় কেইটা উল্লেখ কৰিব লাগে।(১) কোন mbত বা ফ্ৰিকুয়েঞ্চিত, (২) অনুষ্ঠান শুনা (অতি কমেও ২০ মিনিট) সময় ছোৱা GMT (গ্ৰিনউইছ মান সময়)ত। আজি কালি অৱশ্যে UTC (Universal Time Co-ordinated)হে বহুল প্ৰচলিত। ভাৰতীয় মান সময়ৰ পৰা ৫ ঘঃ ৩০ মিঃ বাদ দিলেই GMT বা UTC পোৱা যায়। সময় লিখোতে A.M. বা P.M. আদি লিখিব নালাগে। ৰাতি ১০ বজাক ২২০০ hours বুলি লিখিব লাগে। (৩) কোন তাৰিখত শুনিলে, (৪) প্ৰগ্ৰেম কণ্টেণ্ট অৰ্থাৎ কি শুনিলে তাৰ বিষয়ে চমু আভাষ, (৫) অনুষ্ঠান প্ৰচাৰ কৰা ভাষা, (৬) ৰেডিঅ'ৰ ধৰণ (Type of receiver) অৰ্থাৎ কিমান বেণ্ড যুক্ত, (৭) এৰিয়েলৰ ধৰণ — out door নে telescopic (অৰ্থাত ৰেডিঅ'ত যিডাল থাকে), (৮) ৰিছিপ্চন কণ্ডিচন — SINPO ক'ডত। ই অনভিজ্ঞ ডি এক্সাৰৰ বাবে কিছু জটিল পৰ্য্যায়। SINPOৰ অৰ্থ এনে ধৰণৰ ঃ S-signal strength অৰ্থাৎ ছিগ্নেলৰ শক্তি, I-interference অৰ্থাৎ আপুনি শুনি থকা ষ্টেচনৰ ছিগ্নেলক অইন ষ্টেচনৰ ছিগ্নেলে বাধা দিয়া কাৰ্য্য। এক কথাত দুটা বা ততোধিক ছিগ্নেলৰ সমাৰোপন। কিছুমান ষ্টেছনে ৰাজনৈতিক কাৰণত বৈজ্ঞানিক উপায়েৰে অন্য ষ্টেছনৰ প্ৰচাৰণ বন্ধ কৰে যাক "jamming" বোলা হয়। N-noise অৰ্থাৎ প্ৰাকৃতিক ভাৱে সৃষ্টি হোৱা শব্দ যিটো অলপ মন কৰিলেই ধৰিব পাৰিব। P-propogation disturbance —ই হ'ল নিৰ্দ্দিষ্ট সময়ৰ মূৰে মূৰে ছিগ্নেলৰ শক্তি বঢ়া-টুটা হোৱা কাৰ্য্য। O-(over all rating) ই মোটামুটিকৈ ছিগ্নেলৰ মানৰ আভাষ দিয়ে। SINPOৰ প্ৰত্যেকটো নিৰ্ধাৰকৰ মান ৫ ৰ পৰা ১ লৈ হ'ব পাৰে। প্ৰথম অৱস্থাত এই বিষয়ে অভিজ্ঞ D-xerৰ সহায় ল'ব পাৰে।

বিশ্বৰ বিভিন্ন ঠাইৰ ষ্টেছনবোৰ ডি-এক্সিং কৰি পোৱা অভিজ্ঞতা বেছ আমোদজনক। কিছুমান ষ্টেছনে দিনটোৰ ২৪ ঘণ্টা জুৰি কেৱল গীতকে প্ৰচাৰ কৰে। অসমৰ পৰা শুনিবলৈ পোৱা তেনে এটা ষ্টেছন হ'ল উত্তৰ মেৰিয়ানা দ্বীপপুঞ্জৰ চাইপেনৰ KYOI য'ত অহৰ্নিশে প্ৰচাৰিত হয় "চুপাৰ ৰক্ মিউজিক্"। ATA-নতুন দিল্লী, BPM-চীন, WWVH হাৱাই আদি ষ্টেছনবোৰৰ কাম হ'ল কেৱল সময় ঘোষণা কৰাটো। এইবোৰক "time signal station' বোলা হয়। ভাষাৰ ভিন্নতা এৰিয়াতেই সৰ্ব্বাধিক। ৰেডিঅ' জাপান, ৰেডিঅ'

OKDISCD

বেইজিং, ভয়ছ অৱ ভিয়েট্নাম ৰেডিঅ' কোৰিয়া, ৰেডিঅ' পিয়ংয়াং, ভয়ছ্ অৱ ফ্রি চাইনা ইত্যাদি এচীয় ষ্টেছনবোৰ আপুনি সহজেই শুনিব পাৰিব। খৃষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেও বিশ্বত ভালেকেইটা ষ্টেছন গঢ়ি উঠিছে। তাৰ ভিতৰত FEBC ৰেডিঅ' ইণ্টাৰনেছনেল, ৰেডিঅ' ভেৰিটাছ্ এছিয়া ( দুয়োটা ফিলিপাইন্ছৰ ), FEBA ৰেডিঅ' ( ছিছিলি দ্বীপ ), ভেটিকান ৰেডিঅ', ফেমিলি ৰেডিঅ' ( কালিফৰ্ণিয়া ), TWR ( Trans World Radio ) স্যাজিলেণ্ড ইত্যাদি প্ৰায় সদায় শুনিব পৰা যায়। ৰেডিঅ' মস্কো, বি-বি-ছি, ৰেডিঅ' নেদাৰলেণ্ড, ৰেডিঅ' বাৰ্লিন ইণ্টাৰনেছনেল, ড্যুজ্ রেল্লে বা ভয়ছ্ অৱ্ জাৰ্মানী, ৰেডিঅ' চুইডেন ইণ্টাৰনেছনেল, চুইচ্ ৰেডিঅ' ইণ্টাৰনেছনেল, ৰেডিঅ' নৰ'ৱে ইত্যাদি ইউৰোপৰ শক্তিশালী ষ্টেছন। ৰেডিঅ' মস্কো আৰু KTWR গুৱামৰ পৰা নিতৌ অসমীয়াতো অনুষ্ঠান প্ৰচাৰিত হয়। ড্যুজ্ রেল্লে (পশ্চিম জাৰ্মানীৰ) ৰ পৰা প্ৰত্যেক ১ম আৰু ৩য় সোমবাৰে সংস্কৃততো ১৫ মিনিটৰ অনুষ্ঠান প্ৰচাৰিত হয়, যিটো আকাশবাণীয়েও কৰিব পৰা নাই!

অলপতে ৰেডিঅ' অষ্ট্ৰেলিয়াৰ এটা বাৰ্তাৰ মতে ৰেডিঅ' মস্কোৰ ইংলণ্ডলৈ কৰা প্ৰচাৰ কোনো ষ্টেছনে Jamming কৰে। তেতিয়া মস্কোই বি-বি-ছিয়ে সেইটো কৰা বুলি আপত্তি তোলে। শেষত বি-বিছিয়ে অনুসন্ধান কৰি গম পালে যে মস্কোই নিজে নিজৰ প্ৰচাৰণ jamming কৰিছিল যাতে বি-বি-ছিক দোষাৰোপ কৰিব পাৰে!

কেতিয়াবা কোনো দেশৰ চৰকাৰ বিৰোধী বিদ্ৰোহী গোটৰো অবৈধ ষ্টেছন শুনাৰ সৌভাগ্যও ডি এক্সাৰৰ ঘটে। বৰ্ত্তমান তেনে কেইটামান ষ্টেছন হৈছে টামিল ইউনাইটেড্ লিবাৰেচন ফ্ৰণ্টৰ ভয়ছ অৱ তামিল ইলাম, ইৰাণৰ ভয়ছ অৱ মুজাহিদিন-এ-খালেক আৰু ভয়ছ অৱ লিবাৰেচন, ইউগাণ্ডাৰ নেছনেল ৰেজিছটেন্ছ আৰ্মিৰ ভয়ছ অৱ ৰেজিছ্টেন্ছ, কোৰিয়াৰ ভয়ছ অৱ নেছনেল ছেভিং ইত্যাদি। □

**অলকেশ দাস**

---

পলিঅ' ( ১৮ পৃষ্ঠাৰ পৰা )

লাগে যাতে পিঠিত বা টিকাত ঘা ( Bed Sore) আদি নহয়।

আজি কালি গাঁৱে ভূঞে নগৰে চহৰে প্ৰায় সকলো ঠাইতে পলিঅ' আদিৰ ৰোগৰ প্ৰতিষেধক ব্যৱস্থা স্থাপন কৰিছে।

পলিঅ' প্ৰতিষেধক চিতা বা Polio vaccine এবিধ পনীয়া দ্ৰৱ। টোপাল হিচাবে ইয়াক মুখেৰে খুউৱা হয়। আমাৰ দেশত শিশুৰ জন্মৰ পৰা ৩ মাহ পূৰা হোৱাৰ পাচত পলিঅ' চিতা খুউৱা হয়। প্ৰত্যেক ডেৰ মাহৰ অন্তৰে অন্তৰে ৩ টা ডজ খুউৱা হয়। ইয়াকে প্ৰাথমিক চিতা বোলা হয়। এই প্ৰাথমিক ৩টা চিতাৰ পাচতো কেতিয়াবা কেতিয়াবা ২ মাহৰ মূৰে মূৰে আন দুটা চিতা খুউৱা হয়। মুঠতে প্ৰাথমিক প্ৰতিষেধক চিতা ৩ৰ পৰা ৫টালৈ খুৱাব পাৰি। এই চিতাৰ লগে লগে ট্ৰিপল ( Triple Vaccine ) চিতাও দিয়াব পাৰি। এই প্ৰাথমিক চিতাৰ পাচত আকৌ বুষ্টাৰ চিতা ( Booster dose ) দিয়া হয়। ইয়াৰ প্ৰথমটো শিশুটিৰ ১৮ মাহ বয়সত আৰু দ্বিতীয়টো শিশুটিৰ ৪ বছৰ উকলি গলে অৰ্থাৎ ৫ বছৰ নৌ-হওতেই দিয়া হয়।

এই গোটেই খিনি পলিঅ' চিতা শিশুটিক খুৱালে শিশুটি পলিঅ' ৰোগৰ পৰা মুক্ত হোৱা বুলি ধৰা হয়। কেতিয়াবা কেতিয়াবা আকৌ পলিঅ' চিতা লোৱা হোৱাৰ পাচতো খুব কম সংখ্যক শিশুৰ পলিঅ' বেমাৰ হোৱা দেখা যায়। কিন্তু পলিঅ' বেমাৰৰ ভয়ানক ফলাফলৰ পৰা হাত সাৰি থাকে— অৰ্থাৎ পেৰালাইচিচ আদি হৈ পঙ্গু হোৱাৰ পৰা হাত সাৰি থাকে।

মহামাৰী উদ্ভৱ হোৱাৰ আশঙ্কা দেখিলে চিকিৎসকৰ লগত পৰামৰ্শ কৰি পলিঅ' চিতা দিয়াৰ ব্যৱস্থা কৰা উচিত। খোৱা পানী বা খোৱা আহাৰ পৰিষ্কাৰ পৰিচ্ছন্ন কৰি খাব লাগে। মনকৰা উচিত যাতে খোৱা পানী বা আহাৰ কোনো ধৰণৰ মল-মূত্ৰৰ সংস্পৰ্শত নাহে। চিতা নোলোৱা পলিঅ' বেমাৰীৰ পৰা দূৰত থাকিব লাগে। □

# দক্ষিণ আফ্ৰিকা ঃ  নেপথ্যত কাৰ বাহুবল ?

দক্ষিণ আফ্ৰিকাৰ বোথা চৰকাৰে আজিও চাৰিশ কোটি বিশ্ববাসীক অগ্ৰাহ্য কৰি বুকু ফুলাই শাসন চলাই আছে কাৰ জোৰত ? আঠত্ৰিশ কোটি কৃষ্ণাঙ্গ অধ্যুষিত আফ্ৰিকাৰ বুকুৰ ওপৰত, দক্ষিণ আফ্ৰিকাৰ মাত্ৰ সত্তৰ লক্ষ শ্বেতাঙ্গৰ চৰকাৰে যোৱা ২৫ বছৰ ধৰি যি বৰ্ণ বৈষম্য বাহাল ৰাখিছে তাৰ শক্তিৰ উৎস ক'ত ? '৬২ ৰ পৰা '৮৪ লৈ ৰাষ্ট্ৰসংঘত পৃথিবীৰ অধিকাংশ দেশে বৰ্ণ বৈষম্যৰ বিৰুদ্ধে কমেও চৌদ্ধটা প্ৰস্তাৱ পাছ কৰিছে যদিও, আজিও '৮৬ ৰ অক্টোবৰ পৰ্য্যন্ত কিয় সেইবোৰ প্ৰস্তাৱ বাৰে বাৰে দক্ষিণ আফ্ৰিকাৰ উপকূলত ঠেকা খাই ওভতি আহিব লগীয়া হৈছে ?

এইবোৰ প্ৰশ্নৰ এটা সহজ উত্তৰ আছে, যিটো আজি বিশ্বৰ প্ৰায় মানুহে জনা 'অ'পেন চিক্ৰেট'। দক্ষিণ আফ্ৰিকাৰ পদানত উপনিবেশ নামিবিয়াৰ গণশিল্পীৰ গানৰ ভাষাত "খুঁটিৰ জোৰত বোথাই যুঁজে, থেচাৰ -ৰেগানে পইচা কৰে।" দুই দশক জুৰি নামিবিয়াত মুখে মুখে এই গান চলি আহিছে— খনিত, বস্তিত কিম্বা কাৰখানাত। থেচাৰ আৰু ৰেগানৰ সলনি, বৃটেইন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পূৰ্বৰ ৰাষ্ট্ৰপ্ৰধান সকলৰ নাম হয়টো গানটিত সাল-সলনি হৈ আহিছে, কিন্তু সাম্ৰাজ্যবাদী বৃটেইন তথা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লগত বৰ্ণ বিদ্বেষী দক্ষিণ আফ্ৰিকাৰ অবিচ্ছেদ্য সম্পৰ্কৰ কাহিনীটি একেই আছে।

কেৱল আমেৰিকা বা বৃটেইনেই নহয়। যেতিয়াই মুষ্টিমেয় শ্বেতাঙ্গ শাসিত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সমাজতান্ত্ৰিক আৰু তৃতীয় বিশ্বৰ দেশ সমূহে যিকোনো নিষেধাজ্ঞা বা অৰ্থনৈতিক বয়কটৰ প্ৰস্তাৱ তুলিছে তেতিয়াই তাৰ বিৰুদ্ধে আমেৰিকা, বৃটেইনৰ লগতে ইউৰোপৰ অন্যান্য দেশ সমূহেও মাত মাতি অহা দেখা গৈছে। যেনে— ফ্ৰান্স, পশ্চিম জাৰ্মানি, ইটালী, হলেণ্ড, বেলজিয়াম, নৰওৱে, চুইডেন তথা তেওঁলোকৰ লগত কানাডা আৰু অষ্ট্ৰেলীয়া।

ঘটনাক্ৰমে ওপৰৰ প্ৰত্যেকখন দেশৰ অধিবাসী সকল শ্বেতাঙ্গ। সেয়ে, এচিয়া, আফ্ৰিকাৰ তৃতীয় বিশ্বৰ মানুহৰ মনত এটা স্বাভাৱিক ধাৰণা দৃঢ়মূল হৈছে যে, শ্বেতাঙ্গ বুলিয়েই সেইবোৰ দেশে দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ চৰকাৰক সমৰ্থন জনাইছে। কিন্তু সত্য ঘটনা ইয়াৰ অনেক গভীৰত। ইউৰোপৰ সমাজতান্ত্ৰিক দেশবোৰৰ অধিবাসী সকলোতো শ্বেতাঙ্গ। কিন্তু তেওঁলোকে বৰ্ণ বৈষম্যবাদী দক্ষিণ আফ্ৰিকাক সমৰ্থন কৰা নাই কিয় ? আনপিনে এচিয়াৰ হংকং, মালয়েচীয়াৰ কৃষ্ণাঙ্গ, পিতাঙ্গসকলৰ চৰকাৰবোৰেও দক্ষিণ আফ্ৰিকাৰ সন্দৰ্ভত মৌন কিয় ?

এই 'কিয়'ৰ এটা সহজ উত্তৰ পোৱা গৈছে সম্প্ৰতি ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰকাশিত এখনি কিতাপত। দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ বোথা চৰকাৰৰ শক্তিৰ মূল উৎস হ'ল— ১০৬৮ টা বহুজাতিক ব্যৱসায়ী প্ৰতিষ্ঠান। যিবোৰৰ বেছি ভাগৰেই হেড্ অফিচ আছে মাৰ্কিন যুক্তৰাষ্ট্ৰ, বৃটেইন, পশ্চিম জাৰ্মানি, চুইজাৰলেণ্ড, অষ্ট্ৰেলীয়া, ফ্ৰান্স, কানাডা, চুইডেন আৰু হলেণ্ডত, ৰাষ্ট্ৰসংঘৰ ৰিপোৰ্টটিৰ মতে, দক্ষিণ আফ্ৰিকাত নিযুক্ত মুঠ পুঁজিৰ ৩৫% ই, ৪০৬ টা মাৰ্কিন বহুজাতিক কোম্পানীৰ কবলত। বেংকিং, ইঞ্জিনিয়াৰীং, তেল শিল্প, প্ৰযুক্তি বিদ্যা আৰু আনকি সমৰাস্ত্ৰ উৎপাদন তথা সৰবৰাহৰ 'দায়িত্ব' ও এওঁলোকৰ হাতত !

'৮১ পৰা এই বহুজাতিক কোম্পানীবোৰে দক্ষিণ আফ্ৰিকাত নতুন





OKDISCD

নতুন পুঁজি ঢালিবলৈ লৈছে। যোৱা '৮৩ ৰ পৰা পশ্চিম জাৰ্মানিৰ ডেম্‌-লাৰ—বেন্‌জ, বি এম ডব্লিউ, বৃটেইনৰ ৰেকিট এণ্ড কোলমেন, দাইমিচিচাইক্স, হংকং-ৰ মেককল নিটাচ ইত্যাদি পৰিচিত বিৰাট বিৰাট কোম্পানীসহ অনেকেই ইতিমধ্যেই সোমাই পৰিছে। অথচ মন কৰিব লগীয়া যে, আমেৰিকা, বৃটেইন, পশ্চিম জাৰ্মানি, ফ্ৰান্স, কানাডা, চুইডেন ইত্যাদি পোন্ধৰখন দেশে ১৯৭২-৮৩ৰ মাজত নানান আইন পাচ কৰিছে, দক্ষিণ আফ্ৰিকাৰ সৈতে ব্যৱসায় বাণিজ্য কৰাৰ বিৰুদ্ধে। আনকি ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদেও ১৯৬২ ৰ পৰা আজি পৰ্য্যন্ত চৌদ্ধটি প্ৰস্তাৱ পাচ কৰিছে দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্য নীতি তথা নামিবিয়া দখলৰ বিৰুদ্ধে। ইয়াৰ মাজত আছে (১) বন্দৰ বন্ধ, অৰ্থাৎ কোনো দেশেই দক্ষিণ আফ্ৰিকাৰ জাহাজক তেওঁলোকৰ বন্দৰত সোমাব নিদিব (২) পুঁজি বিনিয়োগ তথা ঋণদান বন্ধ, (৩) EEC, IMF কৰ্তৃক আৰ্থিক সাহায্য বন্ধ, (৪) গেট "GATT" কৰ্তৃক বাণিজ্যিক সুযোগ সুবিধা বন্ধ, (৫) বিভিন্ন দেশৰ বেঙ্ক বা অৰ্থ লগ্নী প্ৰতিষ্ঠানৰ ওপৰত নিষেধাজ্ঞা (৬) অস্ত্ৰশস্ত্ৰ বা সামৰিক উপকৰণ পঠোৱা বন্ধ আৰু (৭) বহুজাতিক কোম্পানী সমূহৰ ওপৰত নিষেধাজ্ঞা।

কিন্তু ইয়াৰ কোনোটোৱেই কাৰ্য্যকৰি হোৱা নাই। কাৰণ? আন্তৰ্জাতিক শ্ৰমসংস্থা আই-এল-ও (ILO)ৰ ডিৰেক্টৰ জেনেৰেলে দিয়া '৮৪ ৰ "বৰ্ণ বৈষম্য সংক্ৰান্ত বিশেষ ৰিপোৰ্ট"ত সম্প্ৰতি এই কাৰণটো বিচাৰি পোৱা গৈছে। সৰল সহজ ভাষাত উক্ত ৰিপোৰ্টটিত কোৱা হৈছে, বহুজাতিক কোম্পানীবোৰৰ দৃষ্টি দক্ষিণ আফ্ৰিকা তথা নামিবিয়াৰ বিপুল খনিজ সম্পদৰ ওপৰত। তদুপৰি ইয়াৰ লগতে আছে লক্ষ লক্ষ কৃষ্ণাঙ্গ শ্ৰমিক, যি পৃথিৱীৰ অন্য যিকোনো দেশৰ শ্বেতাঙ্গ শ্ৰমিক-সকলৰ সমান অধিকাৰৰ অধিকাৰী কিন্তু দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বৈষম্যবাদী চৰকাৰৰ ৰাজত্বত নূন্যতম জীয়াই থকাৰ সমলৰ পৰাও বঞ্চিত। এনেকুৱা অবাধ শোষণ, লুণ্ঠনৰ সুবিধা বহুজাতিক কোম্পানীবোৰে অইন ক'তো নাপায়। সেয়ে, সিহঁতে অনায়াসে অগ্ৰাহ্য কৰি গৈছে নিজ দেশৰ চৰকাৰৰ নিষেধাজ্ঞা, অগ্ৰাহ্য কৰি গৈছে ৰাষ্ট্ৰসংঘৰ নিষেধাজ্ঞা, অগ্ৰাহ্য কৰি গৈছে বিশ্ব জনমত, সৰ্বোপৰি বাধ্য কৰি আহিছে পশ্চিমীয়া ৰাষ্ট্ৰবোৰক সিহঁতৰ আঙুলিৰ ইঙ্গিতত চলিবলৈ, ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভেটো দি বৰ্ণ বৈষম্য বিৰোধী আন্দোলনক নাকচ কৰিবলৈ।

স্পষ্টতঃত আজি দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বিদ্বেষী নীতি আৰু নব্য-ঔপনিবেশিকবাদৰ বিৰুদ্ধে পৃথিৱীৰ জনগণৰ যিকোনে আন্দোলন পৰিচালিত হোৱা দৰকাৰ পশ্চিমীয়া ধনতান্ত্ৰিক দেশবোৰতহে,— ৰাষ্ট্ৰসংঘত, কমনওৱেলথত বা আফ্ৰিকা সংহতি সংস্থাত নহয়। পশ্চিমী দেশবোৰৰ জনসাধাৰণে যুঁজ লাগিব সেই সেই দেশৰ বহুজাতিক কোম্পানীবোৰৰ বিপক্ষে, তথা দক্ষিণ আফ্ৰিকা আৰু নামিবিয়াৰ কৃষ্ণাঙ্গ সকলৰ স্বাধীনতাৰ সপক্ষে। □


অলপতে প্ৰকাশ পাব

যমুনা শৰ্মা চৌধুৰীৰ

নতুন উপন্যাস

শিখণ্ডী



ময়ূৰ প্ৰকাশ, উলুবাৰী গুৱাহাটী-৭


OKDISCD

## "ধনী হোৱাটো পাপ নহয়" — ডেং

চীনৰ "চেণ্ট্ৰেল এড্‌ভাইজাৰী কমিছন অৱ ডা কম্যুনিষ্ট পাৰ্টিৰ" চেয়াৰমেন মিঃ ডেং-এ অলপতে চি-বি-এছ নিউজৰ লগত হোৱা এটি সাক্ষাৎকাৰত কয় যে, ধনী হোৱাটো কোনো পাপ নহয়। অৱশ্যে এখন সমাজবাদী সমাজত সম্পদৰ মালিক গোটেই সমাজখন। গতিকে ধনী হোৱাৰ অৰ্থ হ'ল গোটেই সমাজ খনেই সম্পদশালী হৈ পৰা। চীনৰ নতুন অৰ্থনৈতিক নীতিৰ সন্দৰ্ভত তেওঁ কয় যে, "ধনী সকলক বেছি ধনী হ'বলৈ তথা দুখীয়া সকলক বেছি দুখীয়া হ'বলৈ দিয়া নহব। ........নতুন বুৰ্জোৱা শ্ৰেণী এটাই ইয়াত জন্ম ল'ব নোৱাৰে কাৰণ, মিলিয়নিয়াৰ হোৱাটো ইয়াত খুব টান।" □

## ইংলণ্ডত জঁকাৰ নাটনি

উনৈশ মাহৰ আগতে ভাৰতে মানুহৰ মৰাশ ৰপ্তানী কৰাটো বন্ধ কৰি দিয়াৰ বাবে আজি ইংলণ্ডৰ মেডিকেল কলেজ সমূহত মানুহৰ জঁকাৰ বাবে এক হাঁহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইংলণ্ডৰ মৰাশ যোগান দাতা সকলে 'নতুন জঁকা'ৰ 'দাম' ক'বলৈ অস্বীকাৰ কৰিব লগীয়া হৈছে, কাৰণ 'নতুন জঁকা' প্ৰকৃতাৰ্থত নায়েই।

লেমবেথৰ চেণ্ট থমাছ হস্পিটালৰ প্ৰফেছাৰ মিহাইল ডে'-এ এই সন্দৰ্ভত কৈছে যে, "মানুহে যদি জঁকা দান কৰিবলৈ আগবাঢ়ি নাহে তেন্তে বৃটিছ চিকিৎসা বিজ্ঞানে এই পৰিস্থিতিটোৰ পৰা মুক্ত হোৱা অসম্ভৱ।" তেখেতে মৃত্যুৰ পাছত নিজৰ জঁকাটি দান কৰি যোৱাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছে। □

## পৌৰুষ, প্ৰতিবাদ আৰু পত্নী

লণ্ডনৰ কাষৰ লিটল ৰাইমণ্ডলী নামৰ গাওঁ এখনত, স্থানীয় ৰাস্তা-ঘাট সন্দৰ্ভৰ এটি 'প্ৰতিবাদ মিছিল'ত যাতে সেই গাৱঁৰ পুৰুষ সকলে সুন্দৰ স্বাস্থ্য এটি লৈ যোগদান কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈ তেওঁলোকৰ পত্নীয়ে পাঁচদিনৰ বাবে তেওঁলোকক যৌন পৰিতৃপ্তিৰ পৰা বঞ্চিত কৰি ৰাখিছিল। লগতে এইটোও বন্দৱস্ত কৰা হৈছিল যে যি সকল স্বামীয়ে সেই কেইদিনত তেওঁৰ পত্নীৰে সৈতে যৌন মিলনৰত হ'ব তেওঁলোকে 'প্ৰতিবাদ মিছিল'ত এটি ৰঙা টি-চাৰ্ট পিন্ধি যাব লাগিব। যিদিনাখন মিছিলটো গৈছিল সেই দিনাখন মুঠ এঘাৰ জন পুৰুষক ৰঙা টি-চাৰ্ট পিন্ধা দেখা গ'ল। সেই গাওঁৰে ২০ বছৰীয়া মিছেছ বেভাৰলী ৰাটকিন্‌চৰ বক্তব্য, "মই বিয়া কৰোৱা মাত্ৰ দুই সপ্তাহহে হৈছে —২৪ ঘণ্টা আমি ধৈৰ্য্য ধৰি থাকিব পাৰিছিলো তাৰপিছত আৰু নোৱাৰিলো...। যি নহওক আমাৰ সান্তনা এইটোৱেই যে মিছিলত ৰঙা টি-চাৰ্ট পৰিহিত আৰু বেলেগ পুৰুষো আছিল।" □

## অত্যাচাৰী টেলিফোন

জাপানৰ অ'ডাৱা চহৰত এটি নিৰ্মাণ সংস্থা ( Construction Company) ৰ সভাপতি জনৰ ঘৰলৈ সাঁত বছৰত, একলাখ ৰাৰো অধিকবাৰ টেলিফোন কৰাৰ অপৰাধত এজন পঞ্চাচ বছৰীয়া ভদ্ৰলোকক পুলিচে গ্ৰেপ্তাৰ কৰে। এইদৰে সঘনাই কৰা টেলিফোনৰ প্ৰতাপত সভাপতি জনৰ পত্নী গৰাকীয়ে মানসিক স্থিৰতা হেৰুৱাই পেলায় আৰু শেষলৈ তেওঁৰ পাকস্থলীত ঘাঁ (Stomach ulcer) হয়।

এই সন্দৰ্ভত পুলিচে কয় যে ফোন কৰা মানুহ জনে উক্ত নিৰ্মাণ সংস্থাটোক সাঁত বছৰৰ আগতে এটি ৰাম বনাবলৈ অৰ্ডাৰ দিছিল। কিন্তু সেই নিৰ্মাণ সংস্থাটোৱে বনোৱা ৰামটোত ব্যক্তি জন অসন্তুষ্ট হয়। তেতিয়াৰ পৰাই তেওঁ প্ৰত্যেক দিনেই এই সভাপতি জনৰ ঘৰলৈ ফোন কৰিবলৈ লয়। প্ৰত্যেক বাৰেই ফোন কৰোতে যেতিয়া কোনোবাই ফোনটো ধৰে, তেওঁ অলপ সময় একো নোকোৱাকৈয়েই থাকি পাছত থৈ পুনৰ ফোন কৰে। এদিনত এইদৰে উক্ত ব্যক্তি জনে চাৰিশ বাৰলৈকে সভাপতি জনৰ ঘৰলৈ ফোন কৰিছিল। অৱশেষত পুলিচে ঘটনাটো ধৰা পেলাই ব্যক্তি জনক গ্ৰেপ্তাৰ কৰে। □

সংকলন : ৰাজেশ শৰ্মা


# অন্য এক নিৰৱ শিল্পীৰ জীৱন যাত্ৰা

১৯২৫ চন। ডিব্ৰুগড় গভৰ্ণমেণ্ট হাইস্কুলত ছবি অঁকা প্ৰতিযোগিতা। সেই কালৰ স্কুলৰ প্ৰধান শিক্ষক ৺ভৰত চন্দ্ৰ চলিহা দেৱৰ তত্বাবধানত আৰু কলিকতাৰ গৱৰ্ণমেণ্ট আৰ্ট স্কুলৰ পৰা তেতিয়াৰ দিনতে স্নাতক উপাধি লাভ কৰি অহা, সেই স্কুলৰেই ড্ৰইংৰ শিক্ষক ৺সুৰেন্দ্ৰ নাথ বৰদলৈৰ আন্তৰিক প্ৰচেষ্টাত ছাত্ৰৰ মাজত ছবি অঁকাৰ ধাউতি বঢ়াবলৈ এই প্ৰতিযোগিতা বছৰি পাতিবলৈ লোৱা সিদ্ধান্তমতেই পতা হয়। প্ৰথমবাৰৰ বাবে পতা এই প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা খুব কম আছিল। প্ৰতিযোগীসকলক স্কুলৰেই এটি কোঠালীত ছবি আঁকিবলৈ দিয়া হৈছিল। প্ৰতিযোগীসকলৰ বাহিৰে আন ছাত্ৰক সেই কোঠালীৰ ওচৰে পাজৰে থাকিবলৈ দিয়া নহৈছিল। সেই বছৰেই সেই স্কুলত ভৰ্ত্তি হোৱা এটি অকণমানি শিশুৱে মনে মনে গৈ দুৱাৰৰ আইনাৰ মাজেদি কোঠালীটোত কিনো হৈছে চাবলৈ যত্ন কৰিছিল। কোঠালীটোৰ বেৰত আৰি থোৱা ডাঙৰ ব্লেকবৰ্ড খনত বগা চক্ পেনচিলেৰে লিখা আছিল—ছবি অঁকাৰ নিৰ্দ্দিষ্ট বিষয়—"খেজুৰি গছৰ সৈতে নৈৰ দৃশ্য।" আৰু তাকেই কেইজনমান ছাত্ৰই মগ্ন হৈ আঁকি থকা দৃশ্যই কণমানি শিশুটিৰ মনত ব্যক্ত কৰিব নোৱাৰা কৌতুহলৰ সৃষ্টি কৰে। তাৰ পিচৰেপৰা সেই কণমানি শিশুটিয়ে কৰবাত কেতিয়াবা যিকোনো ছবি, ড্ৰইং বা ফটোগ্ৰাফ দেখিলে নিজেই নজনাকৈ কেইটামান মুহূৰ্তৰ বাবে প্ৰাণভৰি চোৱাত মগ্ন হৈ পৰে। আৰু সেই কম বয়সতেই নিজেও আঁকিবলৈ চেষ্টাচলায়। এদিনাখন ইলাষ্ট্ৰেটেড উইক্লিত প্ৰকাশিত কপৌচৰাই এহালৰ ফটোগ্ৰাফ এখন ডাঙৰকৈ পেন-চিলেৰে আঁকি ভয়ে ভয়ে স্কুলৰ ড্ৰইং শিক্ষক ৺সুৰেন্দ্ৰ নাথ বৰদলৈ চাৰক দেখুৱাবলৈ লৈ গ'ল। পিছে ল'ৰাজনে ভয় কৰা মতে তেখেতে গালি শপনি নাপাৰি ল'ৰাজনৰ হাতৰ পৰা পেন্চিল আৰু ৰবৰ টুকুৰা লৈ ঠায়ে ঠায়ে অলপ উজলাই আৰু শুদ্ধ কৰি দিলত ছবিখন ধুনীয়া হৈ পৰিল।

"তুমি পাৰিবা, ছবিত বেচিকৈ নঘঁহিবা। তোমাৰ পেন্-চিল ডাল হাৰ্ড, তোমাক এনে ছবিৰ কাৰণে চফত্ পেন চিল লাগে। মই কলিকতাৰ এটা ঠিকনা তোমাক দিম, তুমি তাৰ পৰা কেইডাল মান কোমল পেন্চিল আৰু কোমল ৰবৰ অনাই লবা। অহাবাৰলৈ তুমিও ছবি অঁকা প্ৰতিযোগিতাত যোগ দিবা আৰু এইখন ছবি স্কুলৰ অভিভাৱকৰ সন্মিলনত প্ৰদৰ্শন কৰা হব।" লৰাজন এক বেলেগ অনুপ্ৰেৰণাত অনুপ্ৰানিত হ'ল; আগপিছ নাভাবি কলিকতালৈ অৰ্ডাৰ দি দিলে। কিছুদিন পিছতে ল'ৰাজনৰ নামত স্কুলৰ ঠিকনাত এটা ভি, পি পাৰ্চেল



OKDISCD



আছিল। দহ টকাৰ। তেতিয়াৰ দিনত দহ টকা বহুত টকা। ল'ৰাজন চিন্তাত পৰিল। দেউতাক শিক্ষক, লগতে তেখেতৰ এখন কিতাপৰ দোকানো আছিল। শেষত ল'ৰা জনে ঘৰত গম নোপোৱাকৈ দেউতাকৰ দোকানৰ কেচ্ বাকচৰপৰাই দহ টকালৈ পাৰ্চেলটো মুকলি কৰিলে। ইয়াতে চিন্তাৰ জানো শেষ হ'ল, গধুলি কেচ্ নিমিলিলে দেউতাকে চিঞৰ বাখৰ কৰিব। গতিকে কেচ্ বহীটো খুলি খৰচৰ ফালে দহৰ ঘৰত এক এটা বঢ়াই দিলে। হিচাপ মিলি থাকিল।

দ্বিতীয় বছৰতো স্কুলত প্ৰথম বাৰৰ দৰে ছবি অঁকা প্ৰতিযোগিতা পতা হৈছিল। এইবাৰো লৰাজনে অংশ ললে। ছবিৰ বিষয় আছিল, পানী ৰঙেৰে ফলমূলৰ এখন স্থিৰ চিত্ৰ অঁকা। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰৰ কাৰণে নিৰ্ব্বাচিত হ'ল ল'ৰাজনে অঁকা চিত্ৰখন। এইয়া যেন ল'ৰাজনৰ অনুপ্ৰেৰণাৰ আন এক পদক্ষেপ। ল'ৰাজনে সুকুমাৰ কলাৰ সাধনাৰ ব্ৰতত নিজকে আত্মনিয়োগ কৰিলে। ১৯৩১ চন। কলিকতা ইউনিভাৰচিটি ইনষ্টিটিউটত এখন চিত্ৰ প্ৰতিযোগিতাত ল'ৰাজনে অঁকা "দোজিং ফেলো" ছবিখনে ৰূপৰ পদক লাভ কৰে। সেই একে প্ৰতিযোগিতাতে সেই একে স্কুলৰে আন এজন ছাত্ৰ শ্ৰীতৰুণ দুৱৰাই সোন খতোৱা ৰূপৰ পদক লাভ কৰে। স্কুলৰ বাবে আনন্দ আৰু গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ দুজনক উৎসাহিত কৰিবলৈ তেতিয়াৰ ডেপুটি কমিচনাৰ মিঃ এ. জি. পেটনে এদিনৰ কাৰণে স্কুল বন্ধ দিয়ে। ১৯৩৩ চনত ল'ৰা জনে মেট্ৰিক পাচ কৰে। কলিকতা আৰ্টস্কুলত ভৰ্ত্তি হোৱাৰ ইচ্ছা থকা স্বত্বেও জীৱিকা অৰ্জনৰ ক্ষেত্ৰত লাভবান নহব বুলি দিয়া বুজনিত অনিচ্ছা স্বত্বেও গুৱাহাটীৰ কটন কলেজত ভৰ্ত্তি হয়। আৰু কলেজত সৰস্বতী পূজাত ছবি অঁকা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাবে ৺দিবাকৰ গোস্বামীয়ে দিয়া ৰূপৰ পদক লাভ কৰে আৰু এইদৰে পঢ়াৰ লগতে সুকুমাৰ কলা চৰ্চ্চাত ব্ৰতী হয়। সেই সময়তে ল'ৰাজনৰ দেউতাক ঢুকায় আৰু নানা ধৰণৰ বেমেজালিৰ কাৰণে আই. এ. পৰীক্ষাতে পঢ়াশুনা শেষ কৰিব লগাত পৰিল। তথাপি কিন্তু ছবি অঁকাৰ ধাউতিয়ে ল'ৰাজনৰ পাচ এৰা নাছিল। ১৯৩৬ চনত কলিকতাৰ Government school of Artত -(বৰ্ত্তমান Govt. college of Art and crafts) যোগ দিয়ে আৰু চালুকিয়া অৱস্থাৰ আশা আকাংক্ষাক স্থায়ী ৰূপত গঢ় দিবলৈ প্ৰতিজ্ঞা লয়। পিচে ১৯৩৯ চনত দ্বিতীয় মহাযুদ্ধৰ বাবে সকলো শিক্ষা অনুষ্ঠান বন্ধ হৈ পৰাত ১৯৪৫ চনত তেখেতে কৃতিত্বৰে শিক্ষা সমাপ্ত কৰে। এই সময় চোৱাত তেওঁ অঁকা আন কেবাখনো গ্ৰাফিক মাধ্যমৰ চিত্ৰ কেবাজনো বিদেশী পৰ্য্যটকে আদৰেৰে কলিকতাতে কিনে।

(বাকী ছোৱা ৩৬ পৃষ্ঠাত)

OKDISCD

# খোজ কাঢ়ি – গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ ৭৪ ঘণ্টা ১১ মিনিটত

এচিয়াড বা অলিম্পিক গেমছত বেগাই খোজ কঢ়া প্ৰতিযোগিতাৰ দূৰত্ব কিমান ? ২০ কিঃ মিঃ দূৰত্ব অতিক্ৰম কৰি ভাৰতৰ এজন প্ৰতিযোগীয়ে '৮২ৰ এচিয়াডত স্বৰ্ণপদক পোৱাৰ কথা আমি জানো। ১৯৩৭ চনত অসমৰ এক প্ৰতিযোগিতাত এজন প্ৰতিযোগীয়ে গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ ৭৪ ঘণ্টা ১১ মিনিটত অতিক্ৰম কৰিছিল। ইয়াত সেইজন প্ৰতিযোগী শ্ৰীতাৰা প্ৰসাদ হাজৰিকাই তেওঁৰ জীৱনৰ এই স্বৰ্ণময় ঘটনাৰ ৰোমন্থণ কৰিছে।



মই সাধাৰণতে জীৱনত এটা বস্তুত আনতকৈ অলপ বেছি আগ বাঢ়িছো। সেইটো হ'ল খোজকঢ়া। খোজকাঢ়ি মই ১৯৩৭ত গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ প্ৰথম হৈছো। সেই খোজকঢ়া প্ৰতিযোগীতা পাতিছিল Assam Olympic Gamesএ, দ্বিতীয় বাৰ হৈছে ডিব্ৰুগড়ত। তাৰ সভাপতি আছিল চন্দ্ৰধৰ বৰুৱা।

এতিয়া কথাটো হ'ল কি সাধাৰণতে আপোনালোকে প্ৰশ্ন কৰিব—আপুনি খোজকঢ়াৰ কাৰণে কেনেকৈ আকৰ্ষিত হ'ল। স্বভাৱতেই সেইটো হ'লো। মোক সৰুৰ পৰা অসাধাৰণ কথাই বেছি আকৰ্ষণ কৰিছিল। মোৰ ঘৰ গাওঁত—গাঁৱৰ পৰা town-লৈ খোজ কাঢ়িব লাগে। আৰু খোজ কাঢ়ি অহা-যোৱা কৰিব লাগে, খোজ কঢ়া এটা অভ্যাস হৈ গ'ল। খোজ কঢ়াটো দেখিলো, এইটোৱে এটা মোৰ মনত আগ্ৰহ। ধৰক গন্তব্য স্থান এটা ঠিক কৰি লৈছো ক'ৰবালৈ যাম বুলি। তেতিয়া—মোৰ মনটো এনেকুৱা হয় যে গন্তব্য স্থানটো সোনকালে পাবলৈ মোৰ মনটোৱে সদায় আগ্ৰহ কৰে। ইয়াৰ পৰা ধৰা মই জালুকবাৰীলৈ খোজ কাঢ়ি যাব লাগে, যাবলৈ ইচ্ছা আৰু সোনকালে পাবলৈ মোৰ ইচ্ছা হয় যেন খোজতকৈ বেচি আগবাঢ়ি যাম। মনটো তেনেকুৱা এটা হয়। কটন কলেজলৈ আহি দেখিলো তাত ল'ৰাবোৰৰ লগত যেতিয়া খোজ কাঢ়ি যাওঁ তেতিয়া মই আগ বাঢ়ি যাওঁ। লগৰ ল'ৰা বিলাকে ঠাট্টা কৰে যে হাজৰিকা ক'ৰবালৈ যুদ্ধ কৰিবলৈ যায় নেকি ? তেতিয়া আকৌ বৈ যাওঁ। অলপ পিচত আকৌ তেনেকুৱা হৈ যায়। তেতিয়া মই দেখিলো যে মোৰ খোজ কঢ়া অভ্যাস এটা আছে। ক্লাছ টেনলৈ প্ৰম'চন পাই শুনিছিলো যে walking Competition আৰম্ভ হৈছে। মই প'ষ্ট মাষ্টৰক কলো যে মোৰ নাম দিব লাগে।

মই গুৱাহাটীলৈ আহিলো। আহি হৰেণ বৰুৱা (প্ৰবীণ সাহিত্যিক, সাংবাদিক)ৰ ঘৰত ৰাতি আছোহি। মই আৰু মোৰ class friend ক্ষীৰ গগৈ। ৰাতিপুৱা ৫ মান বজাত court অলৈ আহিলো, তাত ডঃ ভুবনেশ্বৰ বৰুৱাই আমাক পৰীক্ষা কৰি চালে। মাণিক দাস Assam Chemicalৰ তেওঁ আমাক সোধ পোচ ল'লে। চাৰে



OKD CD

পাঁচ বজাত আমি গুৱাহাটী courtৰ পৰা আৰম্ভ কৰিলো। সেইটো এটা বিৰাট অভিজ্ঞতা। আমাৰ খোজ কঢ়া প্ৰথম পাৰ্টিটো batch by batch scouting, কটন কলেজৰ scout বিলাকক Rovers বোলা হয়, Rovers বিলাকে আমাক escort কৰি সহায় কৰিছিল। আমাক গাৰ্ড দি গৈছিল। প্ৰথম batch ত প্ৰভাকৰ বৰুৱা (retired chief conservator of Forests) আহিছিল। তেওঁ মোক খোৱা-বোৱাত সহায় কৰিছিল আৰু অকল শৰীয়াকৈ পালে খুব উৎসাহিত কৰি কৈছিল— হাজৰিকা তুমি জয়যুক্ত হ'বাই, মনত যাৰ বল বেছি তেওঁৱেই জয়ী হয়। Where there is a will, there is a way, বাৰে বাৰে কয়—সেইটোৱে মোক মনত বিশ্বাস জন্মাইছিল। ইয়াতে interesting কথা এটা আছে। কুঠৰীত কিছুমান teacher এ camp কৰিছিল। এজন teacher নামবৰ হাবিৰে গৈ আছিল; তেওঁৰ চাইকেল আছিল। মই আগবঢ়াই লৈ গৈ আছো। চাৰিও ফালে হাবি। কেঁচা মাটিত বাঘ আৰু হাতীৰ খোজ। খোজ দেখি দেখি গৈ আছো আৰু। অলপ দূৰ গৈ চাও যে শিক্ষক জন নাই। মই ভগৱানক বিশ্বাস কৰো। মই প্ৰাৰ্থনা কৰো যে —প্ৰভু আমি এটা সৎ কামলৈ আহিলো। সহায় কৰিবা। জংঘল টুকুৰা পাৰ হৈ গলো। পাৰ হোৱাত ঘুৰি চাওঁ যে সেই শিক্ষক জন আহি ওলাইছে। তেওঁ মোলৈ চাই লাজুকীয়া হাঁহি এটা মাৰিলে। লাজ কৰিছে নে নাই ক'ব নোৱাৰো। কলে যে মোৰ চাইকেলখন বেয়া হৈছিল। ৰাস্টাতে পোৱা শিক্ষকৰ Campলৈ গৈছিলো তাত যে, ইমান ভাল ব্যৱহাৰ পাইছিলো। এনেদৰে গৈ গৈ তিনিচুকীয়া পালো। তিনিচুকীয়াৰ পৰা গলো ডিব্ৰুগড়লৈ য'ত Assam Olympic Gamesহৈছিল। মই first হ'লো, ক্ষীৰ গগৈ 2nd হ'ল। তেওঁ first হ'ব নোৱাৰিলে। আৰু এটা ল'ৰা আছিলে— মেছ (উপাধি) নামটো পাহৰি গ'লো, তেওঁ জাগীৰোডৰ পৰা যাব নোৱাৰিলে। মেছ ডিব্ৰুগড়ৰ ল'ৰা আছিল। ক্ষীৰ গগৈ হ'ল কেশৰ গগৈৰ ককায়েক। তেওঁ এতিয়াও আছে।

Competition শেষ হোৱাৰ পাচত মোক ডাক্তৰে পৰীক্ষা কৰি চালে, চাই চব থিকেই পালে যদিও ভাল যত্ন নোলোৱাৰ বাবেই নেকি জ্বৰ হ'ল—তিনি মাহ ধৰি। পিচত ভাল পালেও যথেষ্ট weak, পৰীক্ষা দিব নিদিয়ে। হেড মাষ্টৰক জোৰ কৰি পৰীক্ষা দিলো, testত allow হ'লো, মেট্ৰিকতো ভাল ধৰণে পাছ কৰিলো। কিন্তু কথা হ'ল কি— মোৰ বৰ্ত্তমান বয়স ৭০ বছৰ হৈছে। এই Competition টোৰ পৰা মই কি পালো বা কি নাপালো। সঁচাই-মিচাই আনে কৰিব নোৱাৰা কিবা এটা মই কৰিলো। তাৰ এটা উৎসাহ থাকে। কিন্তু মোৰ এতিয়া স্বাস্থ্য বৰ ভাল নহয়, মই যথেষ্ট দুৰ্বল। সেই Competitionটোৰ পিচত মই উন্নত ঠাইত থকা হ'লে, ভালকৈ চিকিৎসা লোৱা হ'লে, ভাল যত্ন লোৱা হ'লে আজি মোৰ এইটো অৱস্থা নহ'লহেঁতেন বুলি মই ভাবো। কিন্তু মোৰ বেয়া লাগে যে সেইটোৱে (Competition) মোৰ আজিও জীৱনত এটা বাধাৰ সৃষ্টি কৰি আছে।

আমি ৰাতিপুৱা চাৰে ৫টাৰ পৰা আবেলি চাৰে ৬ টালৈ খোজ কাঢ়িছিলো। মাজতে এঘণ্টা stopage— ভাত খাবৰ কাৰণে। তিনিচুকীয়া পাবলৈ সময় লাগিছিল ৭৪ ঘণ্টা ১১ মিনিট। আগতে হৈ যোৱা অলিম্পিক গেমচৰ ৰেকৰ্ডটো মই ভংগ কৰিছিলা।

আগতে মই যি অভাব পাইছিলো, সেইটো আজিকালি নাই। আজি কালি Competition পাতিলে যথেষ্ট সাৱধানতা অৱলম্বন কৰে। ক'ত কি লাগে নালাগে সকলোবোৰ আয়োজন কৰিহে এনেকুৱা Competition পাতে। যিটোৰ আমাৰ timeত অভাব আছিল।

Escort গোটেই ৰাস্তাত দিছে কিন্তু batch by batch, relay কৰি। ধৰা গুৱাহাটীৰ batch টোৱে ধৰমতুললৈ, আকৌ জাগিৰোডৰ পৰা বেলেগ এটা batch আহিল এই ৰকমে। escort দিয়া সকলে camp আদি কৰিছিল— কোনো অসুবিধা পোৱা নাছিল। □

# স্খলিত যুৱ মানসিকতা ঃ আৰোপিত অভিযোগৰ আঁৰত

**ভৱিষ্যতৰ পৃথিৱীখন গঢ়াৰ ভাৰ যুৱকসকলৰেই যেতিয়া তেওঁলোকক অশালীনতা, উশৃঙ্খলতা, অশ্লীলতাৰ দোষত 'দোষী' কৰি— আমাৰ প্ৰবীন চামে কিমান দিন যুৱসমাজৰ লগত নিজকে বিচ্ছিন্ন কৰি ৰাখিব ?**

বয়সীয়াল লোকসকলে কয়, আজিকালিৰ ল'ৰাবোৰৰ শালিনতা-বোধ নাই, ল'ৰাবোৰ উশৃংখল, ডাঙৰক সন্মান নকৰে— অবাইচ মাত মাতে ; আৰু যে কত কি অভিযোগ ! আজিৰ পৰা দুহেজাৰ চাৰিশ বছৰ আগতে দাৰ্শনিক চক্ৰেটিচেও ডেকা চামটোৰ ওপৰত ঠিক একে অভিযোগেই কৰিছিল । এই অভিযোগ আৰু কৰিছিল চক্ৰেটিচৰো ৩০০ মান বছৰ আগতেই অৰ্থাৎ ৭০০ খৃষ্টপূৰ্বত গ্ৰীক কবি হেচিয়ডে । সেই সময়ৰ ডেকা ল'ৰাৰ প্ৰতি হেচিয়ড সন্তুষ্ট নাছিল আৰু তেওঁ সন্দেহ প্ৰকাশ কৰিছিল যে এইচাম ডেকাৰ হাঁতত শাসন ভাৰ যেতিয়া পৰিব দেশ ৰসাতলে যাব । বয়সীয়াল সকলে ডেকা চামক অভিযোগ কৰাৰ ঘটনাটো সেই পুৰণি কালৰ পৰাই চলি আহিছে— যেন ই এটা পৰম্পৰাহে । সঁচাকৈয়ে ই এটা মাত্ৰ পৰম্পৰা নেকি ? উদণ্ড বুলি নাম থকা ২০ বছৰীয়া ল'ৰা এটাক এই কথাটো সোধাত কলে— এই বুঢ়াবোৰক কোনেও পাত্তা নিদিয়ে কাৰণেই এইবোৰ বলকি থাকে । কিন্তু যুব সমাজৰ বাঢ়ি অহা উশৃংখলতা অশালিনতাৰ বিষয়ে চিন্তাশীল সকলেও বৰ্ত্তমান মনোযোগ দিছে । ১৯৮৫ চনটো ৰাষ্ট্ৰসংঘই আন্তঃৰাষ্ট্ৰীয় যুব বৰ্ষ ৰূপে ঘোষণা কৰিছিল আৰু সেই উপলক্ষতেই পৃথিবীৰ বিভিন্ন দেশত যুবসমাজৰ ওপৰত নানান সমীক্ষা চলিছিল । এনে এটা সমীক্ষাৰ মতে আমেৰিকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সংঘটিত অপৰাধৰ সংখ্যা ভয়ানক ভাবে বছৰি বাঢ়ি গৈ আছে । সমীক্ষাটোত ১৯৭৫ চনৰ পৰা ১৯৮৫ চনলৈ কালছোৱাত সংঘটিত অপৰাধ সমূহ বিশ্লেষণ কৰি দেখা গৈছে, উক্ত সময়চোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সংঘটিত বলাৎকাৰৰ ঘটনা বাঢ়িছে ৪০ শতাংশ হাৰত, ডকাইটি বাঢ়িছে ৩৭ শতাংশ হাৰত, শিক্ষকক দুৰ্ব্যৱহাৰ কৰাৰ ঘটনা বাঢ়িছে ৭৭ শতাংশ হাৰত । একেধৰণৰ সমীক্ষা আন কেইখনমান উন্নত পুঁজিবাদী দেশত চলায় দেখা গৈছে যে যুব সমাজৰ উশৃংখলতা ভয়ানক ভাবে বাঢ়িছে, আনকি বহুতে এই বৰ্ধিত প্ৰবণতাটোক বিশ্বজোৰা পৰিঘটনা বুলিও অভিহিত কৰিছে ।

উন্নত পুঁজিবাদী দেশবোৰৰ তুলনাত ভাৰতৰ যুব সমাজ বহু ক্ষেত্ৰত 'সুবিধাজনক' স্থিতিত আছে । আৰু ভাৰতৰ লগত তুলনাত অসমৰ যুব সমাজৰ অশালিনতা আৰু উশৃংখলতাৰ ছবিখন তন্ততঃ আমেৰিকাৰ দৰে ভয়ানক নহয় । তথাপিও অসমৰ বৰ্ত্তমানৰ যুব সমাজ তুলনা মূলক ভাবে আগৰ চাম ডেকাতকৈ উশৃংখল আৰু অশালিন বুলি পুৰণিচামৰ মানুহে যথেষ্ট জোৰ দি কয় । এগৰাকী প্ৰৌঢ় ব্যক্তিয়ে আমাৰ এক প্ৰশ্নৰ উত্তৰত কৈছিল ঃ অশালিনতা উশৃংখলতা ডেকা চামৰ মাজত বাঢ়িছে তাত কোনো সন্দেহ নাই, কিন্তু যুব সমাজ নিজে ইয়াৰ বাবে দায়ী নহয় । বৰ্ত্তমানৰ আৰ্থ-সামাজিক ব্যৱস্থাই যুব সমাজক উশৃংখলতাৰ বাটলৈ টানি নিছে । তেখেতে এটা নিজস্ব অভিজ্ঞতা ক'লে ! তেখেত থকা ঠাইৰ কিছু আঁতৰৰ তিনিআলি এটাত কেইটামান ১৮-২০ বছৰীয়া ল'ৰাই সদায় আড্ডা মাৰে । এদিন তেওঁ দেখিলে নতুনকৈ অহা মানুহ এজনে তিনিআলিৰ ল'ৰাজাকক কাৰোবাৰ ঘৰৰ কথা শুধিছে, এজন ল'ৰাই মানুহজনক কৈছে— "এইফালে ঘৰটো" আন এজনে সম্পূৰ্ণ বিপৰীত ফালে দেখুৱাই কৈছে "এইফালে" ঘটনাটোত মানুহজন দোধোৰ মোধোৰত পৰিল আৰু সেমেনা-সেমেনি কৰি আঁতৰি গ'ল । ল'ৰাজাকে

OKDISCD



ঘটনাটোত বেছ মজা পালে। সেই সময়তে ঘটনাটো লক্ষ্য কৰি থকা ব্যক্তিজনে চিনাকি ল'ৰাৰ জাকটোক সুধিলে, মানুহজনক তেনেকৈ কৰিলি কিয় ? এটা ল'ৰাই উত্তৰ দিলে "এনেই, ভাল লাগে"। এতিয়া এই প্ৰৌঢ় ব্যক্তি জনৰ মতে ঘটনাটোৰ বাবে ল'ৰাখিনিক দায়ী কৰিব পাৰি আৰু অভদ্ৰ বুলি কব পাৰি। কিন্তু আচল কথা হৈছে মানবিয় মূল্যবোধৰ অবক্ষয়, ঘৰ বিচাৰি অহা মানুহজনৰ প্ৰতি ল'ৰাজাকে কোনো সহানুভুতি অনুভব নকৰিলে। কাৰণ সিহঁত নিজেই ডাঙৰ হৈছে এক সহানুভুতিহীন, কঠুৱা পৃথিবীত।

১৯১০ চনত পৃথিবীখন যিটো গতিত আগবাঢ়িছিল ১৯৫০ চনত সেই গতি বহু বাঢ়ি গ'ল আৰু ১৯৮০ত সেই গতি এক সাংঘাটিক তীব্ৰ গতিত পৰিণত হ'ল। '৭০ৰ গুৱাহাটীখন আৰু '৮৬ৰ গুৱাহাটীখন একে জানো ? আজি যুব সমাজো গতিশীল, কোনোবাই নাজানিব পাৰে গতি কোনফালে সকলো পিনে তীব্ৰ 'প্ৰতিযোগিতা'। আজিৰ যুৱকৰ আগৰ চামৰ ধীৰ স্থিৰ আৰু সমাহিত ব্যক্তিত্ব নাই— তেতিয়াৰ তেনে পৰিবেশো নাই। এতিয়াৰ পৃথিবীখন তীব্ৰ বেগেৰে আগবাঢ়ি গৈছে। এই সকলৰ লগত যেতিয়াই আমাৰ যুব সম্প্ৰদায়টোৱে আগবাঢ়ি যাব খুজিছে— তেতিয়াই দেশৰ দুৰ্বল আৰ্থ সামাজিক ব্যৱস্থা বাধাৰ প্ৰাচীৰ হৈ থিয় দিছে। গতিকে সংঘাত আহিছে, সময়ে গতিশীল কৰি তোলা যুব সমাজৰ মনৰ গতিশীলতাক, প্ৰকৃত বাটেৰে গঠনমূলক কামত খটুৱাব পৰা হোৱা নাই—ফলত যুব সমাজৰ বৃহৎ পৰিমানৰ শক্তিখিনিৰ প্ৰকাশ ঘটিছে উশৃংখলতাত, উদ্ভ্ৰাণ্টিত অহৈতুক হুলস্থুলত যি হুলস্থুল বৰ্ত্তমান আমাৰ সমাজৰ দৃষ্টিত অশালীন বুলি বিবেচিত হৈছে। আমি লগ পোৱা বহু যুৱকৰ কথাত এইখিনিকেই আমি উপলব্ধি কৰিলো। এজন যুৱকে যথেস্ট উস্মাৰে আমাক প্ৰশ্ন কৰিছিল —চৰকাৰৰ বিভিন্ন বিভাগত যে ৰাজহুৱা টকাৰ কোটিৰ হিচাপত আত্মসাৎ হৈ আছে— সেয়া অশালিন নহয়নে ? এজন চৰকাৰি বিষয়াই পুতেকৰ বয়সৰ ডেকাৰ পৰা ঘোচ খোৱাটো অশ্লীল নহয় নেকি ? ৰাজনীতিৰ নামত দেশত যিবোৰ হৈ আছে সেইবোৰ কি ? সভ্যতা ৰাহিৰত দেখুৱাবলৈ পিন্ধা এখন মুখা নেকি ? এই যুৱকজনৰ দৰে বহু যুৱকৰ অন্তৰত বহুত ক্ষোভ বহুত বিদ্বেশ পুঞ্জিভুত হৈ আছে কিন্তু প্ৰতিকাৰৰ কোনো বাট তেওঁলোকে দেখা নাই— অন্ততঃ বৰ্ত্তমান সময়ত। সেয়েহে এই ক্ষোভে, এই বিদ্বেষে প্ৰকাশ লাভ কৰে ভুল বাটেৰে।

এগৰাকী ৫০ৰ দেওনা পাৰ হোৱা ব্যক্তিয়ে কয়— অমুক অমুকৰ ল'ৰা কেইটাইটো অমুক অমুকৰ দৰে অশালিন নহয়, উদণ্ড নহয়, পঢ়াশুনা কৰে, ৰিজাল্ট ভাল, আচল কথা হ'ল অভিভাৱকৰ শাসন। ল'ৰাই পঢ়া শুনা কৰিব লাগে, নিজৰ জীৱন বিলাক গঢ়িব লাগে কিন্তু পঢ়া শুনা কৰি ল'ৰাই নিজৰ জীৱন গঢ়িব পাৰিছে জানো ? হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰতি বছৰে গড়ে ৭৫ শতাংশ ল'ৰা অকৃত কাৰ্য্য হোৱাৰ পিছটো আৰু অন্যান্য পৰীক্ষাতো খুব বেচি ৪০ শতাংশ ল'ৰাই কৃতকাৰ্য্য হোৱাৰ পিছতো অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা ৬ লাখৰো বেচি, আৰু আমাৰ শিক্ষা ব্যৱস্থা ?

OKDISCD

সেয়া আন এক প্ৰসঙ্গ। অভিভাৱকক্ষ ভাল হলেই, ঘৰৰ পৰিবেশো বাহ্যিক ৰূপত ভাল হলেই ল'ৰা এটা 'ভাল' হব পাৰেনে? আজিৰ ল'ৰাই চিনেমাৰ sex, violence, দেশৰ ৰাজনীতিৰ কদৰ্য্যতা কৃত্ৰিম উপগ্ৰহ, বিশ্বকাপ ফুটবল, আনৱিক যুদ্ধৰ বিভিষিকা, বৰ্ণ বিদ্বেষ, দেহাটোৰ ভাজ ওলোৱাকৈ কাপোৰ পিন্ধা ছোৱালীজনীলৈ সকলোবোৰে কথা জানে, এই গণ সংযোগৰ যুগত ল'ৰাক সৰু কালৰ পৰাই বেয়াখিনিৰ পৰা বিচ্ছিন্ন কৰি ৰাখি ভাল ভদ্ৰ শালিনতাবোধ সম্পন্ন কৰি গঢ়ি তুলিলে তেওঁলোক ক্লীব হ'ব নালাগিবনে?

যুৱসমাজৰ অশালিনতা, উশৃংখলতাৰ কথা কৈ আছো যদিও আমাৰ সমাজত যুৱতী বা কিশোৰী সকল কিন্তু সামাজিক অভিযোগৰ পৰা সাধাৰণ ভাৱে মুক্ত। কিয়? একেটা সমাজ ব্যৱস্থাই যদি যুৱক বা কিশোৰক উশৃংখলতালৈ ঠেলি দিছে তেন্তে যুৱতী সকলৰ ক্ষেত্ৰত সেয়া নহ'ল কিয়? কাৰণ অন্য নহয় আমাৰ সমাজ ব্যৱস্থা। আমাৰ পুৰুষ প্ৰধান সমাজ খনত, ছোৱালীবোৰে "আমি ছোৱালী" এই কথাটোত অত্যন্ত সচেতন হৈ থাকিব লাগে। যুৱতী কিশোৰীৰ আশা আকাঙ্ক্ষা, নিজস্ব মত সমাজ ব্যৱস্থাটোৱে হেঁচা মাৰি সুপ্ত অৱস্থাত ৰাখি থয়। সেয়েহে ছোৱালীৰ শালিনতাবোধ শৃংখলাবোধ বহু পৰিমানে বাহ্যিক হ'লেও বাঁচি আছে। স্বাভাৱিক ভাৱেও শান্ত সমাহিত ৰূপটোৱেই নাৰীৰ ৰূপ। ইতিমধ্যে সাজ পাৰৰ ক্ষেত্ৰত গুৱাহাটীৰ কিছুমান যুৱতীয়ে বৈপ্লৱিক ভাবে 'শালিনতা'ৰ সীমাচেৰাই গৈছে। এয়া পণ্য সংস্কৃতিৰ কুফল। যুৱক সকলৰ ওপৰত থকা আন এটা অভিযোগ ছোৱালী জোকোৱা। এই সম্পৰ্কে ছোৱালী কেবাজনীকো প্ৰশ্ন কৰিছিলো। আচলতে জোকোৱা, চুপতি কৰাটো কুৰি শতিকাৰ যুৱ সমাজৰ সৃষ্টি নহয়, ই একপ্ৰকাৰৰ এক পুৰণি পৰম্পৰা। কিন্তু আজি এই জোকোৱাটো ৰাস্তাত অশ্লীল মাত মতাৰ পৰ্য্যায় পাইছেগৈ, এইটো সম্পৰ্কত সকলো ছোৱালীৰে অভিযোগ আছে। কিন্তু স্বাভাৱিক ভাবে মন্তব্য দিয়াটো স্থান কাল সাপেক্ষে কৃত্ৰিম খণ্ডেৰে মানি লোৱাৰ কথা স্বীকাৰ কৰে আৰু একে স্থান কালৰ সাপেক্ষে (জাক পাতি থাকিলে বা 'লোকেল এৰিয়া' হ'লে,উদাহৰণ,বিশেষ গাৰ্ল'চ কলেজৰ কাষৰ বাটত) হ'লে ল'ৰাকো জোকোৱাৰ কথা আমাৰ যুৱতী সকলে অস্বীকাৰ নকৰে।

পুৰণি চামে যেনেকৈ ভাবে নতুন চামে নাভাবে আৰু নতুন চামে ভবাৰ দৰে পুৰণি চামে নাভাবে। দুইটা চামৰ মাজৰ সময়ত পৃথিবীখন ইমান গতিৰে আগুৱাই গ'ল যে দুয়োপক্ষৰ মাজত বিৰাট ব্যৱধান আহি গ'ল। সেয়েহে 'বুঢ়াবোৰে অযথা পেকপেকাই থাকেই' আৰু 'আজিৰ ল'ৰাবোৰ একেবাৰে নষ্ট হ'ল' ধৰণৰ দুটা চৰম মত প্ৰকাশ হ'ল।

এই দুয়োটা চৰম মতৰ মাজৰ গুৰুত্বপূৰ্ণ কথাটো হ'ল মনোজগতৰ ব্যৱধান। এই প্ৰসঙ্গত generation gap ৰ কথা কব পাৰি। চক্ৰেটিচে অভিযোগ কৰিছিল তেওঁৰ সময়ৰ ডেকা ল'ৰাবোৰৰ বিষয়ে যে সিহঁতে ডাঙৰক সন্মান কৰিব নাজানে। ইয়াৰ কাৰণ হিচাবে ইয়াকে ক'ব পাৰি— চক্ৰেটিচৰ মানসিক জগতখন যিটো পৰিবেশত গঢ়ি উঠিছিল, তেওঁৰ পিচৰ চামটোৰ মানসিক পৰিবেশ গঢ়ি উঠিছিল অন্য এক পৰিবেশত, গতিকে দুটা চামৰ মানসিকতা গঢ়ি উঠাৰ পৰিবেশ দুটাৰ যিমান ব্যৱধান থাকে সিমানে এই generation gap বেঁছি হয় আৰু ইয়াক কোনো এটা চামে সহজে অতিক্ৰম কৰিব নোৱাৰে। পিচৰ চামটোৰ ধেমালিখিনিত আগৰ চামটোৱে অভদ্ৰতাৰ গোন্ধ পায়, ফুৰ্ত্তিখিনিত দেখে উশৃংখলতা। চক্ৰেটিচৰ দিনত দুটা পুৰুষৰ মাজত পৃথিৱীখন আৰ্থ-সামাজিক দিশত যিমান আগুৱাইছিল আজিকালিৰ যুগত তাতকৈ কেবাগুণ বেছি আগুৱাই যায়। গতিকে generation gap টোও বেচি হয়। গতিকে চক্ৰেটিচৰ অভিযোগ খিনি আজিৰ আমাৰ পুৰণি চামটোৰ মুখেৰে বেচি তীব্ৰ ৰূপত মাত্ৰ পুনৰুক্তি হয়। চক্ৰেটিচৰো পূৰ্বসুৰী গ্ৰীক কবি হেচিয়ডেও আশংকা প্ৰকাশ কৰিছিল চক্ৰেটিচৰ দৰে নতুন চামৰ হাতত পৰি দেশ ৰসাতললৈ যাব। কিন্তু এই আশংকা এতিয়ালৈ সঁচা হোৱা নাই। নতুন নতুন সম্ভাৱেৰে পৃথিৱীক যুব সমাজে সমৃদ্ধিশালীহে কৰি তুলিছে। ভৱিষ্যতৰ পৃথিৱীখন গঢ়াৰ ভাৰ তেওঁলোকৰেই যেতিয়া — তেওঁলোকক অশালিনতা, উশৃংখলতা, অশ্লীলতাৰ দোষত 'দোষী' কৰি—আমাৰ প্ৰবীণ চামে কিমান দিন যুৱ সমাজৰ লগত নিজকে বিচ্ছিন্ন কৰি ৰাখিব? প্ৰবীণ সকলে 'ভৱিষ্যত'ৰ দায়িত্ব এওঁলোকৰ হাততেই গতাই যাব নালাগিবনে? □

ব্ৰজেন ডেকা

OKDISCD

# পৃথিৱীৰ দিশে দিশে বিবাহ

ব্ৰাহ্ম, দৈব, আৰ্য্য, প্ৰাজাপত্য, অসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ— এই আঠ প্ৰকাৰৰ প্ৰথা প্ৰাচীন ভাৰতত পত্নী লাভৰ উপায় আছিল। ক্ৰমাৎ জটিল পৃথিবীৰ সতে খাপ খাই ভিন্ন সমাজত ইয়াৰ স্থিতি ভিন্ন হৈছেগৈ। ভিন্ন সমাজত বিবাহৰ পদ্ধতি অলপ সালসলনি হ'লেও সকলোৰে মূল ব্যাখ্যা— বিবাহৰ মাজেৰে দুটি নাৰী-পুৰুষে এক স্থায়ী সম্পৰ্কৰ মাজেৰে সতি-সন্তান জন্ম দিয়া। সন্দেহ নাই এই ব্যাখ্যাকেই গৰিষ্ঠ সংখ্যক সমাজে আদৰি লৈছে। যদিও বিবাহ সূত্ৰত আৱদ্ধ হোৱাৰ ৰীতি-নীতিত বৈচিত্ৰতা প্ৰচুৰ। ইয়াত পৃথিৱীৰ দিশে দিশে প্ৰচলিত বিবাহ বৈচিত্ৰৰ বিষয়ে কিছু কথা লিখা হৈছে।

ডেকা গাভৰুৰ মন মিলিছে— অথচ, পৰিয়াল আৰু সমাজৰ বাধা আছে, গতিকে এনিশা পলাই গৈ দুয়ো বিবাহ পাশত আৱদ্ধ হ'লগৈ। তেওঁলোক দুয়োয়ে এনিশা বাহিৰত স্বামী-স্ত্ৰী হিচাপে সহবাস কৰি সমাজ আৰু পিতৃ-মাতৃৰ কাষত তেওঁলোকে স্বামী-স্ত্ৰীৰ স্বীকৃতি আদায় কৰে। এনে পলাই পতা বিয়াত দক্ষিণ অষ্ট্ৰেলিয়াৰ কুৰনাইন সকলক চেৰ পেলাই উত্তৰ-পূৱ ভাৰতে আগশাৰী লৈছে। অসমত প্ৰচলিত এই 'কামাখ্যা বিবাহ'ক সমাজৰ সকলো সম্প্ৰদায়ৰ লোকে সহজ ভাৱে লৈছে। তাৰোপৰি এই বিবাহক বিভিন্ন ঠাইৰ ৰক্ষণশীল সমাজ খোৱেও বহুল ভাৱে গ্ৰহণ কৰিছে।

ধৰ্ম্ম গ্ৰন্থত ৰুক্মীনী হৰণ, উষা হৰণ আদি আমি পঢ়ি আহিছো — শুনি আহিছো। কোৱা বাহুল্য যে— এই হৰণৰ উদ্দেশ্য হ'ল বিবাহ। কিন্তু হৰণৰ যোগেদি বিবাহত মিল থাকিলেও বিবাহৰ প্ৰথা বেলেগ বেলেগ হয়। কন্যা ক্ৰয় প্ৰথা থকা যুগ'ৰেভ সমাজত —কন্যা ক্ৰয় কৰিবলৈ সমৰ্থ নথকা যুৱক সকল এই বিবাহৰ আৱিষ্কাৰক বুলি কোৱা হয়। এই বিবাহ ভাৰতৰ বহু ঠাইত ক্ৰমে জনপ্ৰিয় হৈ পৰিছে। সমাজৰ শৃংখলা অটুট ৰাখিবলৈ এই অপহৰণ কাৰ্য্য সাধাৰণতে এতেকখন সমাজৰ মাজত নহয়। কিন্তু অসমৰ ৰাভা জনজাতি সকল ইয়াৰ ব্যতিক্ৰম। তেওঁলোকে এজনী ছোৱালী অপহৰণ কৰি আনি জোৰকৈ শিৰত সেন্দুৰ আঁকি দিলেই —তেওঁ পুৰুষজনৰ পত্নী হিচাপে স্বীকৃত হ'য়। ৰাভা সকলে এই বিবাহ প্ৰথাৰ নাম দিছে— ক্ৰছিংবাৰি।

আনহাতে— ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মিৰি জনজাতিৰ মাজত প্ৰচলিত এনে অপহৰণ কাৰ্য্য 'যাদু-মন্ত্ৰৰ যোগেৰে' কৰা হয়। এবিধ মন্ত্ৰপুত সেন্দুৰ অপহৰণ কৰিব বিচৰা ছোৱালী জনীৰ কপালত আঁকি দিলেই— সেই ছোৱালী পুৰুষ জনৰ সতে মন নেথাকিলেও বিয়াত বহিবলৈ ইচ্ছা কৰে বুলি তেওঁলোকৰ মাজত বিশ্বাস। এই সেন্দুৰৰ নাম 'কাম সেন্দুৰ'।

ৰাজস্থানৰ যৌতুক প্ৰথাৰ কথা আজি কাৰো বাবে অজ্ঞাত নহয়। দৰাৰ ঘৰৰ পৰা বিচৰা মতে কন্যা ঘৰে যৌতুক দিব নোৱাৰিলে — বিবাহৰ পিছতো স্বামীৰ ঘৰত পোৱা অত্যাচাৰ দেখি শুনি গা শিঁয়ৰি উঠে। বেছি ক্ষেত্ৰতে পত্নীয়ে যৌতুকৰ বিনিময়ত নিজৰ প্ৰাণ দানো দিব লগা হয়। এই প্ৰথাৰ বিপৰীতে আমেৰিকাৰ ক্ৰো, ডাক'টা সকলৰ মাজত 'কন্যা ক্ৰয়' প্ৰথা প্ৰচলিত। এই প্ৰথামতে কন্যা প্ৰৱক কিছু ধন যৌতুক দিহে এজন পুৰুষে এগৰাকী নাৰীক পত্নী ৰূপে পাব পাৰে। এগৰাকী কন্যা ক্ৰয় কৰোতে যিমান বেছি ধন তথা যৌতুক কন্যাৰ ঘৰত দিব পাৰিব-পুৰুষৰ ঘৰৰ সন্মান সিমানে বাঢ়িব। অৰুণাচলৰ চুলুং জনজাতিৰ মাজত প্ৰচলিত এই যৌতুকৰ পৰিমাণ ইমানেই বেছি যে— সাধাৰণ ডেকাই বিবাহ পাশত আৱদ্ধ হবলৈকো আশা কৰিব নোৱাৰে।

OKDISCD

## বিচিত্ৰা

যিকোনো কাৰণত ছোৱালীৰ বিবাহৰ আশা নেথাকিলে নিজে কোনো পুৰুষৰ কাষলৈ গৈ জোৰ জবৰদস্তি তেওঁক বিয়া কৰাবলৈ কয়। পুৰুষৰ ঘৰৰ নানা অত্যাচাৰ সহ্য কৰিও ছোৱালী জনী নিজা ঘৰলৈ উভতি নগলে পুৰুষ জনে তেওঁক বিয়া কৰাবলৈ বাধ্য হয়। এনে বলপূৰ্বক ভাবে স্বামীবৰণ কৰা প্ৰথা— ৰাভা, চাউতাল আদি সমাজত আছে।

কাৰ্বি, মনিপুৰৰ পুৰম জনজাতি সকলৰ মাজত— কন্যা ক্ৰয় কৰিবলৈ সামৰ্থ নথকা যুৱক সকলে ভাবি শহুৰেকৰ ঘৰত কাম কাজ কৰি পত্নী লাভ কৰে। এই ক্ৰয়ৰ উচল সম্পূৰ্ণ নোহোৱালৈকে এনে ডেকা গাভৰুক সমাজে স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি নিদিয়ে। এই বিবাহ সাধাৰণতে শ্ৰম বিবাহ বুলি জনাজাত। কছাৰী সকলে ইয়াক 'গৰিজিয়া' নাম দিছে।

শক্তি পৰীক্ষাৰে ৰামচন্দ্ৰই সীতা আৰু অৰ্জুনে দ্ৰৌপদীক পত্নী হিচাপে লাভ কৰা কথা আমি দুয়োখন হিন্দু মহাকাব্যত পাইছো। এনে শক্তি পৰীক্ষাৰে পত্নী লাভ কৰা প্ৰথা আজিও সমাজ বিশেষে আছে। আফ্ৰিকাৰ এটা জনজাতিৰ এজন যুৱকে বিবাহৰ বাবে ইচ্ছা কৰিলে— তেওঁ ভাবি শহুৰেকক এটা মানুহৰ মূৰ কাটি আনি নিজৰ শক্তিৰ পৰিচায়ক হিচাপে উপহাৰ দিব লাগে। ভীল সকলৰ মাজত আকৌ এক আচৰিত পৰীক্ষাৰ মাজেৰে কন্যালাভ কৰিব পাৰি। এই পৰীক্ষা অনুষ্ঠিত হ'য় ফাকুৱাৰ সময়ত। এই উৎসৱত— এজোপা গছৰ ওপৰত এটা নাৰিকল বান্ধিলৈ তাৰ তলত বিবাহাকাংখী যুৱতী-যুৱকে ঘুৰণীয়াকৈ আগুৰি এক্কোটা বৃত্তৰ সৃষ্টি কৰি নৃত্য কৰে। সেই নৃত্যৰ মাজতে, যদিহে কোনো যুৱকে যুৱতী সকলৰ বাড়নীৰ কোব, তীব্ৰ নখৰ আঁচোৰ আৰু ভুকু-কিলক সহ্য কৰি যুৱতী সকলৰ বৃত্তটো পাৰ হৈ—গছত উঠি নাৰিকলটো পাৰি আনিব পাৰে তেন্তে সেই যুৱকে উক্ত উৎসৱত যোগ দিয়া যি কোনো এগৰাকী যুৱতীকেই মাল্যদান কৰি বিয়া কৰাব পাৰে।



উত্তৰ-পূৱ ভাৰতৰ কুকি সকলৰ মাজত প্ৰচলিত এক বিবাহ প্ৰথা মতে আকৌ— বিবাহাকাংখী এহাল যুৱক-যুৱতীয়ে কিছুদিন সহবাস কৰাৰ পিছত যদি যৌন তথা আন অভিজ্ঞতা সমূহৰ পৰা দুয়ো এটা বুজা পৰালৈ আহে আৰু দুয়ো ওৰেটো জীৱন একেলগে থাকিবলৈ বিচাৰে তেতিয়াহে সামাজিক ভাবে তেওঁলোকৰ বিবাহ হয়। নহলে, সহবাসৰ দিনকেইটাৰ বাবে যুৱকে ক্ষতি পূৰণ হিচাপে যুৱতীৰ পিতাকক ধন দিব লগীয়া হয়।

ৰাভা জনজাতি, আন্দামান দ্বীপৰ কিছুসংখ্যক জনজাতিৰ কন্যা ঘৰে যোগ্য দৰাৰ অভাৱৰ বাবে সৰুতে অন্য ঘৰৰ লৰা তুলি-তালি ডাঙৰ কৰে আৰু উচিত বয়সত কন্যাৰ সতে বিয়া দিয়ে।

ৰেড ইণ্ডিয়ানবোৰৰ মাজত প্ৰচলিত এক জনপ্ৰিয় বিবাহ প্ৰথামতে —এজন পুৰুষে কোনো এগৰাকী নাৰীক বিবাহ কৰাৰ পিছত সেই নাৰীৰ ভগ্নী সকলেও

(বাকী ছোৱা ৩৬ পৃষ্ঠাত)



OKDISCD

# ৱাইছ্ডেন সন্মানিত ভাৰতীয় খেলুৱৈ

ক্ৰিকেট প্ৰেমী সকলৰ বাবে সম্ভৱ ৱাইছ্ডেন (Wisden) তকৈ প্ৰিয় কিতাপ আৰু নাই। ৱাইছ ডেনক "ক্ৰিকেটৰ বাইবেল" বুলিও কোৱা হ'য়। এইখন পঢ়োতে আপোনাৰ এনেকুৱা লাগিব যেন আপুনি এটা টাইম-মেছিনত উঠি ক্ৰিকেটৰ কিছু-মান চিৰস্মৰণীয় ঐতিহাসিক মুহূৰ্তৰ মাজতহে বিচৰণ কৰি-ছেগৈ!

ক্ৰিকেট খেলটো প্ৰকৃততে সৰ্ব্বাধিক খাপখাই— ইংলণ্ডৰ দৰে অনিশ্চিত বতৰ, আৰামদায়ক সুন্দৰ সেউজীয়া ঘাঁহনিৰ শান্ত সমাহিত পৰিবেশৰ মাজতহে। ভাৰতৰ পৰিবেশ ইয়াৰ সম্পূৰ্ণ বিপৰীত। প্ৰতিকূল পৰিবেশৰ মাজত ভাৰতত এই খেল খেলাটো সেয়ে অত্যন্ত কষ্টসাধ্য। ভাৰতে আন্তৰ্জাতিক ক্ৰিকেট জগতত প্ৰথম বাৰৰ বাবে পদাৰ্পন কৰে ১৯৩২ চনত লৰ্ডছ্‌ত ইংলেণ্ডৰ বিৰূদ্ধে। স্বাভাবিকতে সেই খেল খনত ভাৰতীয় খেলুৱৈ সকল যথেষ্ট অসুবিধাত পৰিছিল। ভাৰতে সেইবাৰ ১৫৮ ৰাণৰ ব্যৱধানত পৰাজয় বৰণ কৰে। চি, কে, নাইডু আছিল তদানিন্তন ভাৰতীয় দলৰ কেপ্তেইন যিয়ে মুঠ ৬৫ টা উইকেট আৰু ১৮৪২ ৰাণ সংগ্ৰহ কৰিছিল। ৱাইছ ডেনত তেওঁক "ক্ৰিকেটাৰ অব্‌দা ইয়াৰ" বুলি ঘোষণা কৰি লেখিছিল "......... দুৰ্দান্ত স্বট্‌ৰ বাবে জনাজাত এজন অসাধাৰণ সাহসী আক্ৰমন মুখী কেপ্তেইন—"

টিম হিচাপে ভাৰতীয় টিমে বিশেষ খিতাপ পাবলৈ এতিয়াও বাকী। সেয়েহলেও ব্যক্তিগত ভাবে কেবাজনো ভাৰতীয় খেলুৱৈয়ে বিশ্বত শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হোৱাটো মন কৰিবলগীয়া। ৱাইছ্ডেনে বিশেষ সন্মানেৰে সন্মানিত কৰা মুঠ এঘাৰজন ভাৰতীয় খেলুৱৈৰ একেবাৰে শেষৰ জন ভাৰতীয় খেলুৱৈ হ'ল জিমি অমৰনাথ। ৱাইছ্ডেনে সন্মানিত কৰা আন দহজন ভাৰতীয় খেলুৱৈ—কে, এচ, ৰণজিত্‌ সিং (১৮৯৬), কে, এচ, দিলীপ সিং (১৯২৯), ইফটিকাৰ আলি পাটাউডি (১৯৩২), চি, কে, নাইডু (১৯৩২) বিজয় মাৰ্চেণ্ট (১৯৩৬), বিনু মানকাড় (১৯৪৬), মনচুৰ আলি পাটাউডি (১৯৬৭), বি, এচ, চন্দ্ৰশেখৰ (১৯৭১), সুনিল গাভাস্কাৰ (১৯৮০), কপিল দেব (১৯৮২), মহিন্দ্ৰ অমৰনাথ (১৯৮৩)।

১৯৪৬ চন। ভিনুমানকাড় সেইবাৰ ইংলেণ্ডৰ বিৰুদ্ধে খেলি প্ৰমান কৰি দেখুৱালে—বিশ্বৰ শ্ৰেষ্ঠ অলৰাউণ্ডাৰ সকলৰ মাজত তেওঁও এজন। তেৱেঁই প্ৰথম ভাৰতীয়— যিয়ে ১০০০ ৰাণ আৰু ১০০ টা উইকেট সংগ্ৰহৰ মাজেৰে সেইবাৰ ডাবোল কৰিবলৈ সক্ষম হয়। ৱাইছ্ডেনৰ ভাষাত—"ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম বাৰৰ বাবে খেলি এনে চমৎকাৰ শেল দেখুৱা খেলুৱৈ খুউব কম আছে"।

১৯৬৭ চনত টাইগাৰ পাটাউদিৰ অনন্য বেটিং এ সকলোকে মুহিত কৰে। সেইবাৰ ভাৰতীয় টিমৰ এক সংকটকালীন পৰিস্থিতিত টাইগাৰ পাটাউদিয়ে ৬৭ আৰু ১৪৮ ৰাণ সংগ্ৰহ কৰি সেই পৰিস্থিতিৰ পৰা ভাৰতীয় টিমক উদ্ধাৰ কৰা ঘটনা কোনে পাহৰিব পাৰে?

ইংলণ্ডত ভাৰতে প্ৰথমবাৰ জয়ৰ মুখ দেখিছিল ১৯৭১ চনত। ৩৮ ৰাণত ৬টা উইকেট সংগ্ৰহ কৰা চন্দ্ৰ শেখৰৰ গুগ্‌লিবলৰ সন্মুখত তিষ্ঠিব নোৱাৰি ইংলেণ্ড দল ধাৰাশায়ী হয় মাত্ৰ ১১০ ৰাণত। সেইটো ছিৰিজত চন্দ্ৰ শেখৰে ২৯'১৫ অভাৰত উইকেট দখল কৰে ১৩ টা।

'৮৩ৰ বছৰটো আছিল— 'অমৰ নাথৰ বছৰ'। অমৰ নাথৰ বলিষ্ঠ ভূমিকাৰ বাবে (গড় হিচাবে ২৯'৬২ কৈ মুঠ ২৩৭ ৰাণ, সৰ্ব্বোচ্চ ৮০ ৰাণ) ভাৰতে ৮৩ ৰ বিশ্বকাপ হস্তগত কৰিবলৈ সক্ষম হয়।

'৮২ ত বলিং আৰু বেটিঙৰে সকলোকে মুহিত কৰি কপিল দেবে ৱাইছ্ডেনৰ বিশেষ সন্মান লাভ কৰে। বিশ্বৰ এটাৰ পিছত এটা ৰেকৰ্ড ভংগ কৰি যোৱা সুনিল গাভাস্কাৰে ৮০ ত ৱাইছ্-ডেনৰ—"নিৰ্ব্বাচিত পাঁচজনৰ" এজন হিছাবে বিশেষ আসন লাভ কৰে। □

ভৈৰৱ চলিহা

## অন্য এক নিৰৱ শিল্পীৰ জীৱন যাত্ৰা

( ২৭ পৃষ্ঠাৰ পৰা )

শিক্ষা সমাপ্ত কৰি ঘূৰি আহি তেতিয়াৰ মুখ্যমন্ত্ৰী ৺বিমলা প্ৰসাদ চলিহাক লগ ধৰি অসমতো এখনি উন্নত মানদণ্ডৰ আৰ্ট স্কুল স্থাপনৰ বাবে প্ৰচেষ্টা চলায়। পিচে ব্যৰ্থ হয়। শেষত জীৱিকাৰ বাবে অস্থায়ীভাবে প্ৰথমে জন-সংযোগ অফিচত কেবাবছৰো চাকৰী কৰি শেষত খুদ্ৰ উদ্যোগ বিভাগত এজন ইণ্ডাষ্ট্ৰীয়েল আৰ্টৰ বিষয়া ৰূপে যোগ দিয়ে আৰুতাৰ পাছৰ পৰাই আজি কিছু বছৰ আগতে অৱসৰ গ্ৰহণ কৰে। দুৰ্ভাগ্যৰ কথা চৰকাৰী আইনৰ মেৰপাকত অৱসৰৰ পিছত আজিলৈকে তেওঁ কোনো পেন্‌চনৰ পইচা পোৱা নাই। গুৱাহাটীৰে নাৰিকল বস্তীত বাস কৰা এই প্ৰবীন শিল্পীজনে বৰ্তমান পৰিয়ালৰ ভৰণ পোষণৰ বাবে চাইনবৰ্ড লিখা, এমব্লেম, ল'গো আদিৰ ডিজাইন কৰি এক অন্য ধাৰাৰে জীৱন নিৰ্ব্বাহ কৰিব লগা হৈছে। এই প্ৰবীন শিল্পী জনৰ নাম শ্ৰীৰবীন্দ্ৰ নাথ ভট্টাচাৰ্য্য। বৰ্তমান শিল্পীজনৰ ওচৰত বিশেষ কোনো ধৰণৰ সৃষ্টিমূলক কলাসন্মত কামৰ নিদৰ্শন দেখিবলৈ নেপাই কিছু হতাশ হৈ আমি ওচৰ চাপিছিলো গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সম্পাদক, ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ পৰা অসমৰ লোক কলা অধ্যয়নৰ কাৰণে প্ৰতিভামূলক বৃত্তিধাৰী নবীন চিত্ৰ শিল্পী ধ্ৰুব ডেকাৰ। তেখেতৰ ভাষাৰে— "ৰবীন্দ্ৰ নাথ ভট্টাচাৰ্য্য অসমৰ প্ৰবীন চিত্ৰ শিল্পী কলিকতাৰ 'গভৰ্ণমেণ্ট আৰ্টস্কুল'ৰ স্নাতক। তেখেতৰ সমসাময়িক চিত্ৰশিল্পী অসমত মুষ্টিমেয়।

শিল্পী ৰবীন্দ্ৰ নাথ ভট্টাচাৰ্য্যৰ শিল্পকৰ্ম মানুহে কিয় দেখা নাই সেইটো ডাঙৰ কথা নহয়, এজন শিল্পীয়ে শৈল্পীক প্ৰতিভা থকা স্বত্বেও তেখেতে চাইনবৰ্ড, এমব্লেম ডিজাইনৰ মাজেৰে কিদৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছে সেইটোহে আমাৰ কাৰণে ডাঙৰ কথা হব লাগে।"

এসময়ত ৰাজ্যিক ললিত কলা একাডেমীৰ মনোনীত সদস্য ৰাজ্য আৰু ৰাজ্যৰ বাহিৰত বহু কলা সম্বন্ধীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ সতে জড়িত, বৰ্তমান আৰ্থিক অনাটনৰ মাজেদি এক বৈচিত্ৰতাৰে জীৱিকা নিৰ্ব্বাহ কৰা শ্ৰীযুত ভট্টাচাৰ্য্য দেৱৰ শিল্পী প্ৰতিভাৰ চানেকি বিচাৰোতে তেখেতে সৰলতাৰে কৈছিল "মই কোনো মানবিশিষ্ট বা প্ৰতিথযশা শিল্পী নহওঁ, কিম্বা নন্দনতত্ত্বৰ নতুন দিশ সম্ভেদ দিব পৰা শিল্পকাৰ্য্যৰ কোনো ধাৰাও সৃষ্টি কৰিব পৰা নাই। কাজেই বিশিষ্ট শিল্পীৰ বাণীৰ নিচিনা মোৰ শিল্প প্ৰতিভাৰ ওপৰত দিব পৰা কথা মোৰ পৰা যেন নিবিচাৰে। মই মাথোন মোৰ এই জীৱন চোৰাত শিল্পীৰ মন্দিৰ বিচাৰি বাটপথ চিকুনাই গৈছো। মোৰ মন্দিৰ দৰ্শন হৈছিল সঁচা; কিন্তু ধ্যান উপাসনা কৰি মই প্ৰকৃত ধ্যানীৰ খ্যাতি লাভ কৰিব পৰা নাই।" □

অমূল্য কাকতী

## পৃথিবীৰ দিশে দিশে বিবাহ

(৩৪ পৃষ্ঠাৰ পৰা)

সেই পুৰুষ জনকে স্বামী বৰণ কৰিবলৈ বাধ্য হয়। মণ্টানাৰ ক্ৰো, দক্ষিণ পুৱ অৰিজ'নাৰ ছিৰিকাহুৱা, ডাক'টাৰ আদি সমাজত ইয়াৰ প্ৰচলন আছে।

টোজ সকলৰ মাজত বহু পুৰুষ বিবাহ প্ৰচলিত। এই প্ৰথাত এজন পুৰুষে বিয়া কৰোৱাৰ পিছত তেওঁৰ পত্নী—তেওঁৰ ভাতৃ সকলোৰে পত্নী হ'য়। আকৌ এজনী নাৰীকেই ভিন্ন গাঁৱৰ বাসিন্দা এদল পুৰুষেও বিয়া কৰাব পাৰে। এনে ক্ষেত্ৰত নাৰী গৰাকীয়ে বছৰটোৰ ভিন্ন সময়ত তেওঁৰ স্বামী সকলৰ গাঁৱে গাঁৱে ভ্ৰমি ফুৰিব লগীয়া হয়।

পলিনেছিয়াৰ মাৰকুৱেছা দ্বীপ বাসী সকলৰ আকৌ —এদল লোকে এগৰাকী নাৰীক পত্নীৰূপে গ্ৰহণ কৰি একে আবাস গৃহত থাকে আৰু উমৈহতীয়া যৌন জীৱন উপভোগ কৰে।

অসমৰ ডফলা জনজাতিৰ মাজত বহুনাৰী বিবাহ প্ৰথা প্ৰচলিত। এই সমাজত বৈমাতৃৰ সতেও পিতৃৰ মৃত্যুৰ পিছত সন্তানৰ বিবাহৰ প্ৰথা আছে।

টোজ সকলৰ মাজত প্ৰচলিত আন এবিধ প্ৰথা মতে কেইজন মান ভাতৃয়ে এদল নাৰীক একেলগে বিয়া কৰাব পাৰে। আৰু উমৈহতীয়া যৌন জীৱন উপভোগ কৰে। এই সমাজতে প্ৰচলিত বিবাহৰ 'তেৰস্থি' প্ৰথা মতে এগৰাকী বিবাহিতা নাৰীকো কোনো এদল লোকে বিবাহ কৰিবৰ বাবে চেষ্টা কৰিব পাৰে। এই বিবাহিতা নাৰী গৰাকীক পত্নী হিচাপে পাব বিচৰা পুৰুষ জনে নাৰী গৰাকীৰ স্বামী সকলক কেইটামান মহ দিলেই হ'ল। 'মোখখোদিতি' নামৰ আন এক বিবাহ প্ৰথাত স্ত্ৰীয়ে স্বামীৰ বাহিৰে অন্য পুৰুষৰ সতেও যৌন সম্পৰ্ক ৰাখিবৰ বাবে স্বামীৰ দাবী কৰিব পাৰে। □ পঙ্কজ নেওগ

## কুইজ

১। পৃথিবীত এখনেই মাত্র দেশ আছে, য'ত ইংৰাজী শিকি থকা মানুহৰ সংখ্যা, আমেৰিকাৰ ইংৰাজী কোৱা মানুহৰ মুঠ সংখ্যাতকৈও বেছি, দেশখন কি ?

২। Bombay blood কি ?

৩। 'আমেৰিকা কাপ' কি খেলৰ লগত জড়িত ?

৪। কোনখন নগৰীক Windy City বুলি জনা যায় ?

৫। কপিল দেবক কোনে প্ৰথমে 'Haryana Harricane' বুলি উল্লেখ কৰিছিল ?

৬। 'Brain of Britain' কি ?

৭। পৃথিবীৰ ভিতৰতে আটাইতকৈ খৰচী চহৰ কোনখন ?

৮। Winter Olympic শীত প্ৰধান দেশত অনুষ্ঠিত হয়। এবাৰ এচিয়াৰ জাপানত এই খেল পতা হৈছিল। জাপানৰ কোন ঠাইত এই খেল পতা হৈছিল ?

৯। কোনে কৈছিল যে পৃথিবীত মাত্র দুখন গোষ্ঠী নিৰপেক্ষ দেশ আছে আৰু সেই দুখন হ'ল আমেৰিকা আৰু ৰাছিয়া ?

১০। পৃথিবীৰ আটাইতকৈ পুৰণি আলি বাটটো কি ?

উত্তৰ সমূহ ঃ

১। চীনদেশ।

২। এবিধ বিৰল তেজৰ Group। এতিয়ালৈ মাত্র ২২ জন মানুহৰ শৰীৰত এই Groupৰ তেজ পোৱা গৈছে।

৩। ইয়াট্ চিং (Yatching)।

৪। চিকাগো নগৰী।

৫। গিনিজ বুক অৱ ওৱৰ্ল্ড্ ৰেকৰ্ড।

৬। বি,বি,চি,-এ পতা বাৰ্ষিক কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগিক দিয়া সন্মান।

৭। টকিঅ' মহানগৰী।

৮। হক্কাইড'ত।

৯। মিনু মাছানী।

১০। এচিয়া মাইনৰৰ মাজেৰে পাৰস্যৰ পৰা ভূমধ্য সাগৰলৈ থকা আলিবাটটো।

## আত্ম প্ৰতিষ্ঠাৰ পথ

### সৰু সৰু লাভজনক ব্যৱসায়

নিজকে প্ৰতিষ্ঠিত কৰিবলৈ বহুতো ব্যৱসায় আছে। আত্ম প্ৰতিষ্ঠা লাভ কৰিব পৰা তেনে এটা সৰু ব্যৱসায়ৰ কথা কম। আমাৰ অসমীয়া মানুহে ব্যৱসায়ৰ কথা বৰকৈ নেভাবে। সামান্য শিক্ষা পালেই চাকৰিৰ আশাত দুৱাৰে দুৱাৰে ঘূৰি ফুৰা দেখা যায়। চাকৰি নাপাই নৈৰাশ্যত ভোগে। অনা অসমীয়া মানুহে কিন্তু বেচি ভাগেই আমাৰ ইয়াত আহি সৰু সৰু ব্যৱসায় কৰি প্ৰতিষ্ঠিত হোৱা দেখা যায়। সৰু সৰু ব্যৱসায় বহুতো আছে তাৰে এটা বিচাৰি ললেই হ'ল। মই তেনে এটা সৰু ব্যৱসায়ৰ কথা কম। ব্যৱসায়টো হ'ল— কাঠৰ পেকিং বাকচ। এই পেকিং বাকচ বহুতো বস্তুৰ বাবে দৰ্কাৰ হয়। যেনে—চাবোন, ঔষধ,যন্ত্ৰপাতি ইত্যাদি। এইটো কম মূল ধনেৰে কৰিব পৰা সৰু ব্যৱসায়।

আপোনাৰ বাসস্থানৰ কাষত সৰু ঠাই টুকুৰা আপুনি আপোনাৰ সৰু ব্যৱসায়টোৰ বাবে বাচনি কৰি লৈ চাৰিখন টিঙেৰে এটা সৰু এচলীয়া ঘৰ বনাওক। বেৰ দিব নালাগে। দুজন মিস্ত্ৰি (ভাল নহলেও হব) যোগাৰ কৰক। কাঠৰ মিল এটাৰ ওচৰলৈ গৈ আপোনাৰ উদ্দেশ্য ব্যাখ্যা কৰক। ব্যাখ্যা কেনেকৈ কৰিব লাগিব তাকো কব লাগিব নেকি ? মোলায়ম সুৰত আপুনি কম দামত বেয়া তক্তা বিচাৰক। মালিক জন যদি দয়া পৰবশত বশবৰ্ত্তি হয় তেন্তে খুব কম দামতে আপুনি কাঠৰ তক্তা পাব। নহলে যি দাম কয় সেই দামতে কিনি আনি আপুনি আপোনাৰ এচলীয়াৰ ভিতৰ সোমাওক। তাৰ পিচত গজাল কিনি জোখত কাঠ কাটি বাকচ বনাওক। বাকচ বনোৱাৰ ঠিক আগমুহূৰ্তত আপুনি যি বিলাক উদ্যোগত বাকচ লাগে সেই বিলাকত কিমান বাকচ লাগিব তাৰ পৰা অৰ্দাৰ এটা লৈ বনাওক। দাম বেচি কৰি এদিনতে ধনী হবলৈ নাযাব। লাহে লাহে ব্যৱসায় আৰম্ভ কৰক। দেখিব আপুনি কব নোৱাৰাকৈয়ে এজন ভাল ব্যৱসায়ীত পৰিণত হৈছে। লাগে মাথোন আপোনাৰ একাগ্ৰতা অধ্যাবসায় আৰু আত্মতুষ্টি। মনৰ খোৰাক আৰু পেটৰ খোৰাক যোগাব পাৰিলেই আপুনি ভাবিব আপুনি ব্যৱসায়ী হৈছে।

## হতাশাৰ বিপৰীতে

আপুনি বাৰু দৈনন্দিন জীৱনৰ ঘাট প্ৰতিঘাটৰ মাজত হতাশ হৈ পৰিছে নেকি ? ৰ'ব, অন্ততঃ এটা উপায় আপোনাক আমি দিব খুজিছো, হতাশ নহ'বলৈ। এই উপায় অনুসৰি আপুনি তলৰ সংকল্প কেইটা সদায় দিনটো আৰম্ভ কৰিয়েই ল'বলৈ চেষ্টা কৰক :

☐ মই কেৱল আজিৰ দিনটোহে পৰিপূৰ্ণ ভাৱে জীয়াই থাকিবলৈ চেষ্টা কৰিম আৰু গোটেই জীৱনটোৰ সমস্যাবোৰ আজিৰ দিনটোৰ ভিতৰতে সমাধান কৰিব চেষ্টা নকৰো।

☐ আজিৰ দিনটোৰ কাৰণে মই সুখী হ'ম।

☐ আজিৰ দিনটোৰ কাৰণে মই মোৰ মনটো সবল কৰিবলৈ চেষ্টা কৰিম আৰু কামত লগা কিবা এটা নতুন বিদ্যা শিকিম।

☐ আজিৰ দিনটোৰ কাৰণে মই বাস্তৱ পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰিম।

☐ আজিৰ দিনটোৰ কাৰণে মই তিনি প্ৰকাৰে আত্মাৰ ব্যায়াম কৰিম।

ক) কোনেও গম নোপোৱাকৈ মই অন্ততঃ এজন মানুহৰ কিবা এটা উপকাৰ কৰিম ;

খ) মনৰ বল বঢ়াবৰ কাৰণে মই কৰি ভাল নোপোৱা দুটা কাম কৰিম ; আৰু

গ) কোনোবাই যদি মোৰ অনুভূতিক আঘাত কৰে, বাহিৰত তাক মই কেতিয়াও প্ৰকাশ নকৰিম।

☐ আজিৰ দিনটোৰ কাৰণে মই যিমান পাৰো সুৰুচিসম্মত সাজ-পাৰ পিন্ধিম, শান্ত আৰু ভদ্ৰভাৱে কথা আৰু কাম কৰিম।

☐ আজিৰ দিনটোৰ কাৰণে মই ধ্যান আৰু বিশ্ৰামৰ বাবে আধা ঘণ্টা সময় আচুতীয়াকৈ থম।

☐ আজিৰ দিনটোৰ কাৰণে মই নিৰ্ভীক হম।

## কথাৰ মুকুতা

"গাঁৱৰে জুপুৰি ইকৰাৰে সজা
তাতে থাকে ভৱিষ্যতৰ
আধা পেটি ৰজা।" —জ্যোতিপ্ৰসাদ

0 0 0

"সকলো বেমাৰৰ ঔষধ বজাৰত পোৱা যায়। কিন্তু 'চিন্তা বেমাৰ'ৰ ঔষধ ক'ত পাওঁ দেখোন। আপুনি ঠিকনা জানেনে ?" বুলি সোধা প্ৰশ্নৰ উত্তৰত ডঃ ভূপেন হাজৰিকাই ঠিকনাটো দিছিল এইদৰে :

ডাঃ শ্ৰী আত্মবিশ্বাস
পোঃ অঃ — সংগ্ৰাম
জিলা— সাহস
গাওঁ— ত্যাগ
ৰাজ্য—চিন্তাৰাজ্য।

## ৰগৰ

সমাজত এটা সময় আছিল, যেতিয়া মাকে গাভৰু জীয়েকক কৈ দিছিল কি উপন্যাস পঢ়িব লাগে। এতিয়া মডাৰ্ণ যুগ। কথা বেলেগ। আধুনিক গাভৰু জীয়েক : মা, তুমি মোৰ কোঠাত সোমাই কি কৰিছা ?

মাক : মই পঢ়িবলৈ কিতাপ এখন বিচাৰিছোঁ।

জীয়েক : ৰবা, তুমি মোৰ কিতাপবোৰ নুচুবা। ইয়াত কেইখনমান উপন্যাস আছে যি তোমাৰ বয়সৰ তিৰোতাই পঢ়িব নেপায়।

0 0 0

গাওঁ বুঢ়া : ঐ বেঙেনা, তই দেখোন লাওপানী নেখাওঁ বুলি শপত খাই, আকৌ এটেকেলি আনিছ ?

বেঙেনা : নাই, আধা টেকেলিহে মোৰ। বাকী আধা মোৰ বুঢ়ীটোৰ।।

গাওঁ বুঢ়া : তেন্তে আধা লাওপানী পেলাই নিদিয় কিয় ?

বেঙেনা : নোৱাৰি। মোৰ ভাগৰ আধাখিনি টেকেলিৰ তলভাগত আছে।

0 0 0

শিক্ষকে ক্লাচত এখন ৰচনা লিখিবলৈ দিছে। বিষয় : 'মেনেজাৰ'। সকলো ল'ৰাই লিখিবলৈ লৈছে। এজন ছাত্ৰই নিলিখি বহি আছে।

শিক্ষক : হেৰা, তুমি দেখোন লিখিবলৈ আৰম্ভ কৰাই নাই।

ছাত্ৰ : মোৰ প্ৰাইভেট চেক্ৰেটাৰীলৈ বাট চাইছো, চাৰ।